
RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ
● ৮৬তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৬ পুহ ১৪২৮
ভাস্কৰাব্দ ১ জানুৱাৰী ২০২২ চন ■ DAINIK
AGRADOOT ● Guwahati ● Saturday 1
January 2022 মূল্য ঃ ৯.০০ টকা

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**নৱবৰ্ষৰ শুভেচ্ছা**

ইংৰাজী নৱবৰ্ষ উপলক্ষে আমাৰ সমূহ পঢুৱৈ, লেখক-লেখিকা, এজেণ্ট-হকাৰ, বিজ্ঞাপনদাতা আৰু শুভাকাংক্ষীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। নতুন বছৰে সকলোটিলৈ কঢ়িয়াই আনক সুখ, শান্তি, সমৃদ্ধি— এয়ে কামনা। *দৈনিক অগ্ৰদূত সম্পাদনা*



agradoot@gmail.com
editor.agradoot@gmail.com
www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৬তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৬ পুহ ১৪২৮ ভাস্কৰাব্দ ১ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 1 January 2022 মূল্য ঃ ৯.০০ টকা



## কাইলৈ আপুনি ক'ত থাকিব?

■ প্ৰণৱ কুমাৰ বৰ্মন

কাইলৈ আপুনি ক'ত থাকিব
আজিৰ বেয়া দিনটোৰ ভিতৰতে হুমুনিয়াহ কাঢ়ি
আজিৰ বেয়া দিনটোৰ স্মৃতিচাৰণেৰে
প্ৰয়োজনত কিছু অধিক মদ্যপান কৰি
নিজৰ ভিতৰতে নিহত হৈ
নিজকে খুন কৰি আজিৰ ভিতৰতে বিষাক্ত কৰি সময়
নে আজি বাট হেৰুৱাই গন্তব্য স্থল পাহৰি?
কাইলৈ আপুনি ক'ত থাকিব?

আজি আপুনি অভাৱত আছিল, ভোকত আছিল
আজি আপুনি বেৰোজগাৰ আছিল
স্বপ্নৰ মৃত্যু ঘটিছিল হতাশাৰ অভ্যন্তৰত
আজি আপুনি প্ৰেমহীনতাত আছিল
প্ৰেয়সী গুচি গৈছিল অসমৰ্থতাৰ বিননি নুশুনি
আজি আপুনি অকলশৰীয়া আছিল
চৌপাশৰ ইমান হাহাকাৰ, ভাষণ, হৈ-চৈৰ মাজতো
তিলতিলকৈ নিসংগতাত ভুগিছিল।

আজি আপুনি দুৰ্ঘটনাত মৃত বন্ধুৰ,
ৰোগত মৃত সম্বন্ধীয়ৰ, আত্মজাহ দিয়া ভনীগৰাকীৰ
কোনো দিনে উভতি নহাৰ টোকাবহী লিখি
ক'ৰবালৈ গুচি যোৱা সহোদৰৰ শ আৰু স্বপ্নৰ চিতা জ্বলাই জ্বলাই
ভাগৰি পৰা প্ৰতি মুহূৰ্তত
নিজকে ছাই কৰিবলৈ নিজৰ ভিতৰতে জ্বলাই লৈছিল এখন চিতা

আজি আপোনাৰ আছিল শুদা ভাত, খালী জেপ
ৰিক্ত হৃদয়, ঋণৰ বোজা, ফাটি যোৱা জোতা
আজি আপোনাৰ আছিল অতীতৰ মধুক্ষণৰ জ্বালাময় উদ্‌গীৰণ
অতীতলৈ উভতি গৈ সুখকৰ দোলনাত দুলি
উফৰি ভাগৰি চকু পানী টোকাৰ দিন
কাইলৈ আপুনি ক'ত থাকিব?

আজিৰ ভগ্ন স্তূপত ভগ্নাংশৰ অংক সামৰি
কাইলৈ আপুনি ক'ত থাকিব?

আজি আপুনি মৃত্যুবৰণ কৰক ৰত্নাকৰৰ হাফলুত
আজি আপুনি পৰাজিত হওক শেষবাৰ
আজি আপুনি হিয়া ঢাকুৰি কান্দক নিঃস্বতাত
আজি জ্বলাই দিয়ক সকলো শোকসন্তপ্ত চিঠি
আজি নতজানু হৈ ক্ষমা কৰক নিজৰে হতাশাক
আজি বিদায় মাগক শূন্য হৃদয়ৰ পৰা

কাইলৈ আপুনি আশাৰ উজ্জ্বল দুহাতেৰে
স্পৰ্শ কৰিব লাগিব জীৱন!

# অসমীয়া ভাষাৰ কোনো সংকট নাই



■ য়েছে দৰজে ঠংচি

**মই** সদায় কৈ আহিছো আৰু হেজাৰবাৰ ক'ম, অসমীয়া ভাষাৰ কোনো সংকট অহা নাই। ইমান ডাঙৰ ভাষাৰ যদি সংকট আহে তেন্তে আমাৰ দৰে অল্প সংখ্যক লোকে কোৱা ভাষাৰ কি গতি হ'ব? প্ৰায় আঢ়ৈ কোটি মানুহে কোৱা ভাষালৈ কেতিয়াও সংকট আহিব নোৱাৰে। ভাষাক লৈ দুই-এটা ঘটনা ঘটিব পাৰে; কিন্তু তাকে লৈ ইমান শংকিত অথবা ভয় খোৱাৰ কোনো যুক্তি নাই।

অসমীয়া ভাষা-সাহিত্যলৈ মই যৎকিঞ্চিত অৱদান আগবঢ়াইছো। তাৰ তুলনাত অসমবাসীয়ে মোক বহু বেছি সন্মান দিছে। মৰম আৰু বিশ্বাসো পাইছো। মই কেতিয়াও নাভাবো যে অসম আৰু অসমীয়াই মোক কেতিয়াবা উপেক্ষিত কৰিছে বা অৱহেলাৰ দৃষ্টিৰে চাইছে।

মোৰ পাছত পাৰ্বত্য অঞ্চলৰ পৰা আন কোনোবা অনা-অসমীয়াই যে অসমীয়া সাহিত্যৰ ওপৰত চৰ্চা কৰিব তাৰ সম্ভাৱনা ক্ষীণ। কোনোবা যে ব্যতিক্ৰম নোলাব অৱশ্যে তাকো নুই কৰিব নোৱাৰি। কোনোবাই বিশেষ কিবা পদক্ষেপ ল'লেও যে তাৰ ফল ফলিয়াব তাৰো কোনো নিশ্চয়তা নাই। এইটো স্বতঃস্ফূৰ্তভাৱে আত্মপ্ৰকাশ কৰিবলগীয়া বিষয়।

গুচি যোৱা বছৰটোত কিছুমান খবৰে আমাক বাৰুকৈয়ে মৰ্মাহত কৰিলে। ২০২১ত অসমীয়া সাহিত্যই তিনিগৰাকীকৈ উজ্জ্বল নক্ষত্ৰ হেৰুৱালে। ১০ পৃষ্ঠাত চাওক

## জাতি-জনগোষ্ঠীৰ স্বকীয়তাৰ মাজতো ঐক্যৰ আহ্বান

# নৱবৰ্ষত কৰ্মই হওক আমাৰ ধৰ্ম



**ক'ভিড** পৰিস্থিতিৰ মাজতে আমি পাৰ কৰিলো এটা বছৰ। আদৰি লৈছো এটা নতুন বছৰ। অনেক আশা-প্ৰত্যাশাৰে এখন উন্নত অসম, সমস্যাহীন জীৱনৰ আশাৰে নতুন বছৰটোক সকলোৰে আদৰণি জনাইছে। অসমত অনেক জাতি-জনগোষ্ঠীৰ সমাহাৰৰ মাজতে অতীজৰ পৰাই সমন্বয়ৰ সৃষ্টি হৈ আহিছে। হেজাৰ প্ৰতিকূল পৰিস্থিতিতো বৃহত্তৰ অসমীয়া জাতিৰ অংগ এই জনগোষ্ঠীসমূহে সদায় উচ্চশিৰে থিয় দি আছে। ছিঙিবলৈ দিয়া নাই সম্প্ৰীতিৰ এনাজৰীডাল। কেতিয়াবা বাধা আহিছে, অনায়াসে সেই বাধা অতিক্ৰম কৰিছে। তাৰ মাজতে দাঙি ধৰিছে নিজস্ব জনগোষ্ঠীৰ সুকীয়া পৰিচয়, যদিও এই ক্ষেত্ৰত ক্ষতিগ্ৰস্ত হ'বলৈ দিয়া নাই বৃহত্তৰ অসমীয়া জাতিৰ পৰিচয়ক। বছৰৰ পহিলা দিনটোতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ একাংশ যুৱতীয়ে তুলি ধৰিছে নিজৰ মনৰ কথাবোৰ। নতুন বছৰটোৰ বাবে নিজক কিদৰে সাজু কৰা, প্ৰত্যাহ্বানেৰে ভৰা বছৰে বিদায় লোৱাৰ পাছত নতুন বছৰত এখন কেনে অসম বিচাৰে, নিজৰ জনগোষ্ঠীটোক কেনে ৰূপত চাব বিচাৰে বা যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰূপে নৱবৰ্ষৰ ১০ পৃষ্ঠাত চাওক




## নৱবৰ্ষত অভিশপ্ত সময়বোৰ যাতে পুনৰ ঘূৰি নাহে

■ ৰিচা ভৰদ্বাজ

**প্ৰথমে** অসমবাসী অসমবাসীক নৱবৰ্ষৰ বহুত বহুত শুভকামনা জনাইছো। আশা কৰিছো অনাগত বৰ্ষটোৱে সকলোৰে জীৱনলৈ সুখ-শান্তি কঢ়িয়াই আনক। বিগত প্ৰায় দুটা বছৰে নভবাকৈ যি পৰিস্থিতিৰ সন্মুখীন হৈ আহিছো, সেই পৰিস্থিতিয়ে আমাৰ জীৱনত বহুত বেয়াকৈ প্ৰভাৱ পেলাইছে। আশা কৰো নতুন বৰ্ষটোৱে যেন সকলো হতাশা দূৰ কৰি জীৱন সুখময় কৰি তোলে। বিগত দুটা বছৰে কেৱল শিল্পী সমাজেই নহয়, সমগ্ৰ ৰাজ্যবাসীৰেই স্বাভাৱিক জীৱন অস্বাভাৱিক হৈ পৰিছিল। বহু লোকে কৰ্ম-সংস্থাপন হেৰুৱাব লগা হ'ল। বহুতে এসাঁজ খাই এসাঁজ লঘোণে থাকিব লগা হ'ল। অনাহাৰত বহুতে জীৱন দিবলগীয়া হৈছিল। শিল্পীসকলৰ অনুষ্ঠান বন্ধ হৈ পৰিছিল, যি আমাৰ আঠ পৃষ্ঠাত চাওক

## জীৱনৰ এক অনন্য শিহৰণকাৰী অনুভৱ 'ৰাইডিং'





জনজীৱনক জীৱন্ত ৰূপত সংগ্ৰহ আৰু সংৰক্ষণৰ আন এক পথ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** কেতিয়াবা যদি হিমালয়ৰ বুকু ভেদি আগবাঢ়িছে, কেতিয়াবা সমুদ্ৰৰ তীৰে তীৰে, কেতিয়াবা ৰাজস্থানৰ মৰুভূমিত আৰু কেতিয়াবা পাটকাইৰ পাৰে পাৰে আগবাঢ়িছে ডুব, ডুব, ডুব ডুব। কেতিয়াবা যদি ইজনৰ পাছত সিজন আগবাঢ়িছে, কেতিয়াবা আকৌ হেজাৰ হেজাৰ কিলোমিটাৰ বাট সকলোৰে অতিক্ৰম কৰিছে। মনত নেদেখাজনক দেখাৰ আঠ পৃষ্ঠাত চাওক

## শান্তিপূৰ্ণ সমাজেই কাম্য


■ নিউটন লাংথাছা



**২০১৬**ৰ পৰা মই ছবিৰ পৰিচালক হিচাপে মোৰ জীৱন যাত্ৰাৰ পাতনি মেলিলো। সেই বছৰটোতে মই 'হামজৌমা গিবিছে' নামৰ এখন ডিমাছা ছবি মুকলি কৰিলো আৰু ছবিখনে ৰাইজৰ যথেষ্ট সঁহাৰি পালে। সেই সঁহাৰিয়েই মোক আৰু ছবি, গীত পৰিচালনা কৰি যাবলৈ উৎসাহ যোগালে। ইয়াৰ পাছতেই মই ডিমাছা পৰিচালক আঠ পৃষ্ঠাত চাওক

## মোৰ বিশ্বাস এখন ধুনীয়া পৃথিৱী গঢ়ি তুলিব পাৰিম

■ শংকুৰাজ কোঁৱৰ



**ক'ভিড**-১৯ৰ বাবে ২০২০ৰ মাৰ্চৰ পৰা যি তলাবন্ধ আৰম্ভ হৈছিল, সেই তলাবন্ধই প্ৰত্যেকৰে জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। ময়ো তাৰ ব্যতিক্ৰম নহয়। সেই সময়ত মই মুম্বাইত আছিলো আৰু মই বাস কৰা বিল্ডিংটো ছীল কৰি দিয়া হৈছিল। ১০ পৃষ্ঠাত চাওক

## জীৱনলৈ অহা চৰম প্ৰত্যাহ্বানক নেওচি সফল ব্যৱসায়ী চানী

এজন সুৰাসক্ত যুৱকৰ জীৱনৰ জীয়া কাহিনী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** বিশ্ববিখ্যাত লেখক এডৱাৰ্ড লিটনে কৈছিল, 'তোমাৰ লক্ষ্য স্থান ক'ত সেয়া যদি ঠিক কৰিব নোৱৰা, তেন্তে তুমি কোন পথে খোজ দিবা কেনেকৈ জানিবা? তোমাৰ লক্ষ্যই তোমাৰ অনাগত দিনৰ পথ নিৰ্ধাৰণ কৰিব।' ১০ পৃষ্ঠাত চাওক

## আত্মপৰিচয় হেৰুওৱাৰ শংকা যেন বৃদ্ধি হৈছে


■ নগেন শইকীয়া



**আধুনিক** জীৱনৰ সকলো ব্যৱহাৰিক কাম-কাজৰ শুভাৰম্ভণ ঘটে নতুন ইংৰাজী বছৰৰ লগে লগে। ১০ পৃষ্ঠাত চাওক

অসমৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ নৱবৰ্ষক লৈ আশা

## সৃষ্টি হওক অধ্যয়নৰ সুন্দৰ পৰিৱেশ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** প্ৰত্যাশিতভাৱে আহিল নৱবৰ্ষ। বিদায়ী বৰ্ষত ক'ভিডৰ প্ৰত্যাহ্বান ভৰা সময়ছোৱাত অসমৰ শিক্ষাৰ্থীসকলে নতুন পৰিৱেশৰ স'তে যুঁজ দিলে। নতুন বছৰৰ প্ৰথম দিনটোতে ৰাজ্যৰ স্কুলীয়া শিক্ষাৰ্থীয়ে বিচাৰিছে এইবাৰ এনে এক বছৰ, যি বিদায়ী বৰ্ষতকৈ হ'ব অধিক উত্তম আৰু আনন্দৰ। শিক্ষাৰ্থীসকলৰ বাবে স্কুলীয়া আন্তঃগাঁথনি হওক শক্তিশালী, ছয় পৃষ্ঠাত চাওক

## মানৱসৃষ্ট অৰণ্য গেলেকী কমলাবাৰী অৰণ্যম ক্ষেত্ৰই আকৰ্ষণ কৰিছে পৰ্যটকক



তিনি হেজাৰ বিঘা ভূমিত লহপহকৈ বাঢ়িছে সহস্ৰাধিক শাল, চেগুন, গমাৰি, তিতাচপা

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ৩১ ডিচেম্বৰ ঃ** বনধ্বংসৰ বিষয়টো এতিয়া সমগ্ৰ বিশ্বতে এক জটিল সমস্যাত পৰিণত হৈছে। হকে-বিহকে মানুহে গছ-গছনি কাটি অৰণ্য ধ্বংস কৰা কাৰ্য অব্যাহত ৰখাৰ ফলত দিনক দিনে বিশ্বৰ পৰিৱেশে ভয়াৱহ ৰূপ ধাৰণ কৰি আছে। ত্ৰাসৰ সৃষ্টি কৰিছে গোলকীয় উষ্ণতাই। এই ভয়াৱহ বনধ্বংসৰ পৰা ৰক্ষা পোৱা নাই সেউজভূমি নামেৰে এসময়ত জনাজাত অসমেও। সেউজীয়াৰ ব্যাপকতাৰ বাবেই অসমক আগতে দেশৰ আন স্থানৰ ১০ পৃষ্ঠাত চাওক








দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৬ পুহ ১৪২৮ ভাস্কৰাব্দ ১ জানুৱাৰী ২০২২



# নৱবৰ্ষৰ আগমন

পুনৰ এটা বৰ্ষই বিদায় মাগিলে আৰু নৱবৰ্ষৰ আগমন ঘটিল। বিগত বৰ্ষটো বিশ্ববাসীৰ বাবে মুঠেও সুখকৰ নাছিল। সমগ্ৰ বৰ্ষটো বিশ্ববাসীয়ে ক'ভিডসৃষ্ট প্ৰতিকূল পৰিস্থিতিৰ মাজতে অতিবাহিত কৰিব লগা হ'ল। বিদায়ী বৰ্ষৰ প্ৰথম ভাগতে বিশ্বক পুনৰ ক'ভিডৰ নতুন ঢৌৱে আক্ৰান্ত কৰিছিল আৰু কৰ'নাৰ সংক্ৰমণে এফালে যিদৰে জনস্বাস্থ্যক প্ৰভাৱিত কৰিলে, আনফালে তলাবন্ধই আৰ্থিক দিশত সকলোকে জুৰুলা কৰিলে। মূলতঃ কৰ'নাৰ ব্যাপক সংক্ৰমণৰ ফলতে সমগ্ৰ বৰ্ষটো বিশ্বই চৰম আতংক, অনিশ্চয়তা আৰু নাটনিৰ মাজৰে অতিবাহিত কৰিব লগা হ'ল। কৰ'নাই কেতিয়া বিশ্বৰ পৰা বিদায় ল'ব বুলি সকলোৱে দিন গণি থকাৰ সময়তে বছৰৰ অন্তিম ভাগত আমেৰিকা, ফ্ৰান্স, অষ্ট্ৰেলিয়া, ব্ৰিটেইন, জাৰ্মানী আদি দেশত ক'ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধিহে পালে। এইসমূহ দেশত সম্প্ৰতি কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ এক উদ্বেগৰ কাৰণত পৰিণত হৈছে। ভাৰততো বছৰটোৰ অন্তিম দিনা ক'ভিডৰ পুনৰ ব্যাপক সংক্ৰমণ বৃদ্ধিৰে আক্ৰান্তৰ সংখ্যা ১৬ হেজাৰৰ অধিক হ'ল। কৰ'নাই যে সহজে এই বিশ্বৰ পৰা বিদায় নলয়, তাৰেই এক ইংগিত বহন কৰিছে এই আপদীয়া ভাইৰাছৰ শেহতীয়া সংক্ৰমণ বৃদ্ধিয়ে। বিগত দুবছৰ ধৰি এইদৰেই কৰ'নাৰ প্ৰভাৱত বিশ্বই এক চৰম অস্থিৰ সময় অতিবাহিত কৰিব লগা হৈছে। সেয়েহে নৱবৰ্ষৰ আগমনত আজি বিশ্ববাসীয়ে একো নতুনত্ব বা আনন্দ অনুভৱ কৰিব পৰা নাই। এটা সমস্যাবহুল বৰ্ষই এই বিশ্বৰ পৰা বিদায় ল'লেও কৰ'নাৰ পুনৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ২০২২ বৰ্ষটো কিমান সুখময় তাক লৈ সকলোৰে মনত শংকা হোৱাটো স্বাভাৱিক।

গৱেষক-বিশেষজ্ঞসকলে কৈছে যে নতুন বছৰৰ আৰম্ভণিৰে পৰা বিশ্বৰ ক'ভিড পৰিস্থিতি পুনৰ অধিক জটিল হ'ব। গৱেষকৰ পূৰ্বানুমান অনুসৰি, জানুৱাৰীৰ অন্তিম ভাগত আমেৰিকাত কৰ'নাৰ সংক্ৰমণে নতুন অভিলেখ ৰচিব। আনহাতে, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গৱেষকৰ অধ্যয়নত দাবী কৰা হৈছে যে আগন্তুক এসপ্তাহতে ভাৰতত কৰ'নাৰ তৃতীয় ঢৌ আৰম্ভ হ'ব আৰু পুনৰ সৰ্বাধিক সংখ্যক লোক দেশখনত কৰ'নাৰ নতুন প্ৰজাতিত সংক্ৰমিত হ'ব। মাত্ৰ দুদিনতে দেশৰ কৰ'না আক্ৰান্তৰ সংখ্যা দুগুণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখিলে বুজিবলৈ অসুবিধা নহ'ব যে অচিৰে ভাৰতে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ তৃতীয়টো ঢৌৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। সাম্প্ৰতিক পৰিস্থিতিত এটা কথা স্পষ্ট হৈছে যে নতুন বছৰৰ আৰম্ভণি বিশ্বৰ লগতে ভাৰতৰ বাবেও সুখময় হোৱাৰ সম্ভাৱনা তেনেই সীমিত। বৰঞ্চ বিশ্বই আকৌ এবাৰ কৰ'নাৰ দপ্‌দপনিত থৰ-কাছুটি হেৰুওৱাৰ লগতে তলাবন্ধ-সান্ধ্য আইনৰ দৰে সৰ্বক্ষতিকাৰক পৰিৱেশৰ সন্মুখীন হোৱাৰহে শংকা প্ৰকট হৈছে। গৱেষকে দাবী কৰাৰ দৰেই যদি ক'ভিড পৰিস্থিতি পুনৰ ভয়াৱহ হৈ উঠে আৰু প্ৰতিৰোধৰ বাবে তলাবন্ধ-সান্ধ্যআইনৰ দৰে কঠোৰ পদক্ষেপ ল'ব লগা হ'লে ভাৰতৰ দৰে দেশৰ সাধাৰণ নাগৰিকৰ অৱস্থা কেনে দুৰ্দশাজনক হ'ব পাৰে, সেয়া সহজে অনুমেয়। এনে এক নেতিবাচক পৰিৱেশত ৰাইজে নৱবৰ্ষক আদৰিবলৈ উৎসাহবোধ নকৰাটোৱে স্বাভাৱিক; কিন্তু পৰিস্থিতি যিমানে জটিল নহওক কিয়, নৱবৰ্ষক ইতিবাচক দৃষ্টিৰে আদৰণি জনোৱাটোৱে এই বিশ্বৰ এক প্ৰচলিত পৰম্পৰা। সেয়েহে আমি সকলোৱে সমস্যা-জৰ্জৰিত বিদায়ী বৰ্ষক পাহৰি নতুন উদ্যম আৰু আশা তথা সুপৰিকল্পনাৰে নৱবৰ্ষক স্বাগতম জনাব লাগিব।

দেশ তথা বিশ্বৰ আৰ্থ-সামাজিক পৰিৱেশে প্ৰভাৱিত কৰিলেও দৰাচলতে বৰ্ষ এটা সুখময় হোৱাটো বহু পৰিমাণে এজন ব্যক্তিৰ প্ৰচেষ্টাতে নিৰ্ভৰ কৰে। মানুহৰ জীৱনলৈ সংঘাত তথা কঠিন সময়ৰ আগমন ঘটাটো তেনেই স্বাভাৱিক, কিন্তু পৰিৱেশ-পৰিস্থিতিক জয় কৰিব পৰাতে বৰ্ষ এটাৰ সফলতা নিহিত হৈ থাকে। বিগত দুবছৰ ধৰি ক'ভিড প্ৰত্যাহ্বানৰ মাজত থাকি সকলোৱে চৰম অশান্তি আৰু বিৰক্তি অনুভৱ কৰিছে। নতুন বৰ্ষতো ক'ভিডে আমাক স্বাস্থ্যৰ লগতে আৰ্থিক দিশতো পুনৰ আমনি কৰাৰ শংকা নুই কৰিব নোৱাৰি; কিন্তু নৱবৰ্ষক আনন্দকৰ কৰি তুলিবলৈ হ'লে আমি নিজে অধিক সতৰ্ক হ'ব লাগিব। কৰ'নাই যাতে আকৌ এবাৰ আমাৰ জনস্বাস্থ্য আৰু অৰ্থনীতিক আঘাত হানিব নোৱাৰে তাৰ বাবে নতুন বছৰটোত আমি প্ৰতিদিনে সজাগ হৈ ক'ভিড বিধিসমূহ পালন কৰিব লাগিব। ক'ভিড ভয়াৱহ যদিও ইয়াৰ সংক্ৰমণ প্ৰতিৰোধৰ উপায় যে আমাৰ হাতত আছে, সেয়া ইতিমধ্যে প্ৰমাণিত হৈছে। নতুন বছৰক আদৰাৰ লগতে আমি স্বাস্থ্যৰ দিশত সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰিলে নিশ্চিতভাৱে কৰ'নাই এই বিশ্ব ত্যাগ কৰিবলৈ বাধ্য হ'ব।

## খোলা মঞ্চ

## অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে ?



**অস্তিত্বই** এটা বস্তুৰ গুণ, অৱস্থা, লক্ষণ আদিক বুজায়। প্ৰবাদ প্ৰবচন, সাধুকথা আদি অলিখিত মৌখিক সাহিত্যৰ পৰা বৰ্তমানৰ সময়লৈকে অসমীয়া ভাষা চৰ্চাৰে বিশ্বমানৰ সাহিত্য আৰু সাহিত্যিক সৃষ্টিৰ যি ধাৰা সেই ধাৰাই অসমীয়া ভাষাক জগত সভাত নিজস্ব অস্তিত্বৰে চিৰ উজ্জীৱিত কৰি তুলিছে।

সময়ে সময়ে এচাম সুবিধাবাদী অসাধুৱে ইয়াৰ গৰিমা ম্লান কৰি সুপ্ত অৱস্থালৈ ঠেলি দি অস্তিত্বৰ প্ৰতি সংকট আনিলেও জননীৰ সু-সন্তানৰ নিস্বাৰ্থ প্ৰচেষ্টা আৰু ত্যাগ স্বীকাৰে পুনৰ উজ্জীৱিত কৰিছে। এমুঠি মান সচেতন নিস্বাৰ্থ অনুৰাগীৰ কষ্ট ত্যাগৰ বিনিময়ত ভাষাটো জগত সভালৈ আগবাঢ়ি গৈছে যদিও পূৰ্বৰ তুলনাত ব্যৱহাৰকাৰীৰ সংখ্যা হ্ৰাস পাইছে। অসমীয়া সম্বন্ধসূচক শব্দ, বাক্যবোৰৰ ব্যৱহাৰ লুপ্ত হ'বলৈ গৈ আছে। আনৰ ভাষাৰ শব্দৰ ব্যৱহাৰে ভাষাক সমৃদ্ধিশালী কৰিলেও নিজৰ ভাষাৰ অস্তিত্ব অভিধানৰ পাততহে সীমাবদ্ধ হ'বগৈ। সন্তানৰ শিক্ষাৰ মাধ্যম ইংৰাজী বা হিন্দী হোৱাৰ বাবে বহুত অসমীয়া সন্তানে অসমীয়া ভাষা লিখিব বা পঢ়িব নাজানে। অসমীয়াই যদি অসমীয়া ভাষা নিশিকে নাজানে ভৱিষ্যতলৈ ভাষাটোৰ প্ৰতি চিন্তা কৰাৰ থল নিশ্চয় আছে। বিদ্যালয়, মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষাৰ পাঠ্যপুথিক অধিক জটিল জ্ঞান কৰি ভয় কৰে আৰু ঐচ্ছিক বিষয় হিচাপে অন্য ভাষাক সৰল জ্ঞান কৰি বিষয় নিৰ্বাচন কৰে। মাতৃভাষাৰ দৰে আপোন ভাষাৰ পাঠ্যপুথিক জটিল জ্ঞান কৰা নিশ্চয় চিন্তনীয়। প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত জীৱন গঢ়াৰ বাবে অভিভাৱকেও আবেগতকৈ কৃতকাৰ্যতাক বেছি প্ৰাধান্য দিয়ে। ১৯৬০তে ৰাজ্যভাষা আইন অনুসৰি অসমীয়া ভাষাই ৰাজ্যিক ভাষাৰ স্বীকৃতি পালে; কিন্তু চৰকাৰীয়েই হওঁক বা বেচৰকাৰীয়েই হওঁক দপ্তৰসমূহত অসমীয়া ভাষাৰ বিপৰীতে ইংৰাজী ভাষাৰ ব্যৱহাৰ অসমীয়া কৰ্মচাৰীসকলেই কৰি আহিছে। নামফলক, হৰ্ডিং সকলোতে একে। অসমীয়া এসাঁজ খুওৱা হোটেল কিছুমানতো ইংৰাজী ভাষাৰ সুন্দৰ অৰ্থৰ আধুনিক নামফলক। আমি অসমীয়াই যদি আমাৰ ভাষাক ব্যৱহাৰ নকৰো, কোনে কৰিব? মাতৃভাষাৰ শ্ৰীবৃদ্ধিৰ বাবে অকল যুঁজ-বাগৰ বা আন্দোলন নহয় অসমত বাস কৰা প্ৰতিজন অসমীয়াই ভাষাটোক অন্তঃকৰণেৰে ভাল পাবলৈ শিকক, সংকট নিজেই আঁতৰি যাব। ভাষা থাকিলেহে আমি থাকিম। জয়তু ভাষা জননী।

**পংকজা দাস,** *লেখিকা*

*ফোন ঃ ৮৮৭৬৭৬২৩৮৫*

# ভাৰতত আইনৰ ছাত্ৰসকলক পৌৰাণিক ন্যায়দৰ্শনৰ বিষয়ে অধ্যয়ন কৰিবলৈ দিয়া উচিত

# নতুন বছৰৰ প্ৰত্যাহ্বান

# ন্যায় ব্যৱস্থাৰ সংস্কাৰ সাধন



**এক**

সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এছ আব্দুল নজীৰে হায়দৰাবাদৰ এখন সভাত ক'লে—ভাৰতে ঔপনিৱেশিক ন্যায় ব্যৱস্থাটো দলিয়াই পেলোৱাৰ সময় আহি পৰিছে। দেওবাৰে (২৬ ডিচেম্বৰ, ২০২১) অখিল ভাৰতীয় অধিবক্তা পৰিষদৰ 'ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ ঔপনিৱেশিক দৰ্শনৰ পৰা মুক্তি' শীৰ্ষক বক্তৃতানুষ্ঠানত ন্যায়াধীশ গৰাকীয়ে আঙুলিয়াই দিয়ে যে ঔপনিৱেশিক মানসিকতা ত্যাগ কৰিব নোৱাৰা বাবেই আজিও ভাৰতবৰ্ষত ন্যায়াধীশসকলক কাকুতি-মিনতি কৰিবলৈ 'My Lordship' বা 'My Ladyship' বুলি সম্বোধন কৰি থকা হৈছে। অথচ প্ৰাচীন ভাৰতৰ ন্যায়দৰ্শনত ন্যায় লাভৰ কাৰণটো আছিল দাবীৰ ৰূপত অন্তৰ্নিহিত তত্ত্ব।

ন্যায়াধীশ নজীৰে উদাহৰণ স্বৰূপে আঙুলিয়াই দিয়ে যে ভাৰতীয় ন্যায় দৰ্শনত বিবাহ সম্পন্ন কৰাটো এটা কৰ্তব্য স্বৰূপ আছিল; অনেক প্ৰকাৰৰ সামাজিক দায়বদ্ধতাৰ অন্যতম আছিল বিবাহ; কিন্তু পশ্চিমীয়া ন্যায়দৰ্শনৰ আধাৰত বৈবাহিক সম্বন্ধক অধিকাৰৰ দৃষ্টিৰে বিচাৰ কৰা হ'ব। ফলত এগৰাকী সংগীয়ে আনজনৰ পৰা যিমান বেছি আদায় কৰি ল'ব পাৰে, সিমানেই আদায় কৰে। বিবাহৰ মাজত কৰ্তব্যৰ দিশটো আওকাণ কৰা বাবেই সমাজত বিবাহ-বিচ্ছেদৰ ঘটনা বৃদ্ধি পাইছে।

ভাৰতত আইনৰ ছাত্ৰসকলক পৌৰাণিক ন্যায়দৰ্শনৰ বিষয়ে অধ্যয়ন কৰিবলৈ দিয়া উচিত; এই পৰামৰ্শ আগবঢ়াই ন্যায়াধীশ নজীৰে স্পষ্ট কৰি দিছে, পৌৰাণিক হ'লেও প্ৰাচীন ভাৰতীয় ন্যায়দৰ্শন প্ৰকৃতাৰ্থত অতি আগবঢ়া আছিল। আৰু আজিও আধুনিক সমাজত তাক প্ৰয়োগ কৰাৰ আৱশ্যকতা আছে। তেওঁ সোঁৱৰাই দিয়ে যে ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰিছে ভৱিষ্যতৰ অধিবক্তা তথা ন্যায়াধীশসকলৰ কাৰ্যদক্ষতা, দেশপ্ৰেম আৰু প্ৰবুদ্ধতাৰ ওপৰত। আৰু সেইবাবে তেওঁলোকক 'আইনৰ শাসন'ৰ ব্যৱহাৰিক মাত্ৰা উপলব্ধি কৰিব পৰাকৈ ভাৰতীয় ন্যায়-দৰ্শনৰ পৰ্যাপ্ত জ্ঞান আহৰণ কৰিবলৈ দিয়া উচিত। আইনৰ ছাত্ৰসকলে মনু, কৌটিল্য, বৃহস্পতি আদিৰ দৰে ন্যায় শাস্ত্ৰৰ বিদগ্ধ পণ্ডিতসকলৰ ন্যায়িক দৰ্শনৰ বিষয়ে খৰচি মাৰি পঢ়িব লাগিব, তেহে ভাৰতীয় ন্যায়পালিকাত প্ৰাচীন ভাৰতীয় ন্যায় ব্যৱস্থাৰ ধাৰণাৰ সঞ্চাৰ ঘটোৱা সম্ভৱ হ'ব।

ন্যায়াধীশ নজীৰে স্বীকাৰ কৰিছে যে এই ধৰণৰ সংস্কাৰ সাধন সহজসাধ্য নহয়। এনে পৰিৱৰ্তনৰ বাবে দীৰ্ঘকালীন সময়ৰ আৱশ্যক হ'ব পাৰে। তদুপৰি মনু, কৌটিল্য, বৃহস্পতিকে ধৰি ন্যায়বিশাৰদ ঋষি-মুনিসকলৰ ৰচনাৱলী আজিৰ ছাত্ৰ-ছাত্ৰীয়ে বুজিব পৰাকৈ প্ৰস্তুত কৰি উলিয়াব লাগিব; কিন্তু সেই লক্ষ্যত উপনীত হোৱাটো যিমানেই কষ্টকৰ নহওক কিয়, ভাৰতীয় ন্যায় ব্যৱস্থাৰ পুনৰ সঞ্জীৱিতকৰণৰ স্বাৰ্থত প্ৰকল্পটো যে জাতীয় জীৱনলৈ মূল্যৱান অৱদান হ'বগৈ সেই বিষয়ে মই নিশ্চিত। কাৰণ আমাৰ উদ্দেশ্য হ'ব ন্যায় ব্যৱস্থাৰ ভাৰতীয়কৰণ। ন্যায়াধীশ নজীৰৰ এই উক্তিয়ে যথাৰ্থতে ন্যায়পালিকাৰ সংস্কাৰ সাধনৰ এটা নতুন দিশ উন্মোচিত কৰিলে।

প্ৰচলিত ন্যায় ব্যৱস্থাত জনসাধাৰণক এনে ধাৰণা দিবলৈ বিচৰা হয় যেন বিশ্বৰ ভিতৰতে প্ৰাচীন সভ্যতা-সংস্কৃতিৰ এই মহান দেশখনত ন্যায়িক তত্ত্ব বুলিবলৈ একোৱেই নাছিল। এচাম বুদ্ধিজীৱীয়ে সততে প্ৰাচীন ভাৰতীয় বৌদ্ধিক উপলব্ধিক উপেক্ষা কৰি আহিছে; বহুতৰে বাবে সেইবোৰ নেতিবাচক আৱৰ্জনা, আকৌ কোনো কোনোৰ বাবে উপলুঙাৰ সামগ্ৰী। পিছে এগৰাকী সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে নিজে মুছলমান হৈও ভাৰতৰ হিন্দু ন্যায়-দৰ্শন প্ৰয়োগ কৰিবলৈ দাবী জনাইছে আৰু মনু কৌটিল্য, কাত্যায়ন, বৃহস্পতি, নাৰদ, পৰাশৰ, যাজ্ঞবল্কৰ দৰে ঋষিসকলে সৃষ্টি কৰি থৈ যোৱা ন্যায়িক পৰম্পৰাৰ প্ৰাসংগিকতা স্বীকাৰ কৰিছে, সেইটো নিশ্চয়কৈ প্ৰণিধানযোগ্য। তাতোকৈ ডাঙৰ কথাটো হ'ল, ন্যায়াধীশ নজীৰে প্ৰচলিত ন্যায় ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিবলৈ ন্যায়-দৰ্শন অধ্যয়নৰ এটা প্ৰণালীবদ্ধ বাট দেখুৱাইছে। ক'বলৈ গ'লে ২০২২ত ন্যায়দৰ্শনৰ ভাৰতীয়কৰণৰ লক্ষ্য সংস্কাৰ সাধনৰ এটা ভাল প্ৰত্যাহ্বান হ'ব পাৰে।

**(দুই)**

ন্যায়পালিকাত মহিলা বিচাৰকৰ সংখ্যা দিনকদিনে বৃদ্ধি পাইছে, সেইটো নিশ্চয়কৈ ইতিবাচক ইংগিত। যোৱা বছৰৰ ৩১ আগষ্টৰ দিনা নগৰাকী সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে সামূহিকভাৱে শপত গ্ৰহণ কৰিছিল, তাৰে তিনিগৰাকীয়েই আছিল মহিলা। তেওঁলোকৰ মাজৰে ন্যায়াধীশ নাগৰত্নই ২০২৭ত দেশৰ প্ৰথম মহিলা বিচাৰপতিৰূপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা উজ্জ্বল হৈ পৰিছে। ভাৰতীয় ন্যায়পালিকাত সেইটো এটা অভিলেখ হ'বগৈ।

পিছে এইবেলি বছৰটোৰ আৰম্ভণিতে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে এগৰাকী সমলৈংগিক অধিবক্তাই শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। সেইটোও কম গুৰুত্বপূৰ্ণ নহয়। অৱশ্যে কলেজিয়ামে সৌৰভ কিৰপালক ২০১৭ তে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদৰ বাবে মনোনয়ন দিছিল; চৰকাৰেহে ইটো-সিটো অজুহাতত তেওঁৰ নিযুক্তিত অনুমোদন দিয়া নাছিল। চৰকাৰে গ্ৰহণ কৰা স্থিতি হ'ল, সৰ্বোচ্চ ন্যায়ালয়ে সম-লিংগীয় সম্বন্ধক অপৰাধমুক্ত কৰিলেও চৰকাৰে তেনে সম্বন্ধক আইন সিদ্ধৰূপে গ্ৰহণ কৰা নাই।

এই সন্দৰ্ভত ন্যায়বিদসকলৰ মাজত প্ৰশ্ন উঠিছিল, এগৰাকী ন্যায়াধীশৰ ব্যক্তিগত পছন্দ বা অপছন্দ সন্দৰ্ভত চৰকাৰৰ ক'বলগীয়া কি আছে? সৌৰভ কিৰপাল অৰ্হতাৰ দৃষ্টিৰে ন্যায়াধীশ পদৰ বাবে উপযুক্ত হয় নে নহয়, মাথোন সেইটোহে বিচাৰ্য বিষয়। অৱশ্যে চৰকাৰে



**অৱলোকন**

**ড° জয়কান্ত শৰ্মা**

আপত্তিৰ কাৰণ এটা উলিয়াইছিল। সেইটো হ'ল, কিৰপালৰ সংগীজন ছুইজাৰলেণ্ডৰ; চোৱাংচোৱাৰ প্ৰতিবেদন অনুসৰি তেওঁ হেনো ৰাষ্ট্ৰীয় সুৰক্ষাৰ দৃষ্টিৰে ভাৰতৰ অনাহুত আলহী; কিন্তু শেহতীয়াভাৱে চৰকাৰে সেই আপত্তি নিজেই প্ৰত্যাহাৰ কৰিছে আৰু সৰ্বোচ্চ ন্যায়ালয়েও সম-লৈংগিক সম্বন্ধৰ সন্দৰ্ভত ইতিবাচক ভূমিকা গ্ৰহণ কৰিছে, যিটো প্ৰকাৰান্তৰে বিবাহৰ মৰ্যাদা প্ৰদান।

এনে পটভূমিত নতুন বছৰটোতে সমলিংগীয় সম্বন্ধ ৰক্ষা কৰা ব্যক্তি এগৰাকীয়ে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদ লাভ কৰাটো নিশ্চিত হৈছে। হওঁতে সৌৰভ কিৰপালক ব্যক্তিগত জীৱনৰ সম্বন্ধটোৰে ৰাজহুৱা জীৱনত চিহ্নিত কৰাটো মুঠেও গ্ৰহণযোগ্য নহয়; তৎসত্বেও ভাৰতীয় ন্যায়পালিকাত সদ্যহতে তেৱেঁই ব্যতিক্ৰমধৰ্মী শ্ৰেণীটোৰ একমাত্ৰ প্ৰতিনিধি হ'বগৈ।

**(তিনি)**

প্ৰধান বিচাৰপতি এন ভি ৰামান্নাই ভাৰতীয় ন্যায়পালিকাৰ বাবে ভাৰতীয় আৰ্হিৰ আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ দাবী জনাই আহিছে। তেওঁৰ মতে, বৰ্তমানৰ ন্যায় প্ৰদানৰ সকলো পৰম্পৰাৰ মাজত ব্ৰিটিছ ঔপনিৱেশৰ স্পষ্ট চাপ প্ৰকট হৈ আছে; একবিংশ শতিকাৰ ভাৰতীয়ৰ বাবে এই লজ্জাজনক ছবিখন সলনি হ'ব লাগে।

অলপতে ন্যায়াধীশ ৰামান্নাই ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াত আন এটা সংস্কাৰ সাধনৰো দাবী তুলিছে। সেইটো হ'ল, ৰাজহুৱা অভিযুক্তসকলক চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰাৰ আৱশ্যকতা। ন্যায়াধীশ ৰামান্নাৰ প্ৰস্তাৱটোৱে ভাৰতীয় ন্যায়পালিকাত এটা নতুন ধাৰণাৰ সৃষ্টি কৰিলে, যিটো ধাৰণা প্ৰধান বিচাৰপতিগৰাকীৰ দৃষ্টিত আইনৰ শাসন সুনিশ্চিত কৰিবলৈ অপৰিহাৰ্য।

ন্যায়াধীশ ৰামান্নাই কৈছে যে বিভিন্ন গোচৰত চৰকাৰক প্ৰতিনিধিত্ব কৰা ৰাজহুৱা অভিযুক্তসকলে সততে একপক্ষীয় বৃত্তান্ত দাঙি ধৰে, যিবোৰ সম্পূৰ্ণ সঠিক তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহ'বও পাৰে। চৰকাৰক শ'লঠেকত পেলাব পৰা ধৰণৰ সাক্ষ্য-প্ৰমাণ তেওঁলোকে ন্যায়ালয়ৰ মজিয়াত উত্থাপনেই নকৰে; কাৰ্যতঃ কাৰ্যপালিকাৰ শ্ৰুতিলিপি গ্ৰহণ কৰাতহে তেওঁলোক অভ্যস্ত। এনে পটভূমিত ৰাজহুৱা অভিযুক্তসকলক আদালতত স্বতন্ত্ৰ বৃত্তান্ত দাখিল কৰিবলৈ অধিকাৰ দিয়া উচিত; তেওঁলোক মাথোন আদালতৰহে জবাবদিহি হ'ব লাগে। অন্যথা ভৱিষ্যতলৈ আইনৰ শাসন বৰ্তাই ৰখাটো সম্ভৱ নহ'বও পাৰে।

এই প্ৰসংগতে ন্যায়াধীশ ৰামান্নাই আঙুলিয়াই দিছে যে ভাৰতীয় ন্যায়পালিকাক আভ্যন্তৰীণভাৱে দুৰ্বল কৰি তুলিবলৈ ন্যায়াধীশসকলৰ বিৰুদ্ধে সামাজিক মাধ্যমত নানান ভিত্তিহীন অপপ্ৰচাৰ চলে; আনকি মূলসুঁতিৰ সংবাদ মাধ্যমতো ন্যায়পালিকাৰ গতিবিধি সম্পৰ্কে

> **মনু, কৌটিল্য, বৃহস্পতিকে ধৰি ন্যায়বিশাৰদ ঋষি-মুনিসকলৰ ৰচনাৱলী আজিৰ ছাত্ৰ-ছাত্ৰীয়ে বুজিব পৰাকৈ প্ৰস্তুত কৰি উলিয়াব লাগিব; কিন্তু সেই লক্ষ্যত উপনীত হোৱাটো যিমানেই কষ্টকৰ নহওক কিয়, ভাৰতীয় ন্যায় ব্যৱস্থাৰ পুনৰ সঞ্জীৱিতকৰণৰ স্বাৰ্থত প্ৰকল্পটো যে জাতীয় জীৱনলৈ মূল্যৱান অৱদান হ'বগৈ সেই বিষয়ে নিশ্চিত**

জনমানসত বিকৃত প্ৰতিচ্ছবি দাঙি ধৰা হয়। এনে কাৰণতে দিনে দিনে আদালতৰ পৰিসৰতে ন্যায়াধীশৰ ওপৰত শাৰীৰিক আক্ৰমণৰ ঘটনা বৃদ্ধি পাব লাগিছে। এই বিসংগতি দূৰ কৰিবলৈ হ'লে সংবাদ পৰিৱেশনৰ দুয়োটা মাধ্যমেই দায়বদ্ধতা স্বীকাৰ কৰিব লাগিব।

২৬ ডিচেম্বৰত বিজয়ৱাদাৰ সিদ্ধাৰ্থ আইন কলেজত 'ভাৰতীয় ন্যায়পালিকালৈ ভৱিষ্যতৰ প্ৰত্যাহ্বান শীৰ্ষক বক্তৃতানুষ্ঠানত প্ৰধান বিচাৰপতিগৰাকীয়ে অভিযোগ কৰিছে যে দিনে দিনে ন্যায়পালিকাৰ নিৰ্দেশসমূহ পালন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ হোঁহকা-পিছলা নীতি প্ৰকট হৈ উঠিছে। পিছে ভাৰতীয় সংবিধান অনুসৰি ন্যায়পালিকাৰ প্ৰতিটো নিৰ্দেশ পালন কৰাটো কাৰ্যপালিকা আৰু বিধানপালিকাৰ এৰাব নোৱাৰা দায়বদ্ধতা। প্ৰকৃততে কাৰ্যপালিকা, বিধানপালিকা আৰু ন্যায়পালিকাৰ মাজত সমন্বয় ৰক্ষা কৰাৰ মাজতে আছে গণতন্ত্ৰৰ সাৰ্থকতা। যদিহে কাৰ্যপালিকাই আৰু বিধানপালিকাই লোৱা সিদ্ধান্তসমূহৰ সাংবিধানিক গ্ৰহণযোগ্যতা সন্দৰ্ভত পৰ্যালোচনা কৰাৰ অধিকাৰেই ন্যায়পালিকাৰ নাথাকে, তেনেহ'লেতো গণতন্ত্ৰই বিপন্ন হৈ পৰিব। সেয়েহে ন্যায়পালিকাৰ ন্যায়প্ৰদান প্ৰক্ৰিয়াত সংস্কাৰ সাধন জৰুৰী হৈ পৰিছে।

**(চাৰি)**

নিঃসন্দেহে ন্যায়াধীশ নিযুক্তিৰ ক্ষেত্ৰতো পদ্ধতিগত সংস্কাৰ সাধন অপৰিহাৰ্য হৈ পৰিছে। এইবেলি সংবিধান দিৱসৰ উপলক্ষ্যত ৰাষ্ট্ৰপতিয়ে পৰামৰ্শ দিছিল, সৰ্বভাৰতীয় মেধাভিত্তিক বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে ন্যায়াধীশ নিযুক্তিৰ বিষয়টো বিবেচনা কৰাটো হৈছেগৈ সময়ৰ আহ্বান। তাৰে আঁত ধৰি বিভিন্ন ৰাজনৈতিক দলেও 'কলেজিয়াম' পদ্ধতিৰ অন্ত পেলাই পূৰ্বৰ 'ৰাষ্ট্ৰীয় ন্যায়াধীশৰ নিযুক্তি আয়োগ'ৰ আৰ্হিত আইন ৰচনা কৰাৰ পোষকতা কৰিছে। 'কলেজিয়াম'ৰ বিসংগতি দূৰ কৰিবলৈ ২০১৫ত উভয় সদনে সৰ্বদলীয় সন্মতিৰে গ্ৰহণ কৰিছিল 'NJAC'; কিন্তু সৰ্বোচ্চ ন্যায়ালয়ৰ এখন খণ্ডপীঠে ৪-১ গৰিষ্ঠতাৰ ভিত্তিত উক্ত আইনখন বাতিল কৰি কলেজিয়াম পদ্ধতিটোক সুপ্ৰতিষ্ঠিত কৰিহে লৈছিল। পিছে সময়ে সময়ে 'কলেজিয়াম'ৰ মনোনয়ত দুৰ্নীতি-অনিয়মৰ অভিযোগ উঠি আহিছে। সেয়েহে ন্যায়াধীশ নিযুক্তিৰ এটা নতুন পদ্ধতি গ্ৰহণ কৰাটো বিধান-পালিকা তথা কাৰ্যপালিকাৰ বাবে হৈ পৰিছে কঠিন প্ৰত্যাহ্বান।

অনেক ন্যায় বিশাৰদে পৰামৰ্শ দিছে, পূৰ্বৰ 'NJAC' ত থকা দুটা আঁসোৱাহ দূৰ কৰিলেই ন্যায়াধীশ নিযুক্তিৰ ৰাষ্ট্ৰীয় পদ্ধতি গ্ৰহণ কৰিব পৰা হ'ব।

**(পাঁচ)**

সৰ্বোচ্চ ন্যায়ালয়ৰ মেজত পৰি থকা ন্যায় বিচাৰি কৰা আবেদনৰ সংখ্যা ৬৯,৮৫৫ টা, তাৰে ৪২২ টাই সাংবিধানিক গোচৰ। এনে বৃহৎ সংখ্যক গোচৰৰ মীমাংসা কেতিয়াকৈ সম্ভৱ হ'ব? এই আহুকলীয়া প্ৰশ্নটোৰ সমাধান বিচাৰি চৰকাৰে প্ৰস্তাৱ দিছে, দেশত চাৰিখন আঞ্চলিক স্তৰৰ 'ৰাষ্ট্ৰীয় আপীল আদালত' গঠন কৰা হওক, যিবোৰত গোচৰৰ পুনৰ্বিচাৰৰ আবেদনৰ ক্ষেত্ৰত শেষ সিদ্ধান্ত দিব পৰা যাব। আনহাতে, সৰ্বোচ্চ ন্যায়ালয়ত তিনিখন পাঁচজনীয়া খণ্ডপীঠ গঠন কৰিব পৰাকৈ ন্যায়াধীশৰ সংখ্যা পোন্ধৰজনত সীমিত ৰাখিবলৈ বিচৰা হৈছে।

প্ৰস্তাৱটো গ্ৰহণযোগ্য হ'লে সৰ্বোচ্চ ন্যায়ালয়ৰ বহুমূলীয়া সময় মাথোন সাংবিধানিক গোচৰৰ মীমাংসাতহে ব্যয় হ'ব; প্ৰকাৰান্তৰে এইটোৱে জনগণৰ ন্যায় লাভৰ অধিকাৰক নতুন শক্তি প্ৰদান কৰিব। পিছে প্ৰস্তাৱটোলৈ সৰ্বোচ্চ ন্যায়ালয়ে সঁহাৰি দিবনে? ন্যায়িক সংস্কাৰ সাধনৰ পথত সেইটোৱেই হ'ল প্ৰাসংগিক প্ৰশ্ন।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# ২০২১ মহিলাৰ বাবে কেনে আছিল ?


**চকুৰ** সমুখতে পাৰ হৈ যায় সময়বোৰ। কামৰ জোখেৰে বছৰৰ ৩৬৫টা দিন আমাৰ খুব কম সময় যেন লাগে। প্ৰতিটো বৰ্ষক আমি সকলোৱে খুব আনন্দৰ মাজেদি আঁকোৱালি লওঁ আৰু বছৰটোৰ নতুন অৰ্থাৎ প্ৰথম দিনটোতে আমি সকলোৱে সভক্তিৰে নিজৰ ঘৰৰ থাপনাখনতেই হওক অথবা ওচৰৰ ধৰ্মীয় উপাসনাৰ স্থলীলৈ গৈ প্ৰাৰ্থনা জনাওঁ যাতে নতুন বছৰটোৱে মানুহৰ বাবে সুখ-সমৃদ্ধি কঢ়িয়াই আনে আৰু আমি বিচৰা ধৰণে বছৰটো সফল হয়। বছৰৰ দিনসমূহ নিজৰ কৰ্মব্যস্ততাৰ বাবেই হওক নতুবা অন্য কোনো কাৰণতেই হওক খুব খৰগতিৰে সময়বোৰে বাগৰ সলায়। বছৰটো শেষ হ'বলৈ ওলোৱা সময়ত আমি যেতিয়া হিচাপ-নিকাচ কৰো, তেতিয়াহে বছৰটোৰ সফলতা, বিফলতাৰ খতিয়ানৰ প্ৰকৃত চিত্ৰখন আমাৰ সমুখত ধৰা দিয়ে।

একেদৰেই ২০২১ বৰ্ষটোৱে আমাৰ চকুৰ সমুখতে মেলানি মাগিলে। গতিকে স্বাভাৱিকতে ২০২১ বৰ্ষটোৱে আমাক কি দিলে, আমাৰ পৰা কি নিলে সেই সকলো কথাই মনলৈ আহে আৰু সেই কথাখিনিকে চালি-জাৰি চাবলৈ বিচৰা হয় আৰু আগন্তুক দিনসমূহত যাতে সেই সমূহৰ শুধৰণি কৰি এক ইতিবাচক কাম-কাজেৰে ভৰা সময়লৈ আগবাঢ়ি যাব পৰা যায়। সামগ্ৰিকভাৱে বিচাৰ কৰি চালেই গম পোৱা যায় ২০২১ বৰ্ষৰ আৰম্ভণিৰ পৰা শেষলৈকে ক'ভিড অতিমাৰীৰ দ্বিতীয়টো ঢৌৱে ৰাজ্যখনক বেয়াকৈ জুৰুলা কৰিলে। বহুলোকৰ মৃত্যু হ'ল ক'ভিডৰ এই দ্বিতীয়টো ঢৌত। একোখন সংসাৰ উছন হৈ যোৱাৰ দৰে হ'ল। বহু ল'ৰা-ছোৱালী অনাথ হ'ল। পিতৃ-মাতৃৰ মৰম স্নেহৰ পৰা চিৰদিনলৈ বঞ্চিত হ'ল।

এতিয়া যদি আমি আপেক্ষিকভাৱে বিশ্লেষণ কৰি চাওঁ যে ২০২১ বৰ্ষটো ৰাজ্যৰ মহিলা, যুৱতীসকলৰ বাবে কেনেকুৱা আছিল সেই ক্ষেত্ৰতো আমি যিখন সঁচা ছবি দেখিবলৈ পাও সেই কথা ৰাজ্যখনৰ বাবে ইমান সন্তোষজনক নাছিল। অৱশ্যে ৰাজ্যখনত বছৰটোৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত অজন্তা নেওগক বিত্ত বিভাগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ দি মন্ত্ৰীসভাত স্থান দিয়াটো মহিলা সৱলীকৰণৰ দৰে এক উল্লেখযোগ্য ইতিবাচক দিশ বহন কৰিছে



আৰু আমাৰ সমাজখনত মহিলাই এনে গুৰুত্বপূৰ্ণ পৰম্পৰা কেনেকৈ বহন কৰিব পাৰে বুলি যি এক প্ৰচলিত পৰম্পৰা আছে, সেই পৰম্পৰাক বহু পৰিমাণে ভংগ কৰিবলৈ সক্ষম হৈছে। এইগৰাকী দক্ষতাসম্পন্ন মন্ত্ৰীয়ে সমাজ কল্যাণ বিভাগৰো মন্ত্ৰিত্ব বহন কৰি বছৰটোৰ ভিতৰত মহিলা আৰু শিশুসকলৰ উন্নয়ন আৰু উত্তৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাটো সমাজখনৰ বাবে নিঃসন্দেহে এক ইতিবাচক খবৰ আৰু শুভলক্ষণ। সমাজ কল্যাণ বিভাগৰ জৰিয়তে ২৫ নৱেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈকে মহিলাৰ বিৰুদ্ধে হিংসা বিৰোধী অভিযানটো সমূহ জিলাতে প্ৰণালীবদ্ধভাৱে পালন কৰা হৈছে। মহিলাসকল যাতে ৰাজ্যখনৰ সকলো প্ৰান্ততে সুৰক্ষিত হৈ থাকিব পাৰে তাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা চহৰ পৰ্যায়লৈ সকলো মহিলাক সুৰক্ষা প্ৰদান কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ বাবে মহিলাৰ সুৰক্ষাৰ বাবে নতুনকৈ সৰল আইন প্ৰণয়ন আৰু ইতিমধ্যে বলৱৎ হৈ থকা আইনসমূহৰ বিষয়ে সকলো স্তৰৰ ৰাইজক অধিক সজাগতা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে সমাজৰ নিৰ্যাতিত মহিলাসকলৰ বাবে যিসমূহ আশ্ৰয় গৃহ আছে ৱান ষ্টে হ'ম নিৰ্মল আশ্ৰয় গৃহকে ধৰি এই অনুষ্ঠানসমূহ অধিক গতিশীল কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ লগতে আমাৰ সমাজত যাতে এক হিংসামুক্ত আৰু লিংগ বৈষম্যতাহীন সামাজিক পৰিৱেশ গঢ়ি তুলিবলৈ চৰকাৰী বিভাগসমূহ আৰু বেচৰকাৰী সংস্থাসমূহে এক পৰিৱেশ গঢ়ি তুলিব পৰাকৈ যাতে এক পৰিৱেশ সৃষ্টি কৰিব পৰা যায় তাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ লগে লগে, আমাৰ ৰাজ্যখনত ডাইনীৰ দৰে এক ভয়াৱহ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে অবিৰতভাৱে সংগ্ৰাম চলাই যোৱা বীৰুবালা ৰাভাক পদ্মশ্ৰীৰ দৰে এক সন্মানীয় স্বীকৃতি প্ৰদান কৰাটো নিঃসন্দেহে আমাৰ সমগ্ৰ ৰাজ্যবাসীৰ বাবে এক গৌৰৱৰ বিষয়। বীৰুবালা ৰাভাই ওৰেটো জীৱন ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ডাইনী নামৰ ভয়াৱহ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি গৈ আজি পদ্মশ্ৰীৰ দৰে সন্মান বুটলিবলৈ সক্ষম হৈছে। এয়া আমাৰ মহিলাৰ বাবে নিঃসন্দেহে এক গৌৰৱৰ কথা। তেওঁ একবিংশ শতিকাত আমাৰ সমাজখনৰ বাবে লগতে মহিলা



**উভতি চাওঁ**

**মানসী মিশ্ৰ**

সমাজৰ বাবে আদৰ্শ আৰু প্ৰেৰণাৰ প্ৰতীক হওক।

ক্ৰীড়াৰ জগতখনতো যোৱা বৰ্ষটোত আমাৰ ৰাজ্যৰ মহিলা সমাজৰ বাবে সন্মান বুটলি আনিবলৈ সক্ষম হৈছে। এয়া আমাৰ ৰাজ্যৰ বাবে অত্যন্ত গৌৰৱৰ কথা। লাভলীনা বৰগোহাঞিয়ে অলিম্পিকত পদক বুটলি আনি আমাৰ অসমৰ দৰে সৰু ৰাজ্য এখনক বিশ্বৰ মানচিত্ৰত পৰিচয় কৰাই দিলে। আমি প্ৰত্যেকেই অতিশয় আনন্দিত উঠি অহা খেলুৱৈগৰাকীৰ এই সফলতাত।

বছৰটোৰ শেষৰ ফালে ছোৱালীসকলৰ উত্তৰণ আৰু উন্নয়নৰ নিমিত্তে পাঁচখন জিলাত ইতিমধ্যে প্ৰৱৰ্তিত হৈ থকা বেটী পঢ়াও, বেটী বচাও, এই আঁচনিখন ৰাজ্যখনৰ আন সকলো জিলালৈ প্ৰৱৰ্তন কৰাটো নিঃসন্দেহে আমাৰ সকলোৰে বাবে ইতিবাচক খবৰ। এইদৰে কম হ'লেও বছৰটোৰ ভিতৰত মহিলাসকলৰ বাবে কেইটামান উল্লেখযোগ্য ইতিবাচক দিশো আছিল। যিসমূহে ৰাজ্যৰ মহিলাসকলক সততা আৰু সাহসেৰে কাম কৰি আগবাঢ়ি যাবলৈ বাট দেখুৱাব।

এই আশাব্যঞ্জক খবৰবোৰৰ লগতে বহুতো নেতিবাচক ঘটনা প্ৰৱাহে ৰাজ্যখনৰ মহিলা যুৱতীসকলক বাৰুকৈয়ে ছুই গৈছে। বছৰটোৰ মাজভাগত ধেমাজি জিলাৰ মৰিচল অঞ্চলত নন্দিতা শইকীয়া নামৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰীৰ ঘাতকৰ দাৰ ঘাপত অকাল মৃত্যু হৈছিল। তেওঁৰ লগৰ সহপাঠী বান্ধৱীকো সেই একেজন ঘাতকেই আক্ৰমণ কৰি আঘাতপ্ৰাপ্ত কৰিছিল। এই ঘটনাই সমগ্ৰ ৰাজ্যখনতে তোলপাৰ লগাইছিল। এজন ঘাতকৰ আক্ৰমণত এটা সম্ভাৱনাৰ অকাল মৃত্যু হৈছিল। ইয়াৰ ঠিক পাছতেই গড়চুক অঞ্চলত ঘটিছিল মহিলা হত্যাৰ ঘটনা। মহানগৰীত দিন দুপৰতে ঘটি যোৱা এনে মহিলাৰ হত্যাৰ ঘটনাই আমাৰ ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ ওপৰত স্বাভাৱিকতে প্ৰশ্নৰ অৱতাৰণা কৰে। ইয়াৰ উপৰি ৰাজ্যৰ কে'বাখনো ঠাইত অপহৰণ, ধৰ্ষণৰ দৰে মাৰাত্মক ঘটনা ঘটিছে।

ইয়াৰ উপৰি বছৰটোৰ প্ৰায় শেষৰ ফালে মহানগৰীৰ বেলতলাত এগৰাকী অৱসৰপ্ৰাপ্ত অভিযন্তা আৰু তেওঁৰ পত্নীক দিন দুপৰতে হত্যা কৰি ঘৰৰ ভিতৰতে পেলাই যোৱা ঘটনাটোৱে আজিৰ দিনতো ৰাজ্যৰ আইন-শৃংখলাৰ সোপাটিলা স্বৰূপটোকে নুসূচায়নে? সেয়েহে আমি পাৰ হৈ যোৱা বছৰটোত লাভ কৰা অভিজ্ঞতাৰে মহিলাৰ ওপৰত হোৱা হিংসা ৰোধ কৰিবলৈ হাতে-কামে লগা উচিত।

*ফোন ঃ ৮৬৩৮০৬০৫৭৩*



# নৱবৰ্ষৰ আশা প্ৰত্যাশা

**ক'ভিড** মহামাৰী, মিজোৰাম সীমান্তত অসম আৰক্ষীৰ মৃত্যুৰ পৰা বিপিন ৰাউতৰ দুৰ্ঘটনাকে ধৰি বিভিন্ন ঘটনা, পৰিঘটনা সাক্ষী কৰি পাৰ হৈ গ'ল ২০২১ বৰ্ষতো। অৱশ্যে, এই বৰ্ষতে বহুতো অসমীয়া ডেকা ল'ৰাই উগ্ৰবাদৰ পৰা মূলসুঁতিলৈ ঘূৰি আহি সময়ৰ বুকুত সেই শুভক্ষণো লিখি থৈ গ'ল বৰ্ষটোতে। নতুন চৰকাৰখনে এজন দায়িত্বশীল মুখ্যমন্ত্ৰীৰ কান্ধত দায়িত্বভাৰ দিলে যদিও নতুন চৰকাৰৰ বিগত সাতমাহ কাৰ্যকালত অৱশ্যে প্ৰতিবন্ধীসকলৰ বাবে বিশেষ কোনো উল্লেখনীয় কাৰ্য সম্পাদিত নহ'ল, এগৰাকীও প্ৰতিবন্ধী ব্যক্তিয়ে যোৱা বৰ্ষটোত নিযুক্তি নাপালে। বিভিন্ন খেলিমেলিৰে ৫১১ টা চতুৰ্থ বৰ্গৰ পদৰ সাক্ষাৎকাৰ অনুষ্ঠিত কৰিলে যদিও ফলাফলটো দূৰৈৰ কথা খেলিমেলিৰ তদন্তই আৰম্ভ নকৰিলে চৰকাৰখনে। চৰকাৰখনে দি থকা এক লাখ ৬০ হেজাৰ ৬১২ গৰাকী প্ৰতিবন্ধী ব্যক্তিয়ে পাই থকা পেঞ্চনৰ ধনৰাশি বিভিন্ন অজুহাতত এক লাখতকৈ কম হিতাধিকাৰীক প্ৰদান কৰা ব্যৱস্থা কৰা হ'ল; বিশেষ সঞ্চালকালয় স্থাপন কৰিলে; কিন্তু আজিলৈ একক দায়িত্ব এজন সঞ্চালকক দিবলৈ সক্ষম নহ'ল। যিয়ে হওক গ'লগৈ বৰ্ষটো। কুঁৱলীৰ ফেহুজালি ফালি ৰাতিপুৱাৰ উদিত সূৰ্যৰ দৰে ভুমুকি মাৰিবলৈ আগবাঢ়িছে নৱবৰ্ষ ২০২২।

পুৰণি বৰ্ষৰ তিতা-মিঠা অভিজ্ঞতা পাহৰি আশা কৰিছো মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা এক লাখ নিযুক্তি সম্পন্ন হওক এই নৱবৰ্ষটোতে, প্ৰতিবন্ধী আইন, ২০১৬ৰ আইনৰ লগতে নতুন চৰকাৰখনৰ দায়িত্বভাৰ গ্ৰহণৰ পাছতে কেবিনেটত লোৱা সিদ্ধান্তসমূহ সফলভাৱে কাৰ্যকৰী হোৱাৰ লগতে প্ৰতিবন্ধীসকলৰ চাৰি শতাংশ নিযুক্তিও কাৰ্যকাৰী হওক। প্ৰতিবন্ধীসকলৰ অন্যান্য সমস্যাসমূহো সমাধান হোৱাৰ লগতে ৰাজ্য তথা দেশৰ পৰা অসূয়া-অমংগল আঁতৰি সকলোৰে বাবে সৰ্বাংগ সুন্দৰ হওক এই নৱবৰ্ষ ২০২২। তাৰেই কামনাৰে।

**নৃপেন মালাকাৰ,** সম্পাদক
প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসম

# নৱবৰ্ষৰ প্ৰত্যাশা



নৱবৰ্ষ উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ আশা-প্ৰত্যাক্ষা যুগুতালে **ৰণ্টু নেওগে।**

## ■ নৱবৰ্ষটো হওক ধৰ্ষণ মুক্ত সমাজ ■ মুকলি মনৰ গৰাকী হওক দেশৰ প্ৰতিজন নাগৰিক ■নতুন বৰ্ষটোৱে কঢ়িয়াই আনক কৰ্মসংস্কৃতিৰ এক নতুন বিপ্লৱ ■কিতাপৰ পৃষ্ঠাবোৰ শক্তিশালী হৈ সমাজৰ পক্ষত থিয় দিয়ক

■ **প্ৰিয়ম ডি জ্যোৎস্না,** যুৱ লেখিকা, ছাত্ৰী, কটন বিশ্ববিদ্যালয়



**ক'ৰবাত** মই পঢ়িবলৈ পাইছিলো যে নৱবৰ্ষ হৈছে ৩৬৫ পৃষ্ঠাৰ এক বৃহৎ কিতাপ আৰু পহিলা তাৰিখটো হৈছে সেই কিতাপখনৰ প্ৰথম উকা পৃষ্ঠা। আমি নিজে সেই কিতাপখনৰ এটা এটা পৃষ্ঠা শব্দ-বাক্যৰে শুৱনি কৰি তুলিম। আশা কৰো ২০২২ বৰ্ষটোৱে অসমলৈ বহুতো সু-সংবাদ, সুখ-সম্প্ৰীতি কঢ়িয়াই আনিব। ২০২১ত আমাৰ বাবে যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ আছিল। বহুত পালো আৰু বহুত হেৰুৱালো। ক'ভিডত বহুতে নিজৰ আপোনজনক হেৰুৱালে, শুনিবলৈ পালো ক্ৰন্দন আৰু আৰ্তনাদ। একেটা সময়তে লাভলীনা বৰগোহাঁয়ে অসমক দিলে বিশ্বখ্যাত অলিম্পিকৰ ব্ৰঞ্জৰ সোৱাদ। ২০২২ তো সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত অসম সন্তানে সফলতাৰ আৱৰণেৰে অসমী আইৰ কোলা শুৱনি কৰিব বুলি আশা ৰাখিলো।

'আজি বাঁধিতেছি বসি সংকল্প নূতন
অন্তরে আমার,
সংসারে ফিরিয়া গিয়া হয়তো কখন
ভুলিব আবার।
তখন কঠিন মতে এনো অশ্রুআঁখিপাতে
অধমের করিয়ো বিচার।
আজি নব-বরষ প্রভাতে
ভিক্ষা চাহি মার্জনা সবার।'
ৰবীন্দ্ৰনাথ ঠাকুৰ

নতুন বৰ্ষত সকলোৰে মনত যাতে সহানুভূতিতকৈ সহমৰ্মিতাই স্থান পায়, তাকে আশা ৰাখিলো। "John Connolly এ কৈছিল- 'The nature of humanity, it's essence, is to feel another's pain as one's own, and to act to take that pain away.'

সহানুভূতি আৰু সহমৰ্মিতাৰ মাজত যথেষ্ট প্ৰভেদ পৰিলক্ষিত হয়। দুয়োটা ধাৰণাই মানুহৰ অনুভূতিপ্ৰৱণ মনটোক প্ৰতিনিধিত্ব কৰে যদিও এটা ধাৰণাৰ মাজতহে প্ৰকৃত অৰ্থত দয়া নিহিত হৈ আছে। সহানুভূতিয়ে এনে এক মানসিকতাক সূচায় য'ত এজন মানুহ বা এটা সমুদায়ৰ যিকোনো এটা পৰিস্থিতি প্ৰকৃতাৰ্থত সম্পূৰ্ণকৈ হৃদয়ংগম নকৰাকৈ কোনোৱে দুখ প্ৰকাশ কৰে। আনহাতে, সহমৰ্মিতাই সেই দুখ-শোকবোৰৰ স'তে নিজকে একাকাৰ কৰি দি সেই দুখৰ সমান দাবীদাৰ হৈ উঠাক সূচায়। সহমৰ্মিতাৰ বাবে মানসিক কাৰ্যদক্ষতা আৰু কল্পনাশক্তিৰ প্ৰয়োজন হয়। কিন্তু সহানুভূতিক কেৱল ওঁঠৰ সামান্য কম্পন অথবা লৰচৰ আৰু স্বীকৃতিৰ প্ৰয়োজন। সেই কাৰণে মানৱ সমাজত সহানুভূতিতকৈ সহমৰ্মিতাৰ স্থান উচ্চ।

সকলোলৈ নৱবৰ্ষৰ আন্তৰিক শুভ কামনা। ইফালে, বিগত দুবছৰে মহামাৰীৰ বাবে শিক্ষাৰ্থী সমাজ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ল। শিক্ষানুষ্ঠান বন্ধ হৈ পৰাত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল ঘৰতে আবদ্ধ হৈ পৰাৰ লগতে এটা শিক্ষাবৰ্ষ প্ৰায় নষ্ট হোৱাৰ উপক্ৰম হ'ল। বহুতো ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ হাতত ম'বাইল উপলব্ধ নাছিল আৰু বহু ঠাইত নেটৱৰ্কৰ অসুবিধা। আশা কৰো, নতুন বছৰটোত চৰকাৰে কোনো ছাত্ৰ-ছাত্ৰী যাতে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰতি চকু ৰাখিব। সমান্তৰালভাৱে অসমত বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা এক উল্লেখনীয় পদক্ষেপ। কিন্তু তাৰ লগতে বৰ্তমানৰ বিশ্ববিদ্যালয়সমূহৰ উন্নীতকৰণৰ ব্যৱস্থা কৰিব লাগে। নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত চৰকাৰলৈ আহ্বান জনালো।

'শেষত, মোৰ এক ব্যক্তিগত অনুভৱ ক'বলৈ বিচাৰিছো। অলপতে মই প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰীয় পুথি ন্যাসে (National Book Trust, India) আয়োজন কৰা All India Contest of PM Yuva Mentorship schemeৰ অধীনত দেশৰ ৭৫ জন যুৱ লেখকৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হ'লো। ৩০ ডিচেম্বৰৰ পুৱা মই ডাঃ সুভাষ সৰকাৰৰ (He is currently serving as the Union Minister of State in the Ministry of Education (India) in the Second Modi ministry) পশ্চিমবংগৰ যুৱ লেখক এজনৰ লগত হোৱা ব্যক্তিগত কথোপকথনৰ এটা টুইট দেখা পালো। তাৰ আগতে ফলাফল ঘোষণা কৰাৰ দিনা কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে উড়িয়া ভাষাৰ তিনিজন যুৱ লেখকক বিশেষভাৱে অভিনন্দন জনালে আৰু আমাৰ অসমতে অসমীয়া ভাষা যেন উপেক্ষণীয় হৈ ৰ'ল! সৰ্বভাৰতীয় পৰ্যায়ৰ যুৱ লেখকৰ তালিকাখনত প্ৰথম দুটা স্থানৰ অসমৰ নামেৰে অসমৰ বাদে যেন বাকী সকলো ৰাজ্যতে জিলিকি ৰ'ল। অসমখন যেন ব্যস্ত থাকিল তথাকথিত বিশেষ কামবোৰত, বিশেষ বাতৰিবোৰত। অসমত বহুতো প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী আছে। তেওঁলোকক কেৱল উৎসাহ আৰু অনুপ্ৰেৰণাৰ প্ৰয়োজন। আশা কৰো তেওঁলোকক আগবঢ়াই আনিবলৈ চৰকাৰে বিশেষ কিছুমান উল্লেখনীয় আৰু প্ৰশংসনীয় পদক্ষেপ হাতত ল'ব।'

### ■ লক্ষী গগৈ


বুৰঞ্জী বিভাগ, নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)



**নতুনৰ** প্ৰতি উচ্ছ্বাস মানুহৰ সদায়ে বেছি। শাশ্বত সত্য এটাক মানি লৈ আমি পুৰণি বছৰৰ স্মৃতি সাবটি নতুনক আদৰো। কোনোবা এখন কেলেণ্ডাৰত যদি আজি বছৰৰ প্ৰথমদিন অন্য এখনত আজি বছৰৰ মধ্য কোনোবা এদিন। এগৰাকী শিক্ষাৰ্থীৰূপে মোৰ বাবে প্ৰতিটো পুৱাই নতুন দিন। এই প্ৰতিটো দিনতে মই আশা কৰিম— যান্ত্ৰিকতাৰ পৰা আঁতৰি মানুহ মানুহৰ কাষত থাকক, প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্ক নিবিড় হওক, কলম আৰু কিতাপৰ পৃষ্ঠা শক্তিশালী হৈ সমাজপক্ষত থিয় দিয়ক; শিল্প-সাহিত্যৰ অনুৰাগী, পঢ়ুৱৈ বৃদ্ধি হওক। বিলাসী মানুহৰ সংখ্যা কমি সুখী মানুহৰ সংখ্যা বাঢ়ক। প্ৰতিটো চিন্তাৰ স'তে এটা নতুন পৰিকল্পনাৰে ধুনীয়া হওক নতুন বছৰটো। সকলোলৈ ইংৰাজী নৱবৰ্ষৰ শুভ কামনা থাকিল।

### ■মৃত্যুঞ্জয় ৰাজবংশী

নলবাৰী মহাবিদ্যালয়, নলবাৰী



**সমূহ** অসমবাসী ৰাইজলৈ ইংৰাজী নৱবৰ্ষৰ তথা আগন্তুক ভোগালী বিহুৰ হিয়াভৰা শুভেচ্ছা জনালো। প্ৰযুক্তিবিদ্যাৰ সহযোগত বৰ্তমান পৰিস্থিতিৰ অনিশ্চয়তাৰ মাজতো আমি আনুষ্ঠানিক শিক্ষা আগবঢ়াই লৈ যোৱা দিশত সম্পূৰ্ণভাৱে সফল নহ'লেও প্ৰয়োগিক দিশত বহুখিনি আগবাঢ়িছো যেন মোৰ অনুভৱ হয়। কিন্তু আছুতীয়াকৈ থাকিবলৈ বাধ্য হোৱাৰ ফলত যুৱ প্ৰজন্ম সামাজিক বহু শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে যাৰ ফলস্বৰূপে ভিন্ন কাৰণজনিত মানসিক হতাশা, নিৰাশা আদি বাৰুকৈ শিপাইছে, যুৱ প্ৰজন্মৰ মানসিক স্বাস্থ্যৰ দিশক আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালভাৱে প্ৰাথমিকতা দি সামাজিক ব্যৱধানৰ বিয়োগাত্মতা ৰোধৰ বাবে এই নতুন বৰ্ষত বিকল্প ব্যৱস্থা গ্ৰহণ কৰাটো খুবেই গুৰুত্ব সহকাৰে ল'ব বুলি আশা কৰো।

### ■ জুৰলী তামুলী, বিশ্বনাথ মহাবিদ্যালয়, বিশ্বনাথ চাৰিআলি



প্ৰত্যেক অসমীয়ালৈ ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা তথা আগন্তুক ভোগালী বিহুৰ ওলগ যাচিলো। নৱবৰ্ষ মানেই হৈছে নতুন চিন্তা, নতুন আশা আৰু অলেখ সপোন, এগৰাকী ছাত্ৰী তথা তৰুণ প্ৰজন্ম হিচাপে মই আশা কৰো, অসমৰ প্ৰত্যেকজন ছাত্ৰই পাওক শৈক্ষিক দিশৰ সকলো ধৰণৰ সা-সুবিধা। প্ৰত্যেকখন বিদ্যালয়, মহাবিদ্যালয়ত নিযুক্তি লাভ কৰক প্ৰত্যেকটো খালী হৈ থকা পদত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে যেন লাভ কৰে তেওঁলোকৰ শ্ৰমৰ বিনিময়ত পাবলগীয়া উচিত মাচুল তথা মৰ্যাদা সেয়াও হৈ পৰিছে আজিৰ দিনত অতি প্ৰয়োজনীয় বিষয়। লগতে শিক্ষাৰ প্ৰতিটো অংগ শ্ৰেণীকোঠাৰ পৰা ধৰি পৰীক্ষাগৃহলৈকে সকলো স্থানেই যাতে লাভ কৰে সুস্থ-সবল পৰিৱেশ। কোনো শিক্ষানুষ্ঠানত যাতে কোনো ধৰণৰ প্ৰীতিকৰ পৰিস্থিতিৰ বলি নহওঁক কোনো ছাত্ৰ-ছাত্ৰী, প্ৰত্যেকটো পৰীক্ষা নিয়ম তথা মৰ্যাদাক লৈ হেতালি খেলিব নোৱাৰাকৈ যাতে উচিত গুৰুত্ব প্ৰদান কৰে। চৰকাৰে সেয়া অসমৰ চৰকাৰলৈ মোৰ বিনম্ৰ অনুৰোধ। উল্লেখনীয় বিষয় হৈছে, ক'ভিড সংক্ৰমণত আমাৰ সমগ্ৰ অসমবাসী, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ যিমান যি ক্ষতি সাধন হ'ল, সেই ঠাই পূৰাবলৈ এতিয়া সময় আহি পৰিছে সতৰ্ক হোৱাৰ প্ৰত্যেক শিক্ষকৰ তথা প্ৰত্যেকজন ছাত্ৰৰ, আশা কৰিছো আগন্তুক বৰ্ষত অসমে চাৰিওকাষে ছটিয়াই দিয়ক সম্প্ৰীতিৰ বতৰা, ভ্ৰাতৃত্ববোধৰ বাতাৱৰণ আৰু লগতে এটি সুস্থ শৈক্ষিক পৰিৱেশ।

### ■ মেৰীছাইন দুৱৰা, বড়োলেণ্ড বিশ্ববিদ্যালয়



নমস্কাৰ, পোনপ্ৰথমে সকলোলৈকে আগন্তুক নৱবৰ্ষৰ হিয়াভৰা ওলগ যচিলো। এগৰাকী শিক্ষাৰ্থী হিচাপে বিচাৰো যে আগন্তুক বছৰটোৱে আমাৰ সকলোৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল সুখ, শান্তি আৰু সমৃদ্ধিৰ বতৰা। বিগত বৰ্ষত কৰ'না মহামাৰীৰ বাবে হোৱা তলাবন্ধৰ ফলত যি পৰিৱেশৰ সৃষ্টি হৈছিল, সেই কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। তলাবন্ধৰ ফলত সমগ্ৰ দেশতে যি ক্ষতি হৈছিল তাৰ ক্ষতিপূৰণ আমি এতিয়ালৈকে কৰিব পৰা নাই। সেয়া লাগিলে অৰ্থনীতিৰ ক্ষেত্ৰতে হওক বা আন বিভিন্ন ক্ষেত্ৰবোৰতে হওক। বাদ পৰি যোৱা নাই শৈক্ষিক ক্ষেত্ৰখনো। এগৰাকী শিক্ষাৰ্থী হিচাপে মই অনুভৱ কৰিছো যে বিগত বৰ্ষত নিম্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা উচ্চ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল পঢ়া-শুনাৰ দিশত যিমানখিনি অগ্ৰগতি হ'ব লাগিছিল। সেয়া হৈ উঠা নাই। অনলাইন ব্যৱস্থাৰে পাঠদান চলিছিল যদিও বহুতো শিক্ষাৰ্থী যে এই ব্যৱস্থাৰ পৰা বঞ্চিত হৈছিল, তাক নুই কৰিব নোৱাৰি। সেয়েহে আগন্তুক বৰ্ষটো কৰ'নামুক্ত হোৱাটো বিচাৰো যাতে সুস্থ পৰিৱেশ পুনৰ উভতি আহে। ইয়াৰ লগতে মূল্যবৃদ্ধি আৰু নিবনুৱা সমস্যাটো সমাধান হোৱাটো বিচাৰো। আগন্তুক বৰ্ষত এই সকলোবোৰ সমস্যা সমাধান হ'ব বুলি আমি আশাবাদী।

### ■ শিবাংগ বৰা, তিনিচুকীয়া পলিটেকনিক



সেউজী অসমৰ অসমবাসী ৰাইজলৈ নৱবৰ্ষ ২০২২লৈ আন্তৰিক শুভেচ্ছা আৰু আগন্তুক ভোগালী বিহুৰ ওলগ জনালো। গত বছৰটিত বহুতো পোৱা-নোপোৱা, হাঁহি-কান্দোন, সুখ-দুখ ইত্যাদিবিলাক বুকুত সাৱটি অতিবাহিত কৰিলো। বিশেষকৈ 'ক'ভিড-১৯' নামৰ সেই সৰ্বনশীয়া দৈত্যটো সমগ্ৰ দেশখনৰ লগতে আমাৰ সেউজী অসমখনৰো সকলো স্তৰতে বিশেষকৈ আমাৰ ছাত্ৰ-ছাত্ৰী সমাজখনতো কিছু বিৰল প্ৰতিক্ৰিয়া পেলাই গ'ল যদিও আমি হতাশ হ'লে নহ'ব। আমি আগুৱাই যাবই লাগিব। নৱবৰ্ষটিত ন উদ্যম, ন-আশা, নতুন পণ লৈ আগুৱাই যাবই লাগিব। নৱবৰ্ষটিত ন উদ্যম, ন-আশা, নতুন পণ লৈ আগুৱাই যোৱাৰ মানসেৰেই এজন কবিৰ কেইশাৰীমান কবিতাৰে সকলোলৈ।

একাগ্ৰতাই পিন্ধাই জয়ৰ মালা
বন্ধু তুমি হাৰ নামানিবা
প্ৰয়োজন মাথোঁ দৃঢ়তাৰ,
হতাশ নহ'বা
হতাশা সিটো এটা মৃত্যুৰ উপনাম,
চেষ্টা হওক তোমাৰ পাথেয়
উদ্যম হওক সাৰথি
সংগ্ৰামেই হওক তোমাৰ আত্মপৰিচয়
অভিনন্দন ২০২২ বৰ্ষ।

### ■ কাকলি কলিতা


অসমীয়া বিভাগ-কটন বিশ্ববিদ্যালয়



নতুন দিনৰ নতুন প্ৰভাত সমাগত। ২০২১ত কি পালো, কি হেৰুৱালো তাৰ হিচাব-নিকচাৰ বিপৰীতে ন উদ্যম আৰু আশাৰে সকলোৱে নতুনক আদৰাৰ প্ৰস্তুতি। নতুন প্ৰভাৱত এই প্ৰাক্‌ক্ষণত আই অসমীৰ মাতৃভাষা অসমীয়া ভাষা সংকটমুক্ত হওক তাৰে কামনা কৰিছো। প্ৰতিদিনে বাতৰি কাকতত সবিস্তাৰে প্ৰকাশ পাই আহিছে অসমীয়া ভাষাৰ সংকটৰ দিশসমূহ। গতিকে এই ক্ষেত্ৰত এই নৱবৰ্ষত প্ৰতিজন অসমীয়া সচেতন হোৱাৰ সময় আহি পৰিছে। অৱশ্যে অসমীয়া মানুহে গা এৰা দিয়া স্বভাৱ এটা আছে বুলি বিদ্ব্য সমাজৰ মুখত ফুঠি উঠে। কেৱল অসমীয়া অসমীয়া বুলি চিঞৰি থাকিলেই যে নহ'ব, জাতি আৰু ভাষা ৰক্ষাৰ দায়িত্ব কেৱল দল-সংগঠনসমূহৰ ওপৰত এৰি দি নিশ্চিন্ত হৈ বহি থাকিলেই যে নহ'ব সাম্প্ৰতিক সময়ত উপলব্ধি কৰিছো। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই সেই সময়তে এই কথা অনুভৱ কৰিব পাৰিছল অসমীয়া জাতিৰ অনাগত চৰম দুৰ্যোগৰ কথা। সেয়ে হয়তো গীতৰ জৰিয়তে তেওঁৰ প্ৰকাশ কৰিছিল 'আমি অসমীয়া নহওঁ দুখীয়া, বুলি সান্ত্বনা লভিলে নহ'ব; আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।' সঁচাকৈয়ে গীতটোৰ প্ৰতিটো শব্দই যেন সাম্প্ৰতিক সময়ত আখৰে আখৰে ফলিয়াইছে যেন অনুভৱ হয়। অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ পৰা বাধ্যতামূলক অসমীয়া বিষয়ৰ কাকত প্ৰত্যাহাৰ কৰা দিনৰ পৰাই অসমীয়া ভাষাৰ ওপৰত হোৱা আক্ৰমণ তাৎপৰ্যপূৰ্ণ আৰু ই অসমীয়া ভাষা-সংস্কৃতিৰ বাবে এক অশনি সংকেত বুলি অনুভৱ কৰিছো। সেয়ে এনেধৰণৰ বিষয়সমূহে অসমীয়া ভাষাৰ ওপৰত সুদূৰপ্ৰসাৰী বিৰূপ প্ৰভাৱ পেলোৱাৰ আগতেই সজাগ হোৱাৰ বাবে সকলোৱে পণ লোৱা বৰ্ষ হওক ২০২২। কাৰণ ভাষা থাকিলেহে এটা জাতি জীয়াই থাকিব। নতুন বৰ্ষটোত ইজনে সিজনৰ সাহস হৈ হাতে হাত ধৰি জাতিৰ প্ৰাণ ৰক্ষাৰ স্বাৰ্থত আগুৱাই যাওঁ আহক তাৰে সকলোৱে সংকল্প লওক। নহ'লে অনাগত ভৱিষ্যতত অসমীয়া ভাষা আমাৰ বাবে যে স্মৃতি হৈ ৰ'ব। ভাষাটো জীয়াই ৰাখক, নিজেও জীয়াই থাকক-নতুন দিনবোৰ সকলোৰে ভাল হওক।

### ■ স্বৰূপ উপাধ্যায়

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট



**প্ৰতিজন** অসমবাসীলৈ নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো। এই নৱবৰ্ষই সকলোৰে মাজত কঢ়িয়াই আনক প্ৰেম-ভ্ৰাতৃত্ববোধ আৰু গঢ়ি উঠক এখন সুস্থ শৈক্ষিক পৰিৱেশ। বিশ্বজুৰি ত্ৰাস সৃষ্টিকাৰী কৰ'না মহামাৰীৰ বিৰুদ্ধে জনতাক সুৰক্ষিত ৰাখিবলৈ যুঁজ দিয়া প্ৰতিজন যোদ্ধা লৈ ধন্যবাদ জনালো। নৱবৰ্ষৰ প্ৰথমটো দিনত অনুভৱ কৰিছো সজাগতা আৰু সমস্যাক লৈ সঠিক দৃষ্টিভংগী থাকিলে এখন গণতান্ত্ৰিক দেশৰ সৰহভাগ সমস্যা সমাধান কৰিব পৰা যাব। কৃষি কৰ্মৰ ক্ষেত্ৰখনতো সজাগতাৰ অভাৱত বহু সমস্যাই মূৰ দাঙি উঠিছে আৰু আশাকৰো এই দিশত সকলোৱে সজাগতা আৰু মনোযোগ বৃদ্ধিৰ প্ৰয়াস কৰিব, সমস্যা সমূহৰ প্ৰতি সঠিক তথা ইতিবাচক দৃষ্টিভংগী আগত ৰাখি সমাধানৰ দিশত অসম আগুৱাই যাওক। বুদ্ধিমত্তা, অখণ্ডতা আৰু নৈতিকতাবোধ সমাজত বিৰাজমান হওক তাৰেই কামনা কৰিলো।

### ■ সমুজ্জ্বল শইকীয়া

চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়, অসম



**অসমবাসী** ৰাইজলৈ ইংৰাজী নৱবৰ্ষ আৰু ভোগালী বিহুৰ ওলগ জনাইছো। বছৰটোৰ শেষত উভতি চাই দেখো বহু পালো, বহু হেৰুৱালো। মহামাৰীৰ চৌত শৈক্ষিক জীৱনৰ বহুখিনি অসুবিধাৰ সন্মুখীন হ'লো যদিও যান্ত্ৰিকতাৰ ধামখুমীয়াত কৰ'না মহামাৰীয়ে জীৱনটোক নতুনকৈ উপলব্ধি কৰাবলৈ শিকালে। নৱ দিনৰ, নৱ প্ৰভাতৰ প্ৰতিটো দিনৰ সপোন দেখিছো সযতনে, হেঁপাহৰ এখন নতুন অসম। অসমৰ শৈক্ষিক দিশৰ উত্তৰণৰ সমান্তৰালভাৱে উত্তৰণ বিচাৰো আমাৰ কলা-সংস্কৃতিও। ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা অসমৰ ভূমিত চিত্ৰকলাৰ চৰ্চা চলি আহিছে। বৰ্তমানৰ শৈক্ষিক পদ্ধতিত চিত্ৰকলা আনুষ্ঠানিক শিক্ষাৰ বাবে নতুন শিক্ষানীতিৰ আধাৰত প্ৰতিখন বিদ্যালয়ত চিত্ৰকলা শিক্ষাৰ বাবে শিক্ষক নিযুক্তি দিব লাগে। আশা কৰিছো নতুন বছৰটোৱে প্ৰতিজনলৈ কঢ়িয়াই আনিব আশাৰ বতৰা, প্ৰতিজনৰে জীৱন সমৃদ্ধিশালী হওক।


### ■ নীলাক্ষী দেৱী

মৰিগাঁও মহাবিদ্যালয়



অসমবাসী ৰাইজলৈ ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভকামনা জনালো। আগন্তুক নৱবৰ্ষই প্ৰতিজন ব্যক্তিলৈ কঢ়িয়াই আনক সুখ-শান্তি আৰু সুস্থ স্বাস্থ্য। বৰ্তমান সময়ত এচাম নৱপ্ৰজন্ম নিচাযুক্ত দ্ৰব্যৰ গ্ৰাসত পৰা দেখা গৈছে। যাৰ ফলশ্ৰুতিত নিজৰ লগতে পৰিয়ালটো অশান্তিৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি তেওঁলোকৰ শিক্ষা জীৱন আৰু ব্যক্তিগত জীৱনত প্ৰভাৱ পৰিছে। এনেবোৰ কাৰ্য সামাজিক ব্যাধী ৰূপে পৰিগণিত হৈছে। ই আমাৰ সমাজ-সংস্কৃতি বিকাশত বাধাৰ সৃষ্টি কৰাৰ লগতে যুৱ সমাজক ক্ৰমান্বয়ে কোঙা কৰি তুলিছে। সেয়ে এনে ব্যাধি ৰোধৰ বাবে প্ৰশাসনিক ব্যৱস্থাই যথেষ্ট নহয় সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে ইয়াৰ বাবে উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আশা কৰিছো নৱবষটো শান্তিপূৰ্ণ হওক আৰু সকলোৰে মনবোৰ ধনাত্মক চিন্তাধাৰাৰে উপচি পৰক।

### মানস গগৈ, দৰং মহাবিদ্যালয়



**নতুন** বৰ্ষটোৱে কঢ়িয়াই আনক কৰ্মসংস্কৃতিৰ এক নতুন বিপ্লৱ । নৱ প্ৰজন্মই যাতে দেশৰ অৰ্থনীতিত এক বৈপ্লৱিক অগ্ৰগতিৰ সূচনা কৰি বিশ্ববাসীৰ ওচৰত অসমীয়া আইক নতুন পৰিচয়েৰে জিলিকাই তুলিব পাৰে তাৰে আশা কৰিছো। কৌটিল্য, আৰ্যভট্ট, চাণক্য, সম্ৰাট অশোকৰ আদৰ্শ শিৰোগত কৰি এক সুদূৰ প্ৰসাৰী অৰ্থনৈতিক স্থিৰতাৰ ফালে যাতে আমি ধাৱমান হ'ব পাৰো নতুন বৰ্ষটোত তাকে কামনা কৰিছো। বিগত বৰ্ষটোত মহামাৰীৰ ভয়াৱহতাৰ সমান্তৰালভাৱে মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, মুদ্ৰস্ফীতিৰ দুঃখবৰৰ সময়বোৰ যাতে নতুন বৰ্ষটোত পাহৰি দেশক এখন শক্তিশালী ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ কামত ব্ৰতী হ'বলৈ পণ লৈছো। নৱ প্ৰজন্মৰ মুক্ত চিন্তাৰ অন্বেষণ হওক আৰু সমাজত তথা চৰকাৰে নৱ প্ৰজন্মৰ বাবে বিশ্বায়নৰ এখন দুৱাৰ মুকলি কৰি দিয়ক যাতে দেশখন ধাৱমান হয় উন্নয়নৰ সুউচ্চ শিখৰলৈ।

### ■ খাছমিন চৌধুৰী

আসাম অইল কলেজ অৱ নাৰ্ছিং ডিগবৈ



**সমূহ** অসমবাসীলৈ ইংৰাজী নৱবৰ্ষৰ লগতে আগন্তুক ভোগালী বিহুৰ ওলগ যাচিলো। নতুন বছৰটোৱে প্ৰতিজনৰ বাবে কঢ়িয়াই আনক সুখ-সমৃদ্ধি আৰু আশাৰ বতৰা। স্বাস্থ্য বিভাগৰ ছাত্ৰী হিচাপে মই এই বিভাগৰ প্ৰাথমিক পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ উন্নতি হোৱাটো কামনা কৰো। ক'ভিড-১৯ৰ সময়ত চিকিৎসালয়ত যথোপযুক্ত সামগ্ৰী, পৰ্যাপ্ত সুদক্ষ চিকিৎসাকৰ্মী সঁচাকৈয়ে প্ৰয়োজনীয় হৈ পৰিছিল। সেই সময়ত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়। এতিয়া পৰিস্থিতি কিছু নিয়ন্ত্ৰণ হৈছে যদিও জনসাধাৰণ সচেতন হোৱাটো খুবেই প্ৰয়োজন, লগতে সহযোগিতাও অতিকৈ জৰুৰী। ক'ভিড বুলিয়েই নহয়, কিছু নীতি-নিয়মে বিভিন্ন ধৰণৰ সংস্পৰ্শজনিত ৰোগৰ পৰা হাত সাৰিবলৈ আমাক সহায় কৰে যেনে, টিবি, হেপাটাইটিছ, এইডছ ইত্যাদি। লগতে কেন্সাৰ, হৃদপিণ্ডজনিত ৰোগ, মধুমেহ আদি ৰোগৰ মাত্ৰা বাঢ়ি আহিছে। জনসাধাৰণক সজাগ কৰিবলৈ স্বাস্থ্য বিভাগে প্ৰাথমিক পৰ্যায়ৰ পৰা স্বাস্থ্য সমন্বীয় শিক্ষা আৰু বিজ্ঞানসন্মতভাৱে পৰামৰ্শ (counselling) প্ৰদান কৰিব লাগে। লগতে বিভিন্ন কাৰ্যসূচী আৰু অনুষ্ঠান মাজে সময়ে পতা উচিত বুলি। জনসাধাৰণৰ জ্ঞানৰ পৰিসীমাৰ ওপৰত ভিত্তি কৰি আলোচনাবোৰ হ'ব লাগে, তেতিয়াহে ই ফলপ্ৰসূ হ'ব বুলি মই ভাবো। ইয়াৰ দ্বাৰা এখন ৰোগমুক্ত অসম আমি আশা কৰিব পাৰো এই নৱবৰ্ষত।

### ■ নিপু বৰুৱা

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়



**সমূহ** অসমবাসীলৈ আগন্তুক ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰিলো। অসম তথা অসমবাসীৰ নানা বিপৰ্যয়ৰ সময়ত তথা ক'ভিডসৃষ্ট পৰিৱেশৰ মাজত অনাগত নৱবৰ্ষই যাতে পুৰণি হিংসা, দুখ-কষ্ট পাহৰাই সুখ-শান্তি, সমৃদ্ধি, সম্প্ৰীতি, উন্নয়নৰ বতৰা ন চিন্তাৰে ন উদ্যমেৰে কঢ়িয়াই আনে তাৰে কামনা কৰিলো। প্ৰত্যেকজন ব্যক্তিৰ প্ৰতিটো দিন ৰামধেনুৰ সাতোৰঙী সমাহাৰে সফলতা, আনন্দৰে বিয়পি পৰক। সকলোবোৰে পৰিয়ালবৰ্গক ঈশ্বৰে মংগল কৰক। নৱবৰ্ষৰ এই প্ৰাকক্ষণত আমি সংকল্পবদ্ধ হওঁ যে ভ্ৰাতৃত্ববোধৰ সাতামপুৰুষীয়া এনাজৰীডাল যাতে আৰু অধিক শক্তিশালী কৰি তুলিব পাৰে। সৰু মানুহ, বৰ বৰ কথা যদিও অসমবাসীক নৱবৰ্ষৰ প্ৰাকক্ষণত অগ্নিকবিৰ ভাষাৰেই আহ্বান কৰিব 'বিচাৰো ঃ এয়াটো নহয় হাঁহি-তামাছাৰ ভাগৰ জুৰুৱা গান/ ই যে জীৱন-মৰণ একাকাৰ কৰা অগ্নিবীণাৰ তান।।

হয়, একবিংশ শতিকাৰ বিজ্ঞান-প্ৰযুক্তিৰ দিনত শিক্ষাৰ ক্ষেত্ৰত বা অন্যান্য ক্ষেত্ৰত অসমীয়া জাতিৰ ঘাই শিপা স্বৰূপ অসমীয়া ভাষাৰ বিপৰ্যয়ৰ এই সময়ত সকলোৱে যাতে একত্ৰিত হৈ বিশেষকৈ অসমীয়া ভাষাক ইউনিক'ডত অন্তৰ্ভুক্ত কৰাবৰ বাবে কাম কৰে যেন।


### ■ঋতুৰাজ বৰদলৈ

তেজপুৰ বিশ্ববিদ্যালয়



**এটা** বছৰৰ শেষৰ ফালে অলপ সময় উভতি চাবলৈ প্ৰায়ে সাচি ৰখা হয়। সপোনবোৰৰ হিচাপ-নিকাচ, পোৱা-হেৰুৱাৰ আদি.....। তুলাচনীত তোলাৰ পাছত দো খোৱা ফালটোৱেই নিৰ্ণয় কৰিব বছৰটোৰ সাফল্য। এই তুলাচনীত যোৱা দুবছৰে হেৰুৱাৰ দিশটো অতিকে গধুৰ। মহামাৰীৰ আতিশয্যই শৈক্ষিক, মানসিক, শাৰীৰিক সকলো দিশতে ক্ষতি কৰিলে; কিন্তু তাৰ মাজতো আমি যুঁজ দিলো। গত বৰ্ষটোত শিক্ষানুষ্ঠানসমূহৰ প্ৰত্যক্ষ পাঠদান পুনৰ আৰম্ভ হয়, মানসিক স্বাস্থ্যৰ কথাতো আগতকৈ বেছি গুৰুত্ব দিয়া প্ৰতিজনৰ ক্ষেত্ৰতে দেখিবলৈ পোৱা গ'ল। প্ৰত্যাহ্বানক নেওচি জীৱন যাপনৰ যি দুৰ্বাৰ হেঁপাহ, তাৰেই কিজানি চূড়ান্ত প্ৰতিচ্ছবি আছিল গত বৰ্ষটো। 'Remember Red, hope is a good thing, may be best of things and no good thing ever dies'-নতুন বছৰ, নতুন আশা।

### ■ কংকনা শৰ্মা, মঙলদৈ মহাবিদ্যালয়



**সমূহ** অসমবাসীলৈ ইংৰাজী নৱবৰ্ষৰ লগতে আগন্তুক ভোগালী বিহুৰ শুভকামনা যাচিলো। নৱ প্ৰজন্মৰ এগৰাকী পথিক হিচাপে অনগত সময়ৰ চাকনৈয়াত ৰাজ্যখনৰ শৈক্ষিক-বৌদ্ধিক-মানসিক দিশত উন্নতি কামনা কৰিলো। ক'ভিডসৃষ্ট পৰিৱেশৰ সমান্তৰালভাৱে অন্যান্য সমস্যাৰে জুৰুলা কৰা ৰাজ্যখনৰ সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰখনলৈ সুস্থ বাতাবৰণ উভতি অহাৰ লগতে বৈজ্ঞানিক দৃষ্টিভংগীৰে নৱবৰ্ষটোত সমাজখনলৈ যাতে পৰিৱৰ্তন আহে আশা কৰিছো। নৱবৰ্ষটোত ধৰ্ষণ মুক্ত সমাজ গঢ়ি মুকলি মনৰ গৰাকী হওক দেশৰ প্ৰতিজন নাগৰিক। শেষত নতুন বৰ্ষটোত সকলোৰে সপোন বাস্তৱত ৰূপায়িত হওক।

### ■ দেবোজ্জ্বল পৰাশৰ


বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, যোৰহাট



**সকলোলৈ** নৱবৰ্ষৰ শুভ কামনা জনালো। নতুন বছৰত ন উদ্যমেৰে মাৰ বান্ধি অসমৰ উন্নতিৰ হকে থিয় হ'বলৈ পণ লৈছো। এজন ছাত্ৰ তথা যুৱক হিচাপে মই শুদ্ধ আচৰণ কৰিবলৈ সদায়েই তৎপৰ আৰু আনকো আহ্বান জনাও, তেহে অসম তথা অসমীয়া উন্নতি হ'ব বুলি মই উপলব্ধি কৰো। নিজকে সুৰক্ষিত কৰি কৰ'না মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে অধ্যয়নৰ দিশটোও যাতে আমি আগুৱাই নিব পাৰো তাৰ বাবে নতুন বৰ্ষটোত ন-উদ্যমেৰে পণ গ্ৰহণ কৰি অসমীয়া ভাষা-জাতিৰ এই সংকটকালত বিষণ্ণতা আৰু হতাশা দূৰ কৰি আগুৱাই যাবলৈ প্ৰয়াস কৰিম।

### ■ কৰবী দাস

**অসম** বিশ্ববিদ্যালয়, শিলচৰ



অসমবাসীলৈ নতুন বছৰৰ হিয়া ভৰা ওলগ জনালো। সকলোৰে আগন্তুক দিনবোৰ ভাল হোৱাৰ কামনা কৰিলো। এগৰাকী ছবি ভালপোৱা ছোৱালী হিচাপে ক'ব বিচাৰিছো আমাৰ সকলোৰে মনৰ ভিতৰত লুকাই থকা সৃষ্টিশীল মনটোক আমি ধৰি নাৰাখি এক নতুন চিন্তাৰে কেনেদৰে তাক আগবঢ়াই নিব পাৰি তাকে ভবা দৰকাৰ। কিয়নো সেই প্ৰতিভাৰ পৰাই সমাজখনক উন্নতিৰ পথলৈ লৈ যোৱাত যথেষ্ট সহায় কৰে। তদুপৰি সৃষ্টিমূলক কামবোৰ ধনাত্মক হোৱাটো লক্ষ্য ৰখা উচিত। নতুন প্ৰজন্মক বিপথে নিয়াৰ পৰিৱৰ্তে সৎ চিন্তা আৰু কিবা নতুনত্বক সৎ চিন্তাৰে আঁকোৱালি ল'ব লাগিব। মুঠতে আমাৰ সুপ্ত প্ৰতিভাক আমি দেশ আৰু দহৰ হকে আগুৱাই নিবলৈ চেষ্টা কৰিব লাগিব। ছবি, গান, নাচ অথবা যিকোনো দিশতে দেশক উন্নতিৰ ফালে লৈ যোৱা আমাৰ প্ৰতিজনৰ দায়িত্ব। নতুন বছৰটোক এনেদৰেই ভাল চিন্তাৰে আৰু ভাল কামেৰে আৰম্ভ কৰিবলৈ যাওক তাকে কৈ আৰু কৰি যাম।

### ■ ৰশ্মি বেগম

**জে.ডি.এজ.জি. মহাবিদ্যালয় বোকাখাত**



মই এগৰাকী শিক্ষাৰ্থী হিচাপে আগন্তুক ২০২২ বৰ্ষটো এক নতুনত্ব বিচাৰো। যিহেতু আমি সকলোৱে কাল কৰুণা মহামাৰীৰ মাজতো নিজকে জীয়াই ৰখাৰ চেষ্টা কৰি আছো, লগতে আমি সমাজখন সুস্থ সবল হ'বলৈ আপ্ৰান চেষ্টাত মগন হৈছো। মই শিক্ষাৰ্থী হিচাপে ভাবো আমাৰ যিবোৰ বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তেওঁলোকে পঢ়া-শুনাৰ ক্ষেত্ৰত বহুত অকামিলা হৈছে,বহুতৰে সময় এনেয়ে যোৱা নিচিনা হৈছে আৰু আন একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজত নপঢ়িলেও হ'ব, পাছ কৰি যাম বুলি যি এক দু-চিন্তা সোমাই গৈছে, সেইবোৰ যাতে নাইকীয়া হওঁক, লগতে চৰকাৰখনে প্ৰতিযেধকৰ ক্ষেত্ৰত যি বহুমূলীয়া পদক্ষেপ লৈছে, তাৰলগত সকলোৱে সহযোগ কৰক। এগৰাকী শিক্ষাৰ্থী হিচাপে মই ২০২২ বৰ্ষটো যাতে যিমান পাৰি আমাৰ অসম খন নিবনুৱা মুক্ত হয় তাৰে আশা কৰো, যিহেতু আগলৈ আমিও এনে এক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'লে নিবনুৱাৰ সমস্যা বঢ়াৰ লগতে আমাৰো যে আৰ্থিক দিশক বিপদে দেখা দিব সেয়া নিশ্চিত। গতিকে এইখিনি নাইকীয়া হ'লে অলপ হ'লেও সমাজে অগ্ৰগতি লাভ কৰিব, ধন্যবাদ।

## মুম্বাইত অ'মিক্ৰনৰ সামূহিক সংক্ৰমণৰ শংকা, ৭১ শতাংশ আক্ৰান্ত স্থানীয়ভাৱে সংক্ৰমিত



**নিউজ ব্যুৰ', মুম্বাই, ৩১ ডিচেম্বৰ ঃ** মহাৰাষ্ট্ৰত মুঠ অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ১৯৮ জনলৈ বৃদ্ধি পালে। কেৱল মুম্বাইতে ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হ'ল ১৯০ জন লোক। বৃহণমুম্বাই পৌৰ নিগমে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, মুম্বাইৰ অ'মিক্ৰন আক্ৰান্তৰ ১৪১ জনৰ বিদেশ ভ্ৰমণৰ কোনো ইতিহাস নাই। অৰ্থাৎ মহাৰাষ্ট্ৰৰ মুঠ অ'মিক্ৰন আক্ৰান্তৰ ৭১ শতাংশ লোক স্থানীয়ভাৱে এই নতুন প্ৰজাতিৰ ক'ভিডত সংক্ৰমিত হ'ল। মুম্বাইত আন্ধেৰী পশ্চিম, জুহু আৰু ভাৰছ'ভাত সৰ্বাধিকসংখ্যক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। ইয়াৰ পাছতে মালাবাৰ হিল, মহালক্ষ্মী আৰু তাৰদেও অঞ্চলত অধিক সংখ্যক লোক অ'মিক্ৰনত সংক্ৰমিত হৈছে। পৌৰ নিগমৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, মুম্বাইত অ'মিক্ৰনৰ সামূহিক সংক্ৰমণৰ সম্ভাৱনা প্ৰকট হৈছে আৰু এই বিষয়ত সম্প্ৰতি গৱেষণামূলক অধ্যয়ন অব্যাহত ৰখা হৈছে।

## দীৰ্ঘদিনৰ পাছত ভুমুকি কীমৰ, পূৰ্বতকৈ হ্ৰাস পালে শৰীৰৰ ওজন



**নিউজ ব্যুৰ', পিয়ংইয়ং, ৩১ ডিচেম্বৰ ঃ** উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে দীৰ্ঘদিন বিৰতিৰ পাছত বছৰৰ অন্তিম সপ্তাহত পুনৰ ৰাজহুৱা আত্মপ্ৰকাশ কৰিলে। এইবাৰ কীমৰ নতুন চেহেৰা প্ৰত্যক্ষ কৰি সকলোৱে অবাক হৈছে। ৩৭ বছৰীয়া কীম পূৰ্বৰ তুলনাত শাৰীৰিকভাৱে যথেষ্ট সক্ৰিয় আৰু সতেজ প্ৰত্যক্ষ হৈছে। দীৰ্ঘদিন ধৰি উত্তৰ কোৰিয়াৰ শাসকে ৰাজহুৱাভাৱে আত্মপ্ৰকাশ কৰাৰ পৰা বিৰত আছিল। দীঘলীয়া অজ্ঞাতবাসৰ পাছত যোৱা সপ্তাহত কীমে ৱৰ্কাৰ্ছ পাৰ্টি অৱ কোৰিয়াৰ কেন্দ্ৰীয় সমিতিৰ বৈঠকত অংশ লৈছিল। উল্লেখ্য যে সম্প্ৰতি উত্তৰ কোৰিয়াৰ শাসকীয় দল হৈছে ৱৰ্কাৰ্ছ পাৰ্টি অৱ কোৰিয়া। দলীয় বৈঠকত অংশ লৈ কীমে দীঘলীয়া ভাষণ দিছিল। ব্ৰিটেইনৰ সংবাদ মাধ্যমত প্ৰকাশিত প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, অত্যধিক মেদবহুলতাত ভোগা কীমে বিগত সময়ছোৱাত শৰীৰৰ ওজন ১৯ কিলোগ্ৰাম হ্ৰাস কৰিলে। শৰীৰৰ ওজন যথেষ্ট হ্ৰাস পোৱাৰ ফলত সম্প্ৰতি কীমক যথেষ্ট সপ্ৰতিভ আৰু সুস্বাস্থ্যবান দেখা গৈছে। কীমৰ চেহেৰা ইমানে খিনালে যে বহুতে উত্তৰ কোৰিয়াৰ শাসকৰ শেহতীয়া ফটো দেখিলে চিনি নাপাব। ব্ৰিটেইনৰ সংবাদপত্ৰ 'দ্য ডেইলি ষ্টাৰ'ৰ বাতৰি অনুসৰি, কীমক চিকিৎসকে ওজন হ্ৰাস কৰিবলৈ পৰামৰ্শ দিছিল আৰু চিকিৎসকৰ এই পৰামৰ্শ পালন কৰি উত্তৰ কোৰিয়াৰ শাসকে শৰীৰৰ ওজন বহুখিনি হ্ৰাস কৰিলে।

## উৎসৱৰ বতৰতে প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ন হেজাৰ টকা হ্ৰাস পালে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ ডিচেম্বৰ ঃ** নতুন বছৰৰ আৰম্ভণিৰ পূৰ্বে হঠাতে সোণৰ মূল্য যথেষ্ট হ্ৰাস পালে। বৃহস্পতিবাৰে আন্তৰ্জাতিক বজাৰত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ভাৰতীয় মুদ্ৰাৰ হিচাপত প্ৰায় নহেজাৰ টকা হ্ৰাস পালে। বিগত বছৰত এয়ে প্ৰথমবাৰ এবাৰত সোণৰ মূল্য ইমান অধিক অৱনমিত হ'ল। আন্তৰ্জাতিক বজাৰৰ স'তে সংগতি ৰাখি ভাৰতৰ বজাৰতো বৃহস্পতিবাৰে সোণৰ মূল্য প্ৰায় ০.৪ শতাংশ হ্ৰাস পালে। প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য সম্প্ৰতি ৪৭,৬৫০ টকা হৈছে।

## ভাৰতৰ পৰা ব্ৰাহ্মছ ক্ৰয় কৰিব ফিলিপাইন্সে




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ ডিচেম্বৰ ঃ** ফিলিপাইন্সে ভাৰত আৰু ৰাছিয়াই যৌথভাৱে তৈয়াৰ কৰা ব্ৰাহ্মছ ক্ৰুজ ক্ষেপণাস্ত্ৰ ক্ৰয় কৰিব। উল্লেখ্য যে ভাৰতত তৈয়াৰী এইবিধ ক্ষেপণাস্ত্ৰৰ প্ৰথম বিদেশী গ্ৰাহক হ'বলৈ আগবাঢ়ি আহিছে ফিলিপাইন্স। ইতিমধ্যে ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰ ক্ৰয়ৰ বাবে ফিলিপাইন্স চৰকাৰে ৪১০ কোটি টকা আদায় দিছে। প্ৰকাশিত বাতৰি অনুসৰি কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণ অব্যাহত থকাৰ ফলত ফিলিপাইন্সৰ ব্ৰাহ্মছ ক্ৰয় প্ৰক্ৰিয়া কিছু বিলম্ব হৈছে। ২০১৯ৰ ডিচেম্বৰতে ফিলিপাইন্সে ব্ৰাহ্মছ ক্ৰয়ৰ বাবে ভাৰত চৰকাৰৰ স'তে যোগাযোগ কৰিছিল।

**চিকিৎসালয়ত শিশুৰ ভৰ্তিৰ হাৰ একেকোবে ৬৬ শতাংশ বৃদ্ধি ঃ আমেৰিকাত কৰ'নাৰ দৈনিক সংক্ৰমণ ছয় লাখ**

# অ'মিক্ৰন উদ্বেগৰ মাজতে আমেৰিকাত সহস্ৰাধিক শিশু ক'ভিড আক্ৰান্ত

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৩১ ডিচেম্বৰ ঃ** অ'মিক্ৰনক লৈ উদ্বেগ অব্যাহত থকাৰ সময়তে আমেৰিকাত প্ৰতিদিনে বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। বিপুলসংখ্যক শিশু ইতিমধ্যে ক'ভিড আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হৈছে। ফিলাডেলফিয়াৰ শিশু চিকিৎসালয়ৰ সংক্ৰামক ৰোগ বিশেষজ্ঞ ডাঃ পল অফিটে কয়, 'যি হাৰত শিশুসকল আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হৈছে, পৰিস্থিতি কি হ'ব পাৰে তাক লৈ শংকিত হৈছো।' প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি ২২-২৮ ডিচেম্বৰৰ সময়ছোৱাত আমেৰিকাত দৈনিক গড়ে ৩৭৮ শিশু চিকিৎসালয়ত কৰ'না আক্ৰান্ত হোৱাৰ ফলত ভৰ্তি হৈছিল। এইসকল আক্ৰান্তৰ বয়স ১৭ আৰু ইয়াৰ তলত। আমেৰিকাৰ চেণ্টাৰ ফৰ ডিজিজ কন্ট্ৰ'ল এণ্ড প্ৰিভেনচন (চি ডি চি)



-এ প্ৰকাশ কৰা অনুসৰি উক্ত সময়ৰ ভিতৰত চিকিৎসালয়ত শিশুৰ ভৰ্তিৰ হাৰ একেকোবে ৬৬ শতাংশ বৃদ্ধি পাইছিল। ইয়াৰ পূৰ্বেও যোৱা ছেপ্টেম্বৰত আমেৰিকাত প্ৰতিদিনে গড়ে ৩৪২ জন শিশু ক'ভিড আক্ৰান্ত হৈ চিকিৎসাধীন হৈছিল। সম্প্ৰতি আমেৰিকাত কৰ'নাৰ দৈনিক সংক্ৰমণ ছয় লাখৰ আশে-পাশে আছে। ২২-২৮ ডিচেম্বৰৰ সময়ছোৱাত দৈনিক গড়ে ১০,২০০ জন কৰ'না ৰোগী চিকিৎসালয়ত ভৰ্তি হৈছিল। আগন্তুক কে'বা সপ্তাহৰ ভিতৰত আমেৰিকাৰ ক'ভিড পৰিস্থিতি অধিক জটিল হ'ব বুলি ইতিমধ্যে সকীয়াই দিছে বিশেষজ্ঞসকলে। আমেৰিকাৰ ১৬খন প্ৰদেশত ক'ভিড পৰিস্থিতি ভয়াৱহ হৈছে। অহায়', ৱাশ্বিংটন ডিচিৰ চিকিৎসালয়ত ভৰ্তি ৰোগীৰ সংখ্যা হঠাতে ২৭ শতাংশ বৃদ্ধি পাইছে।



## আৰক্ষীক আক্ৰমণৰ প্ৰতিশোধ ঃ ২৪ ঘণ্টাত কাশ্মীৰত ধৰাশায়ী ন সন্ত্ৰাসবাদী


**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩১ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ শ্ৰীনগৰত পন্থা চ'কত আৰক্ষীৰ পাছত আক্ৰমণ সংঘটিত কৰা ন সন্ত্ৰাসবাদীক যোৱা ২৪ ঘণ্টাত ধৰাশায়ী কৰিলে নিৰাপত্তা বাহিনীয়ে। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি সংঘৰ্ষত নিহত আটাইকেইজন সন্ত্ৰাসবাদী জইচ-ই-মহম্মদৰ সদস্য আছিল। কালি নিৰাপত্তা বাহিনীয়ে ছজন সন্ত্ৰাসবাদীক হত্যা কৰিছিল আৰু আজি পন্থা চ'কত পুনৰ তিনিজন সন্ত্ৰাসবাদীক এক সংঘৰ্ষত ধৰাশায়ী কৰে। এই ঘটনাত চাৰিজন সেনাও আহত হৈছে। ২০২১ বৰ্ষত কাশ্মীৰত এশৰো অধিক সফল সন্ত্ৰাসবাদ বিৰোধী অভিযানত নিৰাপত্তা বাহিনীয়ে ১৮২ জন সন্ত্ৰাসবাদীক হত্যা কৰে।




## মাদক মাফিয়াৰ আক্ৰমণত মেক্সিকোত নিহত আঠজন

**নিউজ ব্যুৰ'** মেক্সিকো, ৩১ ডিচেম্বৰ ঃ পুনৰ মাদক মাফিয়াৰ আক্ৰমণত প্ৰাণহানিৰ ঘটনা সংঘটিত হ'ল মেক্সিকোত। কালি চেন্ট্ৰেল মেক্সিকোত দুজন বন্দুকধাৰীয়ে সংঘটিত কৰা গুলিবৰ্ষণৰ ঘটনাত কমেও আঠজন লোকৰ মৃত্যু হ'ল। নিহতসকলৰ মাজত এটি শিশু আৰু এগৰাকী কিশোৰীও আছে। গুৰুতৰভাৱে আহত তিনিজন সম্প্ৰতি চিকিৎসাধীন হৈ আছে। মটৰ চাইকেলেৰে অহা মাদক মাফিয়াই চিলাও প্ৰদেশত এটা বাসগৃহত এই আক্ৰমণ সংঘটিত কৰে।

## দেশত অ'মিক্ৰনত দ্বিতীয়জন ৰোগীৰ মৃত্যু ৰাজস্থানত



**নিউজ ব্যুৰ', জয়পুৰ, ৩১ ডিচেম্বৰ ঃ** বছৰৰ অন্তিম দিনা ক'ভিড কেন্দ্ৰিক উদ্বেগ বৃদ্ধি পালে দেশবাসীৰ। ভাৰতত অ'মিক্ৰনত আক্ৰান্ত দ্বিতীয়জন ৰোগীয়ে প্ৰাণ হেৰুৱালে। ৰাজস্থানৰ উদয়পুৰৰ বাসিন্দা ৭৩ বছৰীয়া ব্যক্তি এজনৰ কৰ'নাৰ নতুন প্ৰজাতিত সংক্ৰমিত হোৱাৰ ফলত আজি পুৱা মৃত্যু হয়। ব্যক্তিজন কৰ'না 'নিগেটিভ' হোৱাৰ পাছতো একাধিক শাৰীৰিক জটিলতাত ভুগিছিল আৰু তেওঁৰ পুনৰ ক'ভিড পৰীক্ষা কৰাত 'পজিটিভ' ফলাফল লাভ কৰা হৈছিল। শুকুৰবাৰে পুৱাতে চিকিৎসাধীন অৱস্থাত ৰোগীজনে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে মহাৰাষ্ট্ৰৰ বাসিন্দা ৫২ বছৰীয়া এজন অ'মিক্ৰন আক্ৰান্তৰ মৃত্যু হৈছিল।

## দেশৰ দৈনিক সংক্ৰমণ পুনৰ ১৬ হেজাৰৰ অধিক হ'ল, ১,২৭০ জন লোক অ'মিক্ৰনত সংক্ৰমিত

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ ডিচেম্বৰ ঃ** বিগত চাৰিদিনত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ ছহেজাৰৰ পৰা বৃদ্ধি পাই ১৬ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ১৬,৭৬৪ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশত বৰ্তমানলৈকে তিনি কোটি ৪৮ লাখ ৩৮ হেজাৰ ৮০৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। একে সময়তে দেশত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যাও বৃদ্ধি পালে। শুকুৰবাৰলৈকে ভাৰতত ১,২৭০ জন লোক অ'মিক্ৰনত সংক্ৰমিত হ'ল। অৱশ্যে ইতিমধ্যে ৩৭৪ জন অ'মিক্ৰন আক্ৰান্ত সুস্থ হৈ উঠিছে। মহাৰাষ্ট্ৰত ৪৪০, দিল্লীত ৩২০, কেৰালাত ১০৯, গুজৰাটত ৯৭, ৰাজস্থানত ৬৯, তেলেংগানাত ৬২, তামিলনাডুত ৪৬, কৰ্ণাটকত ৩৪, অন্ধ্ৰ প্ৰদেশত ১৬, হাৰিয়ানাত ১৪, ওড়িছাত ১৪ আৰু পশ্চিমবংগত ১১ জন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। দেশৰ আন কে'বাখনো ৰাজ্যত ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্ত লোকক চিনাক্ত কৰা হৈছে। ইফালে, যোৱা ২৪ ঘণ্টাত ভাৰতত ২২০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে দেশত ৯১,৩৬১ জন সক্ৰিয় ক'ভিড ৰোগী আছে।




## মাত্ৰ ৫০ দিনতে অ'মিক্ৰনক কেনেকৈ বশ কৰিলে দক্ষিণ আফ্ৰিকাই ?

**নিউজ ব্যুৰ' জোহান্সবাৰ্গ, ৩১ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ দক্ষিণ আফ্ৰিকাত ধৰা পৰিছিল। সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশে অ'মিক্ৰনৰ আতংকত ভোগাৰ বিপৰীতে মাত্ৰ ৫০ দিনতে ক'ভিডৰ এই নতুন প্ৰজাতিক বশ কৰিবলৈ সফল হ'ল দক্ষিণ আফ্ৰিকা।



আজি দক্ষিণ আফ্ৰিকা চৰকাৰে ঘোষণা কৰি কয় যে দেশখনে অ'মিক্ৰনৰ ঢৌক অতিক্ৰম কৰিবলৈ সফল হ'ল। শেহতীয়াভাৱে দক্ষিণ আফ্ৰিকাত অ'মিক্ৰনৰ সংক্ৰমণ আৰু আক্ৰান্ত ৰোগীৰ মৃত্যুৰ সংখ্যা তেনেই নগণ্য হৈছে। অ'মিক্ৰনৰ প্ৰকোপ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ আফ্ৰিকাত চৰকাৰে সান্ধ্যআইন আৰু অন্যান্য ক'ভিড নিষেধাজ্ঞা ইতিমধ্যে প্ৰত্যাহাৰ কৰিছে। যোৱা নৱেম্বৰৰ আৰম্ভণিতে বটছৱানা আৰু দক্ষিণ আফ্ৰিকাত অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছত ডিচেম্বৰৰ মধ্যভাগলৈকে দক্ষিণ আফ্ৰিকাত কৰ'নাৰ দৈনিক সংক্ৰমণ সৰ্বাধিক ২৩ হেজাৰলৈ বৃদ্ধি পাইছিল। দেশখনত ক'ভিড আক্ৰান্তৰ ৯৫ শতাংশই অ'মিক্ৰনত সংক্ৰমিত হৈছিল। বিগত দুসপ্তাহ ধৰি দক্ষিণ আফ্ৰিকাত অ'মিক্ৰনৰ সংক্ৰমণ ৩০ শতাংশলৈকে হ্ৰাস পায় আৰু চিকিৎসাধীন হোৱা ৰোগীৰ সংখ্যাও যথেষ্ট হ্ৰাস পাইছিল। দক্ষিণ আফ্ৰিকা চৰকাৰে প্ৰকাশ কৰা অনুসৰি কঠোৰ ক'ভিড বিধি বলৱৎকৰণৰ জৰিয়তে দেশখনে অতি কম সময়ৰ ভিতৰত অ'মিক্ৰনৰ সংক্ৰমণ ৰোধ কৰিবলৈ সফল হ'ল। তদুপৰি দক্ষিণ আফ্ৰিকাই টিকাকৰণতো গুৰুত্ব দিছিল। অ'মিক্ৰন প্ৰতিৰোধৰ ক্ষেত্ৰত কঠোৰভাৱে ক'ভিড বিধি পালন কৰাৰ বিকল্প নাই বুলিও দক্ষিণ আফ্ৰিকা চৰকাৰে জানিবলৈ দিয়ে।

## প্ৰথমবাৰ বিশ্বত কৰ'না আক্ৰান্তৰ সংখ্যা ১০ লক্ষাধিক হ'ল



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩১ ডিচেম্বৰ ঃ** দুবছৰ পূৰ্বে বিশ্বত কৰ'নাৰ প্ৰথম সংক্ৰমণ চীনৰ উহানত চিনাক্ত কৰা হৈছিল। দুবছৰীয়া ক'ভিডৰ ব্যাপক সংক্ৰমণৰ ইতিহাসত প্ৰথমবাৰলৈ বিশ্বত দৈনিক কৰ'নাৰ আক্ৰান্তৰ সংখ্যাই ১০ লাখৰ সীমা অতিক্ৰম কৰিলে। আমেৰিকাত ক'ভিডৰ সংক্ৰমণে প্ৰতিদিনে সম্প্ৰতি নতুন অভিলেখ ৰচনা কৰিছে। দেশখনত ক'ভিডৰ সংক্ৰমণ উচ্চতম শিখৰত উপনীত হৈছে। অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ ফলতে আমেৰিকাত ক'ভিড পৰিস্থিতি পুনৰ জটিল হৈছে। বিশ্ব স্বাস্থ্য সংস্থায়ো ইতিমধ্যে সকীয়নি দি কৈছে যে আমেৰিকাসহ বিশ্বৰ বিভিন্ন দেশত অ'মিক্ৰনৰ লগতে ডেল্টা প্ৰজাতিৰ নতুন সংক্ৰমণে পুনৰ অতি ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকা আছে। ইফালে বৃহস্পতিবাৰে ইটালীত ৯৮ হেজাৰ ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। ইটালীত ক'ভিডৰ এই সংক্ৰমণ বৃদ্ধিৰ হাৰ অব্যাহত থাকিলে কমেও ২০ লাখ নাগৰিক গৃহবন্দী হোৱাৰ শংকা প্ৰকট হৈছে। ফ্ৰান্স, ব্ৰিটেইন, আৰ্জেণ্টিনা, বলিভিয়া আৰু অষ্ট্ৰেলিয়াতো ক'ভিডৰ নতুনকৈ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে।

## মুম্বাইত সন্ধিয়াৰ পৰা ৰাজহুৱা স্থানত প্ৰৱেশ নিষিদ্ধ, বাংগালুৰুত কৰা হ'ল পথ বন্ধ

**নিউজ ব্যুৰ', মুম্বাই, ৩১ ডিচেম্বৰ ঃ** কৰ'নাৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ কে'বাখনো চহৰে পুনৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে। মুম্বাইত সন্ধিয়া পাঁচ বজাৰ পৰা ৰাজহুৱা স্থানত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰা হৈছে। কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে মুম্বাই আৰক্ষীয়ে ১৪৪ ধাৰা জাৰি কৰিলে। মুম্বাই আৰক্ষীয়ে মহানগৰবাসীক সন্ধিয়া পাঁচ বজাৰ পৰা পুৱা পাঁচ বজালৈকে সমুদ্ৰ সৈকত, উদ্যান আৰু অন্যান্য ৰাজহুৱা স্থানত প্ৰৱেশ নকৰিবলৈ আহ্বান জনাইছে। অহা ১৫ জানুৱাৰীলৈকে মুম্বাইত এই নিষেধাজ্ঞা বাহাল থাকিব। ইফালে, বাংগালুৰুত সন্ধিয়া ছয় বজাৰ পৰা পুৱা পাঁচ বজালৈকে সকলোবোৰ মুখ্য পথ বন্ধ ৰখা হ'ব। এই সময়ছোৱাত




বাংগালুৰুত নৈশ সান্ধ্যআইন বলৱৎ থাকিব। পুডুচেৰীতো ক'ভিড প্ৰতিৰোধৰ বাবে প্ৰশাসনে নিশা ১১ বজাৰ পৰা পুৱা পাঁচ বজালৈকে সান্ধ্যআইন ঘোষণা কৰিছে। অহা ৩১ জানুৱাৰীলৈকে পুডুচেৰীত নৈশ সান্ধ্যআইন বাহাল থাকিব।

## পঞ্জাৱৰ জনসভা বাতিল কৰি বিদেশলৈ ৰাওনা সাংসদ ৰাহুল

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ ডিচেম্বৰ ঃ** পঞ্জাৱ বিধানসভাৰ নিৰ্বাচন সন্মুখত আৰু এনে সময়তে নিৰ্বাচনী প্ৰচাৰৰ পৰা আঁতৰি আহি বিদেশলৈ যাত্ৰা কৰিলে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে। অহা তিনি জানুৱাৰীত পঞ্জাৱৰ মোগাত ৰাহুলে জনসভাত অংশ লোৱাৰ কথা আছিল যদিও এই জনসভা বাতিল কৰি কংগ্ৰেছ সাংসদজনে বিদেশ অভিমুখে ৰাওনা হ'ল। নতুন বছৰৰ আৰম্ভণিতে পঞ্জাৱ, উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশসহ একাধিক ৰাজ্যত বিধানসভাৰ নিৰ্বাচনী অনুষ্ঠিত হ'ব আৰু এই গুৰুত্বপূৰ্ণ নিৰ্বাচনৰ পূৰ্বে ৰাহুলে এইদৰে জনসভা বাতিল কৰি বিদেশলৈ যাত্ৰা কৰা ঘটনাই কংগ্ৰেছতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বিজেপিয়ে ৰাহুলক 'পাৰ্টটাইম ৰাজনীতিবিদ' বুলি প্ৰায়ে কটাক্ষ কৰি আহিছে। কংগ্ৰেছৰ মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি ৰাহুলে ব্যক্তিগত কামত বিদেশলৈ যাত্ৰা কৰিছে।



## কৰ্ণাটকৰ পৌৰ নিৰ্বাচনত কংগ্ৰেছৰ জয়, মুখ্যমন্ত্ৰীৰ সমষ্টিতো পৰাজয় বিজেপিৰ



**নিউজ ব্যুৰ', বাংগালুৰু, ৩১ ডিচেম্বৰ ঃ** কৰ্ণাটকৰ ৫৮ খন চহৰৰ স্থানীয় নিৰ্বাচনত একক বৃহত্তম দল হিচাপে পৰিচিত হ'ল কংগ্ৰেছ। বৃহস্পতিবাৰে ৫৮ পৌৰসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছিল। অৰ্ধ শতাধিক চহৰত মুঠ ১,১৮৪ ৱাৰ্ডত নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ইয়াৰে ৪৯৮ ৱাৰ্ড দখল কৰিলে কংগ্ৰেছে। ৰাজ্যৰ ক্ষমতাধিষ্ঠিত বিজেপিয়ে লাভ কৰিলে ৪৩৭ ৱাৰ্ড। আনহাতে, জে ডি এছে ৪৫ আৰু নিৰ্দলীয় ২০৪ ৱাৰ্ডত জয়লাভ কৰে। চহৰ পৌৰসভাৰ ১১৬ আসনত ৬১ কংগ্ৰেছে আৰু ৬৭ খন বিজেপিয়ে দখল কৰে। আনহাতে, নগৰ পৌৰসভাৰ ৪৪১ আসনৰ ২০১ খন কংগ্ৰেছে আৰু ১৭৬ বিজেপিয়ে লাভ কৰে। মুখ্যমন্ত্ৰী বাসৱৰাজ বৌম্মাইৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঁকাপুৰ পৌৰ সভা আৰু গুট্টাল নগৰ পঞ্চায়তো কংগ্ৰেছে দখল কৰিলে।

## উত্তৰ প্ৰদেশত অখিলেশৰ ঘনিষ্ঠ সুগন্ধী ব্যৱসায়ীৰ ঘৰত আয়কৰৰ তালাচী

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩১ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ সুগন্ধী ব্যৱসায়ী তথা সমাজবাদী পাৰ্টিৰ বিধানমণ্ডলৰ সদস্য পুষ্পৰাজ জৈনৰ বাসগৃহত আজি পুৱাতে তালাচী অভিযান চলালে আয়কৰ বিভাগে। কনৌজত থকা পুষ্পৰাজৰ বাসগৃহৰ লগতে একাধিক স্থানত তালাচী সম্পন্ন কৰিলে আয়কৰৰ বিষয়াই। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৰাজ্যখনৰ আন এজন সুগন্ধি ব্যৱসায়ী পীযূষ জৈনৰ বাসগৃহত তালাচী চলাই আয়কৰৰ বিষয়াই দুশ কোটি টকা নগদ ধনসহ প্ৰায় এহেজাৰ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত কৰিছিল। এইবাৰ অখিলেশ ঘনিষ্ঠ আনজন সুগন্ধি ব্যৱসায়ী পুষ্পৰাজৰ বাসগৃহত আয়কৰে তালাচী চলোৱাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে পুষ্পৰাজে সমাজবাদী পাৰ্টিৰ নামত এবিধ সুগন্ধী মুকলি কৰিছিল আৰু এই অনুষ্ঠানত অখিলেশো উপস্থিত আছিল। সমাজবাদী পাৰ্টিয়ে আয়কৰৰ এই অভিযানক আজি ৰাজনৈতিৰ উদ্দেশ্যপ্ৰণোদিত বুলি অভিহিত কৰে।



## ভাৰতৰ উদ্বেগ বৃদ্ধি কৰি ২৫খন চীনা যুঁজাৰু বিমান ক্ৰয় পাকিস্তানৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩১ ডিচেম্বৰ ঃ** ভাৰতৰ অত্যাধুনিক ৰাফেল যুঁজাৰু বিমানক প্ৰত্যাহ্বান জনাবলৈ চীনৰ পৰা ২৫ খন জে-১০ চি যুঁজাৰু বিমান ক্ৰয় কৰিলে পাকিস্তানে। ২০২২ৰ ২৩ মাৰ্চত পাকিস্তান দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দেশখনে এই যুঁজাৰু বিমানকেইখন বায়ুসেনাত অন্তৰ্ভুক্ত কৰিব। তাৎপৰ্যপূৰ্ণভাৱে, পাকিস্তানী বায়ুসেনাৰ হাতত আমেৰিকাত তৈয়াৰ কৰা অত্যাধুনিক এফ-১৬ যুঁজাৰু বিমান আছে। ৰাফেলৰ স'তে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'বলৈ এফ-১৬ যুঁজাৰু বিমান সম্পূৰ্ণৰূপে সক্ষম। কিন্তু ইয়াৰ পাছতো একমাত্ৰ ভাৰতৰ উদ্বেগ বৃদ্ধি কৰিবলৈকে পাকিস্তানে ২৫খনকৈ জে-১০ চি যুঁজাৰু বিমান চীনৰ পৰা ক্ৰয় কৰিলে।

## উত্তৰ প্ৰদেশত সন্মুখত নিৰ্বাচন, ৮২ দিনে সন্ধানহীন মায়াৱতী



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩১ ডিচেম্বৰ ঃ** নিৰ্বাচন আয়োগে ঘোষণা কৰা অনুসৰি, কৰ'নাৰ সংক্ৰমণৰ পাছতো উত্তৰ প্ৰদেশত নিৰ্দিষ্ট সময়তে বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। সন্মুখত নিৰ্বাচন যদিও বিগত প্ৰায় ৮২ দিন ধৰি উত্তৰ প্ৰদেশৰ ৰাজনীতিত প্ৰায় নিষ্ক্ৰিয় হৈ আছে বহুজন সমাজ পাৰ্টিৰ নেত্ৰী মায়াৱতী। ৰাজ্যখনত বিজেপি, সমাজবাদী পাৰ্টিয়ে নিৰ্বাচনী তৎপৰতা বৃদ্ধি কৰাৰ সময়ত কোনো জনসভাত অংশ লোৱা প্ৰত্যক্ষ হোৱা নাই মায়াৱতী। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মায়াৱতীয়ে এইদৰে নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত নীৰৱতা অৱলম্বন কৰাক লৈ ৰাজনৈতিক মহলত প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে মায়াৱতীয়ে অন্তিমবাৰৰ বাবে যোৱা ন অক্টোবৰত কাশীৰামৰ মৃত্যু তিথিত এখন জনসভাত অংশ লৈছিল। ইয়াৰ পাছত কে'বাখনো সংবাদমেলত মায়াৱতীয়ে অংশ ল'লেও কোনো জনসভা, নিৰ্বাচনী সমদল আদিত অংশ লোৱা নাই।

■ এজেণ্টসকলৰ কমিছন ১৮,৭৩,৪৭৫ টকা সোমাল ব্যক্তিগত একাউণ্টত ■ সংবাদমেলযোগে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী

# বিটিআৰৰ সমবায় সমিতিৰ কমিছন বিতৰণত বিসংগতি

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৩১ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনত অসম চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা চাউল বিতৰণ কৰা এজেণ্টসকল মাহৰ পাছত মাহ ধৰি নিম্নতম কমিচন নিদিয়াত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে সদৌ বি টি এ ডি সুলভ মূল্যৰ এজেণ্ট সন্থাৰ সভাপতি দেবেন চন্দ্ৰ বড়ো আৰু সম্পাদক ধৰ্মেশ্বৰ বৰাই । পৰহি বাগসা জিলাৰ গোৰেশ্বৰ সমবায় সমিতি লিমিটেডৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত বড়োৱে কয় যে- চৰকাৰে সুলভ মূল্যৰ দোকানীসকলক চাউল বিতৰণ কৰাৰ বাবদ প্ৰতি কুইণ্টলত ১০০.১০ টকা আৰু সমবায় সমিতিয়ে পায় প্ৰতি কুইণ্টলত ৪২.৯০ টকা । ২০১৫ত ডিচেম্বৰত এই আইনখন বলৱৎ হোৱাৰ পিছৰে পৰা ২০১৭ৰ ছেপ্তেম্বৰ মাহলৈ সুলভ মূল্যৰ দোকানীসকলৰ কমিছন চৰকাৰে সমবায় সমিতিৰ একাউণ্টত আদায় দিছিল যদিও একাংশ দোকানীয়ে সেই ধন আদায় পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। উল্লেখ্য যে একেখন জিলাৰে মুছলপুৰ মহকুমাৰ অন্তৰ্গত সুলভ মূল্যৰ দোকানীসকলৰ কমিছন) ধন ২০১৬ৰ জুলাইৰ পৰা ২০১৭ৰ জানুৱাৰীলৈ সমবায় সমিতিৰ বেংক একাউণ্টত জমা দিয়ে। তদ্ৰূপ তামুলপুৰ মহকুমাৰ অন্তৰ্গত ১১ খন সমবায় সমিতিক ২০১৭ৰ মাৰ্চৰ পৰা ছেপ্টেম্বৰ মাহলৈ পূৰ্বৰ ৪২.৯০ টকাৰ পৰিবৰ্তে ৬৪.৪৪ টকা কমিচনৰে ৩৯,৩০৭ টকাকৈ আদায় দিয়ে চৰকাৰে। দুখৰ বিষয় যে সেই কমিছনৰ ধন আদায় নাপালে সুলভ মূল্যৰ দোকানীসকলে। ইপিনে, আকৌ তামুলপুৰ মহকুমাৰ অন্তৰ্গত ১১ খন সমবায় সমিতিয়ে ২০১৮ৰ মাৰ্চৰ কমিচন দুবাৰকৈ আদায় লয়। যিটো সময়ত সুলভ মূলৰ দোকানীসকলে প্ৰাপ্য কমিচনৰ বাবে হাহাকাৰ অৱস্থা সৃষ্টি হৈ পৰিয়ালক ভৰণ-পোষণ দিয়াৰ বাবে দিন হাজিৰা কৰিবলৈ বাধ্য হৈছে ঠিক তেনে সময়তে চৰকাৰে বিসংগতিপূৰ্ণভাৱে বিতৰণ কৰা কাৰ্যক তীব্ৰ সমালোচনা কৰে । উল্লেখ্য যে মছলপুৰ মহকুমাৰ অন্তৰ্গত ন খন সমবায় সমিতিৰ অনাদায় ধন ১৮,৭৩,৪৭৫ টকা আদায় দিয়াৰ বাবে মছলপুৰ যোগান বিভাগে কোকৰাঝাৰ যোগান বিভাগৰ চিএছডি লৈ নিজা নিজা বেংক একাউণ্ট জমা দিয়ে যদিও উল্লিখিত ধন দুই নম্বৰ উত্তৰ বাগ্‌সা সমবায় সমিতিৰ সম্পাদক প্ৰবীণ কলিতাৰ ব্যক্তিগত বেংক একাউণ্টত উক্ত ধনৰাশি সোমায়। সেয়েহে ইয়াৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে দাবী উত্থাপন কৰিছে সভাপতি-সম্পাদকে । সংবাদ মেলত উপস্থিত থাকে সুলভ মূল্যৰ এজেণ্ট সন্থাৰ মুখ্য উপদেষ্টা মিত্ৰলাল খৰেল, উপ সভাপতি লক্ষেশ্বৰ দাস, বাগসা জিলাৰ সম্পাদক তনুৰাম সূত্ৰধৰ আৰু কৃষ্ণ ৰয়ে ।



বৰহোলাত চাফাই-প্লাষ্টিক বৰ্জন অভিযান, শুকুৰবাৰে।

# মৰিয়নিত হেলমেট, মাস্ক, সুৰাপায়ীৰ বিৰুদ্ধে অভিযান

■ সাৰি যোৱা নাই আৰক্ষী বিষয়াও

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৩১ ডিচেম্বৰ ঃ** নতুন বছৰলৈ মাজতে এদিন বাকী থকাৰ সময়ত ৰাজ্যত সুৰাপায়ীৰ লগতে হেলমেট নিপিন্ধা, মাস্ক ব্যৱহাৰ নকৰা লোকৰ বিৰুদ্ধে আৰক্ষী আৰু পৰিবহণ বিভাগে অভিযান তীব্ৰতৰ কৰি তুলিছে। মৰিয়নিও বাদ পৰি যোৱা নাই। মৰিয়নিত দৈনিক এনে লোকৰ বিৰুদ্ধে অভিযান চলাইছে আৰক্ষীৰ লগতে পৰিবহণ বিভাগে। পৰিবহণ বিভাগে বিশেষকৈ দুচকীয়া বাহনত হেলমেট পৰিধান নকৰা আৰু চাৰিচকীয়া বাহনত ছিট বেল্ট ব্যৱহাৰ নকৰা লোকৰ বিৰুদ্ধে ব্যাপক অভিযান চলাইছে। যোৰহাটৰ পৰিবহণ বিভাগৰ এটা দলে মৰিয়নি আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত অভিযান চলাইছে। একেদৰে মৰিয়নিৰ আৰক্ষীয়ে হেলমেট নিপিন্ধা মটৰ চাইকেল চালক আৰু আৰোহীৰ লগতে মাস্ক ব্যৱহাৰ নকৰা লোকৰ বিৰুদ্ধেও অভিযান চলাইছে। শেহতীয়াকৈ চৰকাৰে ৰাজহুৱা স্থানত মাস্ক ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰাৰ পাছতেই মাস্ক ব্যৱহাৰ নকৰা লোকৰ বিৰুদ্ধে পুনৰ অভিযান আৰম্ভ হৈছে। দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে মাস্ক নিপিন্ধা লোকৰ বিৰুদ্ধে অভিযান চলাইছে। এনে নিয়ম ভংগ কৰা লোকক তাৎক্ষণিকভাৱে জৰিমনা বিহা হৈছে। আনহাতে, আৰক্ষীয়ে সুৰাপান কৰি বাহন চলোৱা লোকৰ বিৰুদ্ধেও অভিযান চলাইছে। 'ব্ৰেথ এনালাইজাৰ'ৰ সহায়ত সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযান চলাই তেনেলোকক জৰিমনা বিহা হৈছে। আমোদজনকভাৱে আৰক্ষীৰ এনে অভিযানৰ পৰা স্বয়ং আৰক্ষী বিষয়াও বাদ পৰি যোৱা নাই। মৰিয়নি আৰক্ষী থানাৰ এজন উপ-পৰিদৰ্শকে সুৰাপান কৰি কৰ্তব্যৰত অৱস্থাত থকাত তিতাবৰ মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাই পৰীক্ষা কৰোৱায়। পাছত সুৰাপান কৰি থকাটো প্ৰমাণ হোৱাত তেওঁক দুহেজাৰ টকাৰ জৰিমণা বিহে বুলি জানিব পৰা গৈছে। আৰক্ষী আৰু প্ৰশাসনে সুৰাপান কৰি বাহন নচলাবলৈ আহ্বান জনোৱাৰ লগতে চৰকাৰী নিয়ম মানি মাস্ক, হেলমেট, ছিট বেল্ট আদিৰ ব্যৱহাৰ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

# শোণিতপুৰৰ চাৰিখন পৌৰসভা অঞ্চলৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩১ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ অধিসূচনা আৰু ১৯৫৬ৰ অসম পৌৰ আইনৰ ধাৰা ১৪ অনুসৰি শোণিতপুৰ জিলাৰ অন্তৰ্গত চাৰিখন পৌৰসভাৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰা হৈছে। জিলাখনৰ চাৰিখন পৌৰসভা অঞ্চলৰ সকলো ভোট গ্ৰহণ কেন্দ্ৰৰ ভোটাৰ ৰাইজৰ পৰ্যবেক্ষণৰ বাবে ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকাসমূহ একাধিক স্থানত ৰাইজৰ সুবিধাৰ্থে ৰখা হৈছে। কালি প্ৰকাশিত এক চৰকাৰী বিজ্ঞপ্তিত এই বিষয়ে প্ৰকাশ কৰি উল্লেখ কৰা মতে, তেজপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়ত ভোটাৰ তালিকাসমূহ ৰখাৰ বিপৰীতে ঢেকিয়াজুলি পৌৰসভাৰ ভোটাৰৰ বাবে ঢেকিয়াজুলি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ঢেকিয়াজুলি পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয় আৰু ঢেকিয়াজুলি আৰক্ষী থানাত এই তালিকা উপলব্ধ হ'ব। এনেদৰে জামুগুৰিহাট পৌৰসভা অঞ্চলৰ বাবে উপযুক্ত কাৰ্যালয়, জামুগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়, চতিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু জামুগুৰি আৰক্ষী থানাত আৰু ৰঙাপৰাৰ বাবে ৰঙাপৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়, ৰঙাপৰা আৰক্ষী থানা, চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ভোটাৰ তালিকা ৰাইজৰ বাবে উপলব্ধ কৰোৱা হ'ব। বিবৃতিটোত ইচ্ছুক ভোটাৰ ৰাইজে তেওঁলোকৰ নাম ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকাত অন্তৰ্ভুক্তি নিশ্চিতকৰণ সন্দৰ্ভত এই কাৰ্যালয়সমূহত পৰ্যবেক্ষণ কৰিব পাৰিব বুলি কেউটা পৌৰসভাৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াসকলে প্ৰকাশ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে।

# জনীয়াৰ বাংলীপাৰাত ভূমি বিবাদক কেন্দ্ৰ কৰি এজনক আঘাত

**কলগাছিয়া, ৩১ ডিচেম্বৰ ঃ** একেই পৰিয়ালত পুনৰ সংঘটিত হয় লোমহৰ্ষক ঘটনা। ২০২০ৰ ৩১ ডিচেম্বৰত ভূমি বিবাদক কেন্দ্ৰ কৰি নিজ দুই ভ্ৰাতৃক হত্যা কৰিছিল নুৰ মহম্মদে। এবছৰ পাৰ নৌহওঁতেই ভূমি বিবাদক কেন্দ্ৰ কৰি কালি পুনৰ নিজৰ ভতিজা আমজাদ আলীক ডেগাৰেৰে ঘপিয়ায় নুৰে। পাছত সংকটজনক অৱস্থাত আমজাদক বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। এনে ঘটনা সংঘটিত হয় বৰপেটা সদৰ থানাৰ জনীয়া অন্তৰ্গত বাংলীপাৰা গাঁৱত। উল্লেখ্য যে ইছলামে নিজৰ ল'ৰাক লৈ পুখুৰীক মাছ ধৰিব যাওঁতে পূৰ্ব পৰিকল্পিতভাৱে নুৰে আক্ৰমণ কৰে নুৰুল আৰু তেওঁৰ পুত্ৰ আমজাদক। ইয়াৰ পূৰ্বেও মহম্মদ দুই ভ্ৰাতৃক হত্যা কৰি জেল হাজোত খাটি জামিনত ঘৰত আহি পুনৰ অইন ভ্ৰাতৃক হত্যা কৰাৰ ভাবুকি দি আহিছিল। এই সম্পৰ্কে বৰপেটা থানাত অৱগত কৰে যদিও আৰক্ষী উপ-পৰিদৰ্শক গোপাল দাসে সু-ব্যৱস্থা লোৱাৰ বিপৰীতে ভুক্তভোগী পৰিয়ালক আপোচ কৰি তাগিদা দি আহিছে।

# মটৰ চাইকেল চোৰ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩১ ডিচেম্বৰ ঃ** আৰক্ষীয়ে কালি সন্ধিয়া গোৱালপাৰা চহৰৰ উপকণ্ঠ অঞ্চল মৰিয়ম নগৰৰ পৰা চোৰসহ চুৰি মটৰ চাইকেল এখন উদ্ধাৰ কৰে। কালি দিনৰ ১২ বজাত গোৱালপাৰা চহৰৰ ভাটিপাৰাৰ আছানুল আহমেদৰ ঘৰৰ সন্মুখৰ পৰা তেওঁৰ এএছ-১৮ ই-৬৪৯৩ নম্বৰৰ মটৰ চাইকেলখন চুৰি হয়। পাছত বিষয়টো গুৰুত্ব সহকাৰে লৈ গোৱালপাৰাৰ উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মাই অভিযান চলাই মৰিয়ম নগৰৰ হাবিৰ কাষৰ পৰা মটৰ চাইকেলখন উদ্ধাৰ কৰে। লগতে আচিকুল হক নামৰ চোৰ এজনকো গ্ৰেপ্তাৰ কৰে। ইপিনে, এন্ধাৰৰ সুযোগ লৈ ছিৰাজুল হক নামৰ মূল অভিযুক্তজন পলায়ন কৰে।

# হাতত ফুলাম গামোচা লৈ গোলাঘাট নগৰৰ ৰাজপথত উপায়ুক্ত-আৰক্ষী অধীক্ষক

বিশেষ সংবাদদাতা

**গোলাঘাট, ৩১ ডিচেম্বৰ ঃ** হাতত ফুলাম গামোচা লৈ গোলাঘাট নগৰৰ ৰাজপথত গোলাঘাট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক ইজনৰ পাছত সিজন মটৰ চাইকেল চালক আৰু আৰোহীক জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা আৰু আৰক্ষী অধীক্ষক সুমিত শৰ্মাই নমস্কাৰ জনাই পিন্ধাই গৈছে ফুলাম গামোচা। পিছে হঠাতে প্ৰশাসনৰ দুই মুৰব্বীৰ এই ব্যতিক্ৰমী অভিনন্দন কাৰ্যসূচী। উল্লেখ্য যে আইন মনাক আদৰিছে গামোচাৰে আৰু আইন নমনাক ভালদৰেই বিহিছে জৰিমনা। পৰিবহণ আইন অনুসৰি মটৰ চাইকেল চালক আৰু আৰোহীয়ে হেলমেট পৰিধানক লৈ জিলা প্ৰশাসনে গোলাঘাটত অভিযান চলায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইংৰাজী নতুন বছৰৰ আৰম্ভণিতে উদণ্ড চালকক নাকী লগোৱাৰ কঠোৰ নিৰ্দেশ দিয়াৰ পাছতেই সন্থম হৈ পৰিছে জিলা প্ৰশাসন আৰু আৰক্ষী। ৰাজপথত বাহৰ পাতিছে স্বয়ং উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক। জিলাখনৰ বিভিন্ন ঠাইত আকস্মিকভাৱে অব্যাহত ৰাখিছে অভিযান। লগত আছে জিলা পৰিবহণ বিষয়া দিব্যজ্যোতি কাৰ্জি। জিলা প্ৰশাসনৰ এনে তৎপৰ ভূমিকাক ৰাইজে আদৰণি জনাইছে।

# লাহৰীঘাটত পকীপথ নিৰ্মাণত অনিয়ম

■ নীৰৱ লোক নিৰ্মাণ বিভাগ ■ ঠিকাদাৰে কেৰেপ নকৰে মুখ্যমন্ত্ৰীক

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ৩১ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত পথ নিৰ্মাণত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি পৰহি স্থানীয় ৰাইজে নৰ্মাণকাৰী সংস্থাক সকীয়নি দিয়ে । উল্লেখ্য যে মৰিগাঁও-কুশতলি-বগলীপাৰা সংযোগী পকী পথ নিৰ্মাণ কাৰ্য চলি আছে পূৰ্ণগতিত। কিন্তু পকী পথটো নিৰ্মাণ কাৰ্য চলিছে বিসংগতিপূৰ্ণভাৱে। পথছোৱাৰ নিৰ্মাণকাৰ্য অতি নিম্ন মানৰ হোৱাৰ অভিযোগ ৰাইজৰ । ঠিকাদাৰে পালমাৰি সামৰিছে নিৰ্মাণ কাৰ্য । যাৰ বাবে পথ নিৰ্মাণৰ পূৰ্বৰ কৰণীয়খিনি কৰা নাই নিৰ্মাণকাৰী সংস্থাটোৱে । এইবোৰ দেখি শুনিও নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰি গৈছে মৰিগাঁও লোক নিৰ্মাণ বিভাগ গ্ৰাম্য সংমণ্ডল। বিভাগীয় বিষয়াৰ দায়িত্বহীনতা আৰু ঠিকাদাৰৰ পাল মৰা নীতি, বিৰুদ্ধে আজি স্থানীয় ৰাইজে নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি পথ নিৰ্মাণকাৰ্য ভালদৰে কৰাৰ বাবে সকীয়নি দিয়ে । উল্লেখ্য যে গুৱাহাটীৰ আৰ কে কনষ্ট্ৰাক্সন নামৰ নিৰ্মাণকাৰী সংস্থাটোৱে মৰিগাঁও-কুশতলি-বগলীপাৰা পথছোৱাৰ নিৰ্মাণ কাৰ্য চলাই আছে । স্মৰ্তব্য যে এটা অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ মাপ কাঠি হৈছে সেই অঞ্চলটোৰ যাতায়াত যোগাযোগ ব্যৱস্থা। কিন্তু উন্নত মানৰ এটা পথ নিৰ্মাণকাৰ্য পৰ্যবেক্ষণৰ দায়িত্বত থকা সংশ্লিষ্ট বিভাগৰ বিষয়া, অভিযন্তাৰ দায়িত্বহীনতা হেঙাৰ হৈ পৰিছে এই ক্ষেত্ৰত। তাৰে এক উদাহৰণ হ'ল মৰিগাঁও - কুশতলি - বগলীপাৰা পথটো । আনহাতে, স্বয়ং মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধীনত থকা গড়কাপ্তানী বিভাগ এটাত অনিয়ম সংঘটিত কৰিবলৈ কুণ্ঠাবোধ নকৰা নিৰ্মাণকাৰী সংস্থা আৰু তেনে কৰ্মত হাত উজান দিয়া বিভাগীয়া বিষয়া-অভিযন্তাৰ বিৰুদ্ধে কি স্থিতি গ্ৰহণ কৰা হয় সেয়া লক্ষ্যণীয় হ'ব।

# তামুলপুৰত হেলমেট নথকা মটৰ চাইকেল চালকৰ বিৰুদ্ধে বাগ্‌সা জিলা পৰিবহণ বিভাগৰ অভিযান



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩১ ডিচেম্বৰ ঃ** কালি জিলাখনৰ ৰঙিয়া-ভূটান পথত পথত তামুলপুৰ আৰক্ষী থানাৰ সন্মুখত জিলা পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে তামুলপুৰ আৰক্ষী আৰু আৱকাৰী বিভাগৰ সহযোগত আইন উলংঘা কৰা যানবাহনৰ বিৰুদ্ধে অভিযান চলায়। অভিযান কালত হেলমেট পৰিধান নকৰা প্ৰায় ৩০খন দুচকীয়া বাহনৰ গৰাকীক এহেজাৰ জৰিমনা বিহে। তদুপৰি নথি পত্ৰ নথকা কে'বাখনো তিনিচকীয়া বাহন জব্দ কৰি নথি-পত্ৰ নথকা বাহনকেইখনৰ বিৰুদ্ধে যানবাহন আইনৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰে। নৱবৰ্ষৰ আনন্দ উপভোগ কৰাক লৈ ৰাজ্যখনত যাতে দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা পৰিবহণ বিভাগৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জিলা পৰিবহণ বিভাগৰ এনফ'ৰ্চমেণ্ট পৰিদৰ্শক সত্যনাথ বড়োৱে কয়।

# হোজাইৰ জোৰাপুখুৰীত হোজাই জিলা পৰিবহণ বিভাগৰ অভিযান

অগ্ৰদূত বাৰ্তা

**লংকা, ৩১ ডিচেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে হোজাই জিলাতো পৰিবহণ বিভাগে আৰক্ষীৰ সহযোগত যানবাহনৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। বিশেষকৈ মটৰ চাইকেলত যোৱাসকলৰ হেলমেট, নথিপত্ৰ নাথাকিলে জৰিমনাস মটৰ চাইকেলত দুজন আৰোহী থাকিলে আৰু দুয়োজনৰ মূৰত হেলমেট নাথাকিলে দুগুণকৈ জৰিমণা কৰা হয়। চাৰিচকীয়া বাহনৰ চালকৰ ছিটবেল্ট পৰিধান নকৰা চালককো জৰিমনা কৰা হয়। ৩১ ডিচেম্বৰৰ পূৰ্বে মটৰ চাইকেল চালক আৰু আৰোহী উভয়ে হেলমেট পৰিধান নকৰা দুচকীয়া বাহনৰ বিৰুদ্ধে হোজাই জিলা প্ৰশাসন, হোজাই জিলা পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে আৰক্ষীৰ সহযোগত জোৰাপুখুৰীত তীব্ৰ অভিযান আৰম্ভ কৰিছে।

# সৰ্বশিক্ষাৰ অধীনস্থ তৃতীয়-চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ চাকৰিৰ নিৰাপত্তাৰ দাবীত সৃজনগ্ৰামত অৱস্থান



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৩১ ডিচেম্বৰ ঃ** অসম সৰ্বশিক্ষা মিছন অভিযানৰ অধীনস্থ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ চাকৰিৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত যোৱা ২৯ ডিচেম্বৰত বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ সন্মুখত অৱস্থান কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত আঁচনিখনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ মুঠ ১৭২৮ গৰাকী কৰ্মচাৰীয়ে বিগত ২০০২পৰা নিষ্ঠা আৰু সততাৰে কাৰ্যনিৰ্বাহ কৰি আহিছে যদিও আজি পৰ্যন্ত চাকৰি নিশ্চিত নহ'ল। এই সন্দৰ্ভত সদৌ অসম সৰ্বশিক্ষা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ঐক্যমঞ্চই ৰাজ্য চৰকাৰক বাৰম্বাৰ আবেদন-নিবেদন জনোৱাৰ পাছতো কোনো সঁহাৰি নিদিয়াত কালিৰে পৰা ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। কৰ্মচাৰী ঐক্যমঞ্চই সৰ্বশিক্ষা মিছনৰ অন্তৰ্গত সকলো কৰ্মচাৰীৰ পদ বেতন সুৰক্ষাসহ ৬০ বছৰলৈকে বাহাল ৰখাৰ লগতে অন্য ঠিকাভিত্তিক কৰ্মচাৰীৰ দৰে উক্ত আঁচনিৰ অধীনস্থ কৰ্মচাৰীসকলকো 'নিয়মীয়াকৰণ'ৰ আওতালৈ আনি সকলো সুবিধা, ভাট্টা প্ৰদানৰ লগতে টাইম স্কেল, পদোন্নতিৰ ব্যৱস্থা কৰা, বিগত ৩০মাহে পাবলগীয়া মৰগীয়া বানচ শীঘ্ৰে মোক'লাই দিয়াকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত কৰ্মচাৰীসকলে সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত কৰ্মৰত কৰ্মচাৰীসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

# মৰাণৰ চেপন চাহ বাগিচাৰ হাস্পতালত ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যক্ৰম ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩১ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় ডিব্ৰুগড় জিলাৰ উদ্যোগত তথা খোৱাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত চিকিৎসকৰ দলে এটাই যোৱা ২৮ ডিচেম্বৰত মৰাণৰ চেপন চাহ বাগিচাৰ হাস্পতালত ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যক্ৰম ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচীৰ জৰিয়তে স্বাস্থ্য পৰীক্ষা দ্বাৰা জন্মৰ পৰা ১৮ বছৰ বয়সলৈ শিশুৰ ৩৭টা বেমাৰ আগতীয়াকৈ চিনাক্ত কৰি সময়োপযোগী চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰে। কাৰ্যসূচীত বাগিচাখনৰ কিশোৰ-কিশোৰী তথা শিশুসকলক স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা গ্ৰহণ কৰা হয়। খোৱাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া ডাঃ ঘনশ্যাম সোণোৱাল, স্বাস্থ্যকৰ্মীক্ৰমে ৰাণু শইকীয়া, পংকজ শৰ্মা, মানসী বৈৰী, সাগৰিকা চাংমাইসহ চিকিৎসকৰ দলে চিকিৎসা প্ৰদান কৰে।

# জাঁজী মহাবিদ্যালয়ত শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ বক্তৃতানুষ্ঠান আয়োজন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩১ ডিচেম্বৰ ঃ** জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত অহা চাৰি জানুৱাৰীত দিনৰ এক বজাৰ পৰা এটি বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব সাহিত্য একাডেমী বঁটা বিজয়ী বিশিষ্ট অনুবাদক তথা দিগন্ত বিশ্ব শৰ্মাই। ২০১৩ত মহাবিদ্যালয়ৰ অনুদান আয়োগৰ অনুমোদনত প্ৰতিষ্ঠা হোৱা শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে অনুষ্ঠিত কৰিবলৈ লোৱা বক্তৃতামালাৰ প্ৰথম বক্তৃতা হিচাপে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত এই অনুষ্ঠান আয়োজন কৰা হৈছে বুলি কেন্দ্ৰৰ সঞ্চালক তথা সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই জানিবলৈ দিয়ে।

# শিক্ষক ডম্বৰু শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ৩১ ডিচেম্বৰ ঃ** পৰহি পুৱা ছয় বজাত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ডম্বৰু শইকীয়াৰ আকস্মিকভাৱে মৃত্যু হয়। পুৱা পৰিয়ালৰ লোকসকলে শুই থকা অৱস্থাত অসুস্থ দেখা পাই বৰহোলা সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অৱসৰলৈ এবছৰ থকা ডম্বৰু শইকীয়াৰ ৫৯ বছৰ হৈছিল। বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ আগতে শইকীয়াই ইকৰাণি কৃষি প্ৰধান কাৰিকৰী উচ্চ ইংৰাজী বিদ্যালয়ত বিদ্যালয়খন চৰকাৰীকৰণ হোৱাৰ আগৰ পৰাই শিক্ষকতা কৰিছিল আৰু বিদ্যালয়খন চৰকাৰীকৰণ হোৱাৰ পাছত প্ৰায় ছবছৰ দিন শিক্ষকতা কৰি বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলিকৰণ হয়। মৃত্যুৰ সময়ত পত্নী দুজন পুত্ৰ এৰি যায়।

# বিহপুৰীয়াত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰ প্ৰশিক্ষণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৩১ ডিচেম্বৰ ঃ** যোৱা ২৮ ডিচেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে বিহপুৰীয়া প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ জিলা পৰ্যায়ৰ সমল ব্যক্তিৰ এটি প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। বিহপুৰীয়া এক নম্বৰ নগৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণত বিহপুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ৩২টা মণ্ডল সমল কেন্দ্ৰৰ মুঠ ৬৪ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰথম দিনা খণ্ড মিছন সমন্বয়ক আব্দুৰ ৰাজ্জাকে উদ্বোধন কৰা প্ৰশিক্ষণত লোচন কুমাৰ ভূঞা, মুনিন ভূঞাই সমল ব্যক্তি হিচাপে উপস্থিত থাকে। দ্বিতীয় দিনা জিলা আঁচনি বিষয়া নিভাৰাণী শইকীয়াই। বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত বক্তব্য ৰাখে। প্ৰশিক্ষণ কৰ্মশালা পৰিচালনা কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ গাণনিক মুখলিছুৰ ৰহমান আৰু শিক্ষক জীৱন ফুকনে।

# মঙলদৈত প্ৰয়াত আৰক্ষী বিষয়া মস্কো শইকীয়াৰ আদ্যশ্ৰাদ্ধ

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩১ ডিচেম্বৰ ঃ** মঙলদৈ সদৰ থানাত কৰ্তব্যৰত ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক মস্কো শইকীয়াৰ যোৱা ১৯ ডিচেম্বৰত জিএমচি হাস্পতালত আকস্মিকভাৱে মৃত্যু হোৱাৰ খবৰে সমগ্ৰ মঙলদৈৰ লগতে জিলাখনৰ লোকসকল মৰ্মাহত হৈ পৰিছিল। চলিত বৰ্ষৰ তিনি জুলাইত মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰি মাত্ৰ পাঁচ মাহতেই বিভিন্ন পৰ্যায়ৰ মানুহৰ স'তে একাত্মভাৱ গঢ়ি তুলি থানা অঞ্চলৰ লোকসকলক কেনেদৰে সকলো ফালৰ পৰা সুৰক্ষা দিব পাৰি তাৰ অহৰহ প্ৰচেষ্টা চলাইছিল। অতি কম দিনৰ ভিতৰত আৰক্ষীৰ লোকৰ উপৰি অন্যান্য সকলো শ্ৰেণীৰ লোকৰে প্ৰিয়ভাজন হৈ পৰা কৰ্মদক্ষ এইজন আৰক্ষী বিষয়াৰ কালি মঙলদৈ আৰক্ষীয়ে সদৰ থানা প্ৰাংগণত সমূহীয়া আদ্যশ্ৰাদ্ধৰ আয়োজন কৰে। মঙলদৈৰ আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত আদ্যশ্ৰাদ্ধত জিলাখনৰ বিভিন্নজনে প্ৰয়াত আৰক্ষী বিষয়াজনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। পুৱাৰ ভাগত প্ৰচণ্ড শীতকো নেওচি আৰক্ষী বিষয়া-কৰ্মচাৰীসকলৰ লগতে দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, উপ-আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰা, মঙলদৈ সদৰ থানাৰ উপ-আৰক্ষী পৰিদৰ্শক কৃষ্ণকান্ত লস্কৰ, যানবাহন নিয়ন্ত্ৰণ শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া গকুল ডেকা, সদৌ দৰং জিলা ছাত্ৰ, আন্তঃমঙলদৈ ছাত্ৰ সন্থা, মঙলদৈ মহকুমা ছাত্ৰ সন্থা মঙলদৈ প্ৰেছ ক্লাব, আপকুৰ দৰং জিলা সমিতি, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, মহিলা সমিতি, ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি দৰং, যুৱ-ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন দল-সংগঠনে আৰক্ষী বিষয়াজনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি আবেগিক হৈ পৰা পৰিলক্ষিত হয়।

# বিশ্বনাথত জব্দ বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাভৰ্তি ট্ৰাক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩১ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাই অভিযানত পৰহি পুৱা জব্দ কৰা হয় বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাভৰ্তি ট্ৰাক। উল্লেখ্য যে পৰহি বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জীত কুমাৰ ৰয়ে এক বিশেষ সূত্ৰৰ ভিত্তিত এই অভিযান চলোৱাৰ নিৰ্দেশ দিয়ে। কিন্তু নিশাৰ ভিতৰত তেনে কোনো গাড়ী নাহে যদিও পুৱতি নিশা অৰুণাচলৰ পাপুংপাৰা জিলাৰ নিৰ্জলা অঞ্চলৰ পৰা আৰ জে-১৪ ঃ জি জি-০৩৬০ নম্বৰৰ ট্ৰাকখন গুৱাহাটীলৈ গৈ থকা অৱস্থাত সদৰ থানাৰ সন্মুখৰ পৰা জব্দ কৰে। তালাচীত গাড়ীখনৰ ভিতৰত উদ্ধাৰ হয় বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা। ইতিমধ্যে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষীয়ে সুৰাভৰ্তি ট্ৰাকখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে।

# নৈপৰীয়া অঞ্চলত বাঁহৰ দলং নিৰ্মাণ

■ মাজুলী মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩১ ডিচেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ বাটকটীয়া অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সৌজন্যত সামাজিক দায়িত্ববোধৰ এক দৃষ্টিনন্দন চানেকীবাৰী ফেৰী ঘাট সংযোগী পথ আৰু খোৱাহোলাকে মুখ্য কৰি প্ৰায় ১২খন নৈপৰীয়া গাঁৱক সংযোগ কৰি এখন বাঁহৰ দলং নিৰ্মাণ কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ কাৰ্যক্ৰম বিষয়া, অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁইৰ নেতৃত্বত ২০জনৰো অধিক শিক্ষাৰ্থী-স্বেচ্ছাসেৱকে স্থানীয় গাঁওবাসীৰ সহযোগত ১০দিনীয়া বিশেষ শ্ৰমদানেৰে নিৰ্মাণ কৰি উলিওৱা দলংখন আজি ৰাইজৰ ব্যৱহাৰৰ বাবে মুকলি কৰা হয়।



দলংখনৰ উদ্বোধনৰ নিমিত্তে কমলাবাৰী ঘাটৰ সমীপত আয়োজন কৰা সভাত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই আনুষ্ঠানিকভাৱে ফিটা কাটি দলংখন মুকলি কৰি মহাবিদ্যালয়ৰ এনএছএছ গোটে লোৱা পদক্ষেপৰ শলাগ লয় আৰু গোটটোৱে সময়ে-সময়ে পালন কৰি অহা সামাজিক দায়িত্ববোধৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে প্ৰায় ৩২ মিটাৰ দৈৰ্ঘৰ এই দলংখনে নৈপৰীয়া ভালেকেইখন গাঁৱৰ ৰাইজৰ যোগাযোগ ব্যৱস্থাত বিশেষভাৱে সহায় কৰিব বুলি উল্লেখ কৰে। মানুহে সমাজ সেৱাৰ শিক্ষা কিশোৰ কালতেই লাভ কৰে বুলি প্ৰকাশ কৰি অধ্যক্ষজনে কয় যে শিক্ষানুষ্ঠানসমূহত যুক্ত হৈ থকা ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে শিক্ষাৰ্থীসকলক সমাজসেৱা কৰাৰ আদিপাঠ শিকায়। সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, মহাবিদ্যালয় এনচিচিৰ তত্ত্বাৱধায়ক অধ্যাপক আচাৰ্য মোহন দাস, অধ্যাপক ড° আমিনুল ইছলাম, বিজয় টিমুং, স্থানীয় বিশিষ্ট ব্যক্তি সুভাষ হাজৰিকা, ৰবীন দাস প্ৰমুখ্যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় গাঁওৰক্ষী বাহিনীৰ লোকসকল উপস্থিত থাকে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয়ৰ গোটে গ্ৰহণ কৰা সমাজহিতৈষী এনে অনুকৰণীয় পদক্ষেপৰ বাবে স্থানীয় গাঁওবাসী ৰাইজে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে ভূয়সী প্ৰশংসা কৰিছে।



# মোৰ বিশ্বাস এখন ধুনীয়া পৃথিৱী গঢ়ি তুলিব পাৰিম

তিনি পৃষ্ঠাৰ পৰা কোনো বাহিৰা লোকৰ অহা-যোৰা কৰাৰ অনুমতি নাছিল। সেই সময়ত মোৰ একমাত্ৰ জীৱিকাৰ সমল আছিল মোৰ ইউটিউব চেনেল 'প্ৰজেক্টবাৰ্তালাপ'। সেই সময়লৈকে মই যি গান মুক্তি দিছিলো, তাৰ বাবদ মই মাহেকীয়াকৈ এটা বেতন লাভ কৰিছিলো। সেই মাহেকীয়া বেতনটো যাতে লাভ কৰি থাকো সেইবাবে মই আৰু গান লিখিবলৈ, সুৰ কৰিবলৈ চেষ্টা কৰিলো আৰু ২০২০ৰ তলাবন্ধত প্ৰায় চাৰি-পাঁচটা গান ৰাইজৰ মাজত এৰি দিবলৈ সক্ষম হ'লো। মই নিজকে সৌভাগ্যৱান বুলি ভাবো, কিয়নো ৰাইজৰ আশীৰ্বাদত মই আজি সংগীতৰ দ্বাৰাই জীৱন-নিৰ্বাহ কৰিব পাৰিছো। ক'ভিডৰ বাবে যিসকল সংগীত শিল্পীয়ে জীৱন-নিৰ্বাহৰ বাবে সংগীত বাদ দি বেলেগ কিবা জীৱিকাৰ পথ বিচাৰি ল'লে, তেঁওলোকক মই এটাই কথা ক'ব বিচাৰিম যে আমি আজিৰ দিনত কেৱল 'লাইভ মিউজিক' বা 'লাইভ পাৰফৰ্মেন্স'তে নিৰ্ভৰশীল হৈ থাকিলে নহব। 'লাইভ মিউজিক'ৰ লগতে আমি উপাৰ্জনৰ বাবে অন্য পথ বাচি উলিয়াব লাগিব। অন্য পথ বুলি ক'বলৈ গলে মই 'অনলাইন প্লেটফৰ্ম'ৰ কথা ক'ম। 'ইউটিউব', 'স্প'টিফাই', 'এপলমিউজিক' আদিৰ পৰাও এটা ভাল উপাৰ্জন হ'ব পাৰে। লগতে আৰু এটা কথা, যিসকলে সংগীত বাদ দি বেলেগ উপাৰ্জনৰ পথ বিচাৰি লৈছে সেয়াও কোনো ভুল নহয়। তেওঁলোকে যদি সেই কাম ভালদৰে কৰিছে, সেয়া খুব ভাল কথা। মোৰ বহুত বন্ধু আছে যি দোকান দি ভাল ভাল উপাৰ্জন কৰি আছে। গতিকে উপাৰ্জনৰ পথ যিয়ে নহওক, মাত্ৰ সৎ হ'ব লাগে। যিসকলে কেৱল সংগীত কৰি জীৱন-নিৰ্বাহ কৰিম বুলি ভাবিছে, তেঁওলোকে কেৱল 'লাইভ মিউজিক' কৰিলেই নহ'ব; তাৰ লগতে সংগীতৰ লগত জড়িত বেলেগ উপাৰ্জনৰ পথো বিচাৰি উলিয়াব লাগিব।

আগন্তুক সময় বা বছৰটো মোৰ তথা বিশ্ববাসীৰ বাবে কেনে হোৱাটো বিচাৰো আৰু তাৰ বাবে মোৰ তৰফৰ পৰা কৰণীয় কি আছে বুলি কোৱাৰ আগতে মই পোনপ্ৰথমে সকলোলৈকে আগন্তুক নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিছো। আশাকৰো আগন্তুক বৰ্ষটো বিগত দুটি বৰ্ষতকৈ যাতে ভাল হ'ব আৰু লগতে মই সকলোৱে সু-স্বাস্থ্য কামনা কৰিছো। মই আশাবাদী যে ২০২২ বৰ্ষটো শিল্পী সমাজৰ বাবে এটা ভাল বৰ্ষ হ'ব। মোৰ তৰফৰ পৰা ৰাইজৰ বাবে আৰু নতুন গীত উপহাৰ দিবলৈ সাজু হৈছো। বহুকেইটা নতুন গীতৰ কাম চলি আছে যি মই আগন্তুক বৰ্ষত মুকলি কৰি দিম। আশাকৰো ৰাইজে আদৰি ল'ব।

এই পৰ্যন্ত মোৰ প্ৰায় ২০টা মান গীতে মুক্তি লাভ কৰিলে। ভিডিঅ' বুলি কবলৈ গ'লে মোৰ গানৰ লিৰিকেল ভিডিঅহে আছে, অফিচিয়েল ভিডিঅ' তেনেকৈ বিশেষ নাই। তথাপি গীত বুলি ক'বলৈ গলে ২০টা মান আছে আৰু মই 'লাইভ পাৰফৰ্ম' কৰিলে মোৰ নিজৰ গীতেই পৰিৱেশন কৰিবলৈ চেষ্টা কৰো। আগন্তুক বৰ্ষত প্ৰায় ১০টা গীত মুকলি হ'বলৈ গৈ আছে আৰু তাৰ ভিতৰত দুটিমান হিন্দী গীতো আছে।

সফলতাৰ সংজ্ঞা কি? এইটো মোৰ বাবে এটা কঠিন প্ৰশ্ন। কিয়নো সফলতাৰ সংজ্ঞা দিব পৰাকৈ নিজকে মই সফল বুলি নাভাবো আৰু সকলোৱে বাবে সফলতাৰ সংজ্ঞা বেলেগ বেলেগ হ'ব পাৰে। কাৰোবাৰ বাবে ধন, টকা-পইচা আৰু আন কাৰোবাৰ বাবে সুখ-শান্তিৰে দুবেলা দুসাজ খোৱাটোৱেই সফলতা হ'ব পাৰে। কাৰোবাৰ বাবে নিজৰ উচ্চাকাংক্ষী সপোনৰ প্ৰাপ্তিয়েই সফলতা হ'ব পাৰে। মই যি কাম কৰি ভাল পাওঁ, যি কামে মোক শান্তি দিয়ে সেই কাম দিনে ১২ ঘণ্টাকৈ কৰিবলৈ পালেই মই সফল হৈছো বুলি ভাবো। নতুন প্ৰজন্মই নিজৰ সফলতাৰ সংজ্ঞা নিজে বিচাৰি তেনেকৈ আগবাঢ়ি যোৱাটো মই উচিত বুলি ভাবো আৰু আমি নিজৰ সফলতাৰ লগতে সমাজখন আমি আৰু ভাল দৰে কেনেকৈ গঢ়ি তুলিব পাৰো, সেই চিন্তা কৰিব লাগে। লগতে ভৱিষ্যত প্ৰজন্মক আমি কি দি থৈ যাব পাৰো, সেই কথাযাৰ সদায় চিন্তা কৰা উচিত। এইদৰেই যদি আমি আগবাঢ়ি যাওঁ, মোৰ বিশ্বাস যে আমি সচাঁকৈয়ে এখন ধুনীয়া পৃথিৱী গঢ়ি তুলিব পাৰিম।

# অসমীয়া ভাষালৈ কোনো সংকট নাই

তিনি পৃষ্ঠাৰ পৰা স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিঞ, ড০ লক্ষ্মীনন্দন বৰা আৰু সনন্ত তাঁতিৰ মৃত্যুৰ খবৰে আমাক বাৰুকৈয়ে বেদনাহত কৰি তুলিলে। তদুপৰি সেইকেইগৰাকী মহান আৰু বৰেণ্য সাহিত্যিকৰ মৃত্যুৱে অসমীয়া সাহিত্যৰ জগতখনক উৰুঙা কৰি থৈ গ'ল। গতিকে মই ভাবো, ২০২১ বৰ্ষটোক আমি বহু পোৰা-নোপোৱাৰ মাজেৰে পাৰ কৰি দিলো।

নৱবৰ্ষত দুখনমান নতুন কিতাপে পূৰ্ণতা লাভ কৰিব বুলি মই আশা কৰি আছো। এজন লেখকৰূপে দায়িত্ব পালন কৰি আহিছো আৰু নতুন বছৰতো একেই দায়িত্ব পালন কৰিম। সভা-সমিতিত যোগদান কমকৈ কৰিম। সভা-সমিতিলৈ গৈ কোনো লাভ নহয়। সভা-সমিতিৰ পৰা আঁতৰি থাকি নিজৰ সৃষ্টি কৰ্মত মনোযোগ দিম। লেখকসকলৰ কাৰণে সভা-সমিতিৰ বিশেষ দৰকাৰ নাই। কৰ'নাকালীন পৰিৱেশত তলাবন্ধৰ ফলত ঘৰতে সীমাবদ্ধ থাকিও বহু সাহিত্যিক-লেখকে উৎকৃষ্ট গ্ৰন্থ সৃষ্টি কৰিলে। আৰু বহু পাঠকে ডাকযোগেও পছন্দৰ গ্ৰন্থ সংগ্ৰহ কৰি অধ্যয়ন কৰিব পাৰিছে। কিতাপৰ বিক্ৰীও বাঢ়িছে। গতিকে সকলো পৰিৱেশ-পৰিস্থিতিক যোগাত্মক দৃষ্টিভংগীৰে চাই আমি সকলোৱে মিলিজুলি আগবাঢ়িব লাগিব আৰু সাহিত্য চৰ্চাও জীয়াই ৰাখিব লাগিব।

# আত্মপৰিচয় হেৰুওৱাৰ শংকা যেন বৃদ্ধি হৈছে

তিনি পৃষ্ঠাৰ পৰা আৰম্ভণিৰ এই মুহূৰ্তত "দিয়ক ঈশ্বৰে মোক (আমাক) নতুন জীৱন/উছাহৰ নৱজাগৰণ" বুলি গাবৰ মন যায়। পৰিয়ালৰ, সমাজৰ, দেশৰ সকলো কল্মষ দূৰ হওক বুলি আশা কৰিবৰ মন যায়। সেই আশাৰে আমাৰ ৰাজ্যখনৰ জাতি-বৰ্ণ-ধৰ্ম-ভাষা-সম্প্ৰদায় নিৰ্বিশেষে জ্ঞাপন কৰিছোঁ মোৰ অন্তৰভৰা শুভেচ্ছা।

বছৰটোৰ আৰম্ভণিৰ এমাহৰ আগৰ পৰা স্বাস্থ্যজনিত কাৰণত আমি অসমৰ বাহিৰত। দিল্লীৰ বাতৰি কাকতত অসমৰ খবৰ নোলায়। ম'বাইলত ওলোৱা খবৰ চকুৰে পঢ়িব নোৱাৰোঁ। কোনো কোনো শিৰোনাম দেখি কঁপি উঠোঁ— অসম, অসমীয়া ভাষা, অসমীয়া বৰ্ণাঢ্য জাতিটো থাকিবনে? হয়, আমাক মহাবিদ্যালয় লাগে, বিশ্ববিদ্যালয় লাগে, মেডিকেল কলেজ লাগে। পিছে থকা মেডিকেল কলেজৰ পৰা কিমান বিভিন্ন বিষয়ৰ চিকিৎসক আমি উলিয়াইছোঁ? থকা মেডিকেল কলেজকেইখনত আৰু বিশ্ববিদ্যালয় কেইখনৰ শিক্ষকৰ শ-ৰ হিচাপত থকা খালীপদ পূৰণ কৰিব পাৰিছোঁনে?

বিশ্বৰ সকলো দেশৰ অত্যন্ত উচ্চস্তৰৰ শিক্ষাবিদ, চিন্তাশীলসকলে মাতৃভাষাৰে স্কুলৰ, অন্ততঃ মাধ্যমিক স্তৰলৈকে শিক্ষা দিব লাগে বুলি ক'লেও আমি নিৰ্দেশ দিছোঁ যে উত্তৰ কাকতত ভাষাৰ ভুল-শুদ্ধ চাব নালাগে, বিষয়টোহে চাব লাগে। বিষয় হিচাপে ইংৰাজী ভাষা উপযুক্ত শিক্ষা দিব পৰা ইংৰাজীত পূৰ্ণ শতাংশ দখল থকা, প্ৰশিক্ষণযুক্ত শিক্ষক নিয়োগ কৰাৰ কাৰ্যক্ষম আঁচনিৰে কাম কৰাৰ পৰিৱৰ্তে চৰকাৰীভাৱে বোলে ইংৰাজী মাধ্যমৰ স্কুল খোলাৰ ব্যৱস্থা কৰা হৈছে। 'জাতীয় বিদ্যালয়'ৰ আদৰ্শৰ প্ৰতি চকু দি আন গ্ৰহণযোগ্য নামেৰে এনে বিদ্যালয় প্ৰতিষ্ঠাৰ শুভ চিন্তা কৰিব নোৱাৰিনে? আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈকে ধৰি বৰ্তমানৰ পণ্ডিতসকললৈকে অজস্ৰ সুদক্ষ অসমীয়াই নিজৰ মাতৃভাষাৰ মাধ্যমেৰে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিয়েই বিশ্বত অসমৰ মুৰ জিলিকাই থৈ গৈছে। আমি অন্ধ হ'বলৈ ধৰিছোঁনে কি? এনে প্ৰচেষ্টা বংগৰ কথা নকৰেই গুজৰাটতে কৰি চাওকচোন।

হে ক্ষমতাশালীসকল, ক্ষান্ত হওক, মাতৃহত্যা, জাতিহত্যাৰ বাট নোমোকোলাই ভাষাটোক ইংৰাজীৰ সমান প্ৰচাৰক্ষম হ'ব পৰাকৈ আধুনিক সবল ৰূপ দি সৰ্বভাৰতীয় তথা আন্তৰ্জাতিক স্তৰলৈ নিব পৰা কৰক। নিজক ক্ষুদ্ৰ বুলি ভবাৰ পৰিৱৰ্তে বৃহৎ কৰি তোলাৰ সংকল্প লওক। এই কথা সৰ্বজন বিদিত যে সুউচ্চ অট্টালিকা আৰু লাখটকীয়া গাড়ীয়ে মানুহৰ উন্নতিৰ পৰিচয় বহন নকৰে। বহন কৰে সামাজিক-ৰাজনৈতিক প্ৰবল শক্তিয়ে, উন্নতি পৰিচয় বহন কৰে দেশৰ মানুহৰ নিজৰ ভৱিতে থিয় দি বিশ্বৰ মানুহক সামৰি ল'ব পৰা জ্ঞানে। নতুন বছৰৰ আৰম্ভণি এই মুহূৰ্তত "কৃপাময় জগদীশ্বৰে" যেন আমাৰ ৰাজ্যৰ আৰু আমাৰ দেশৰ ক্ষমতাশালীসকলক সেই বাট দেখুৱাই আমাৰ ৰাজ্য তথা দেশখনৰ মংগল সাধন কৰাৰ মনোভাব দান কৰে। তেওঁবিলাকে যেন নিজক শাসক বুলি নাভাবি সেৱক বুলি ভাবে।

# মানৱসৃষ্ট অৰণ্য গেলেকী কমলাবাৰী অৰণ্যম ক্ষেত্ৰই আকৰ্ষণ কৰিছে

তিনি পৃষ্ঠাৰ পৰা মানুহে জংঘল আখ্যা দিছিল। অথচ সেই 'জংঘল'তে এতিয়া দূৰ-দিগন্তলৈ সেউজ পৰিৱেশ দেখা নোপোৱাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হৈছে। অসমৰ এই বন ধ্বংসৰ ভয়াৱহতাক উপন্যাসৰ পাতত তুলি ধৰিয়েই সাহিত্য একাডেমী বঁটা অৰ্জন কৰিলে সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে। সেইদৰে এটা বালিচৰক অৰণ্যত পৰিণত কৰি পদ্ম সন্মান অৰ্জন কৰিছে 'অৰণ্য মানৱ' যাদৱ পায়েঙে। অৰণ্যৰ প্ৰতি থকা আকুলতা আৰু বনধ্বংসৰ ভয়াৱহতাই আতংকিত কৰি তোলাৰ বাবেই এই ক্ষেত্ৰত মানুহক সজাগ কৰাৰ পুৰস্কাৰ তেওঁলোকে লাভ কৰিছে। তেওঁলোকৰ দৰেই পুৰস্কাৰ পাব পৰাকৈ ৰাজ্যৰ সেউজীয়ালৈ অনন্য অৱদান আগবঢ়াইছে শিৱসাগৰ জিলাৰ গেলেকীৰ এজন প্ৰকৃতিপ্ৰেমীয়ে। নিৰন গগৈ নামৰ এই প্ৰকৃতিপ্ৰেমী যুৱকজনৰ অনৱদ্য কাৰ্যই যিদৰে প্ৰকৃতিক সুৰক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে, সেইদৰে ৰাজ্যৰ ভৌগোলিক অখণ্ডতা ৰক্ষাতো ভূমিকা গ্ৰহণ কৰাৰ লগতে সৃষ্টি কৰিছে পৰ্যটনৰ সম্ভাৱনা। গগৈ আৰু একাংশ উদ্যমী যুৱকৰ অহোপুৰুষাৰ্থতে এতিয়া সকলোৱে দৃষ্টি আকৰ্ষণ কৰিছে এখন মানৱসৃষ্ট অৰণ্যই।

শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তত দিখৌ নৈৰ নৈসৰ্গিক শোভাৰে নগা পাহাৰৰ নামনি অংশত গঢ়ি উঠিছে এই মানৱসৃষ্ট অৰণ্য। ২০০১তে গেলেকীৰ প্ৰকৃতিপ্ৰেমী গগৈৰ নিৰলস প্ৰচেষ্টাত সীমান্তৱৰ্তী অঞ্চলটোত আৰম্ভ হৈছিল এই বন বিপ্লৱ। প্ৰায় ২০ হেক্টৰ মাটিত চোমনিবাৰী স্থাপনেৰে আৰম্ভ হৈছিল কমলাবাৰী অৰণ্যম ক্ষেত্ৰ স্থাপনৰ প্ৰাৰম্ভিক কাম। সেই মহান প্ৰচেষ্টাত উদ্যমী গগৈৰ লগ লাগিছিল বহুকেইজন স্থানীয় যুৱক। প্ৰকৃতিপ্ৰেমী যুৱককেইজনৰ এই প্ৰশংসনীয় প্ৰচেষ্টা প্ৰত্যক্ষ কৰি তেওঁলোকলৈ সহযোগিতা আগবঢ়াইছিল শিৱসাগৰ জিলাৰ তদানীন্তন উপায়ুক্ত ৰবি কোটাই। লাহে লাহে সম্প্ৰসাৰিত হ'ল কমলাবাৰী অৰণ্যম ক্ষেত্ৰৰ পৰিসৰ। সম্প্ৰতি প্ৰায় তিনি হেজাৰ বিঘা ভূখণ্ড সামৰি উজনি অসমৰ এক বৃহৎ মানৱসৃষ্ট অৰণ্যম ক্ষেত্ৰত পৰিণত হৈছে কমলাবাৰী। গাৰোপবন বন সুৰক্ষা সমিতি নামৰ এক পৰিচালনা সমিতিৰ তত্বাৱধানত কমলাবাৰীত এতিয়া ১৫০ হেক্টৰ ভূখণ্ডত বাঁহগছ, ৩০ হেক্টৰ ভূখণ্ডত ঔ টেঙাৰ বাগিচা, ৫০ হেক্টৰ ভূখণ্ডত প্ৰায় ১৪ হেজাৰ জোপা পৈণত তিতাচপা, তিনি হেক্টৰ ভূখণ্ড সামৰি প্ৰায় আঠ হেজাৰ জোপা চেগুন গছ জাতিষ্কাৰ হৈ উঠিছে। ইয়াৰোপৰি পাঁচ হেক্টৰ ভূখণ্ডত স্থাপিত হোৱা ফলমূলৰ বাগিচাই পৰ্যটকক আকৰ্ষিত কৰি আহিছে। শেহতীয়াকৈ কমলাবাৰী অৰণ্যম ক্ষেত্ৰত সংযোগ ঘটিছে 'সাহিত্য মনিষী উপবন' নামেৰে এক উদ্ভিদ উদ্যানৰ। প্ৰায় আঢ়ৈ হেক্টৰ ভূমিত গঢ়ি তোলা এই ঔষধি গছৰ সমাহাৰ ঘটা উদ্যানখন পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিছে। বিভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰ অধ্যয়নৰ সমলৰূপে পৰিগণিত হৈ পৰা এই ঔষধি উদ্ভিদৰ উদ্যানখনত প্ৰায় সহস্ৰাধিক বিভিন্ন ঔষধি গুণসম্পন্ন উদ্ভিদৰ সমাহাৰ দেখা পোৱা যায়।

ইয়াৰোপৰি প্ৰায় বিলুপ্তপ্ৰায় উদ্ভিদ যেনে মেজাংকৰি, মাধৈমালতী, বৰ্হমথুৰি আদিও কমলাবাৰীত পৰ্যাপ্ত পৰিমাণে পোৱাৰ লগতে পৃথিৱীৰ সবাতোকৈ ব্যয়বহুল কাঠ মেহগনি গছৰো সমাহাৰ দেখা পোৱা যায়। দিখৌ নৈৰ নৈসৰ্গিক শোভাৰ লগতে কাষতে সগৌৰৱেৰে থিয় দি থকা নগা পাহাৰৰ প্ৰাকৃতিক শোভাই সদায় কমলাবাৰীৰ প্ৰতি আকৰ্ষিত কৰি আহিছে পৰ্যটকক। সম্প্ৰতি উজনি অসমৰ অন্যতম জনপ্ৰিয় বনভোজস্থলীতো পৰিগণিত হৈছে বৈচিত্ৰৰে ভৰপূৰ কমলাবাৰী অৰণ্যম ক্ষেত্ৰ। নতুন বছৰত নিজৰ মনৰ ভাব প্ৰকাশ কৰি কমলাবাৰীৰ গুৰি ধৰোঁতা তথা 'বনবন্ধু' গগৈয়ে 'দৈনিক অগ্ৰদূত'ক কয়, 'সম্প্ৰতি বিশ্বজুৰি আলোচ্যৰ বিষয় হৈ পৰা গোলকীয় উষ্ণতাৰ বাবে বতৰৰ অস্বাভাৱিক পৰিৱৰ্তনৰ অন্যতম বা প্ৰধান কাৰণ বন ধ্বংস। তেনেস্থলত বনানিকৰণৰ জৰিয়তে ভৌগোলিক উত্তৰণৰ বেলিকা কিঞ্চিত হ'লেও বৰঙণি আগবঢ়োৱাটো সকলোৰে সামাজিক দায়িত্ব। নতুন বছৰত সকলোৱে সংকল্প লোৱা উচিত, যাতে বনানিকৰণৰ জৰিয়তে পৃথিৱীখন সেউজ কৰি ৰাখিব পাৰি।'

ইফালে, সীমান্তৰ অতন্ত্ৰ প্ৰহৰীৰূপেও পৰিগণিত হৈ আহিছে কমলাবাৰী অৰণ্যম ক্ষেত্ৰ। ৰক্ষা কৰিছে অসমৰ ভৌগোলিক অখণ্ডতা। কাৰণ গেলেকী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ হেক্টৰ ভূখণ্ড ইতিমধ্যে চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ দখললৈ গৈছে আৰু এই বিষয়ত ৰাজ্য দুখনৰ মাজত দীৰ্ঘদিনৰ পৰা উত্তেজনা অব্যাহত আছে। তেনে সময়তে সংৰক্ষিত বনাঞ্চলখনৰ অৱশিষ্ট অংশত স্থাপিত কমলাবাৰী অৰণ্যম ক্ষেত্ৰই অসমৰ ভূখণ্ডক সুৰক্ষা দি আহিছে চুবুৰীয়া ৰাজ্যখনৰ আগ্ৰাসনৰ পৰা। ৭০ দশকৰ পৰাই গেলেকী সংৰক্ষিত বনাঞ্চলত শেনচকু নগাৰ। ধাৰাবাহিকভাৱে অসমৰ দিশে সীমা সম্প্ৰসাৰিত কৰি অহা আগ্ৰাসী নগাবাহিনীও যেন থমকি ৰৈছে কমলাবাৰী স্থাপনৰ পাছতে। বনভূমিত পৰিণত হোৱাৰ বাবেই উক্ত স্থানত নগাই অসমৰ ভূমি দখল কৰাৰ পৰা বিৰত থকা পৰিলক্ষিত হৈছে। স্বাভাৱিকতে এয়া এক ইতিবাচক দিশ। আনকি অসম চৰকাৰেও নগাৰ আগ্ৰাসন ৰোধ কৰাৰ দিশত কমলাবাৰী অৰণ্যম ক্ষেত্ৰৰ উদাহৰণ গ্ৰহণ কৰাৰ থল আছে।

ইয়াৰ সমান্তৰালকৈ দেশী-বিদেশী পৰ্যটকৰ বিচৰণৰে ইতিমধ্যেই সদাব্যস্ত হৈ উঠা কমলাবাৰী এতিয়া অসমৰ পৰ্যটনৰ মানচিত্ৰত এক উল্লেখযোগ্য স্থান হৈ পৰিছে। ৰাজ্যৰ পৰ্যটন উন্নয়ন নিগমৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগ আছে যদিও জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ অসমখন বিশ্ব পৰ্যটনৰ মানচিত্ৰত এতিয়াও জিলিকি উঠা নাই। চৰকাৰীভাৱেই বনধ্বংসৰ বাতৰিয়ে দীৰ্ঘদিন ধৰি সংবাদৰ শিৰোনাম দখল কৰাৰ সময়তে গেলেকীত 'বনবন্ধু' গগৈৰ সবল নেতৃত্বত চলা এই সেউজ বিপ্লৱ অনন্যৰূপে পৰিগণিত হৈছে। অনাগত সময়ত চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিলে কমলাবাৰী অৰণ্যম ক্ষেত্ৰক দেশৰ ভিতৰতে এক বৃহৎ জৈৱ বৈচিত্ৰ্যৰ উদ্যানৰূপে গঢ়ি তোলাৰ আশা পুহি ৰাখিছে গাৰোপবন বন সুৰক্ষা সমিতিয়ে। তেওঁলোকে স্থাপন কৰা ঔষধি বাগিচাৰ উদ্যানখনে অনাগত সময়ত আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰৰ ঔষধ প্ৰস্তুতৰ বাবে বহু কেঁচা সামগ্ৰী উপলব্ধ কৰাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি।

# জীৱনলৈ অহা চৰম প্ৰত্যাহ্বানক নেওচি

তিনি পৃষ্ঠাৰ পৰা বিখ্যাত ইংৰাজ লেখক লিটনৰ এই বাক্যশাৰী সাৰোগত কৰিয়ে এখন অন্ধকাৰময় জগতৰ পৰা নিজকে উদ্ধাৰ আৰু আত্মশুদ্ধিৰে এজন যুৱকে সম্প্ৰতি ৰাজ্যখনৰ ভিতৰতে এজন সফল ব্যৱসায়ীৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতিজন জীৱনৰ যিদৰে দুখ-বেদনাৰ সাগৰ থাকে, সেইদৰে জীৱনলৈ সময়ে সময়ে সুখ-আনন্দৰ মণি-মুকুতাও আছে। দুখ-বেদনাক সৃষ্টিৰ আনন্দলৈ ৰূপান্তৰিত কৰিব পাৰিলেহে জীৱনৰ প্ৰকৃত অৰ্থৰ ৰসাস্বাদন কৰিব পৰা যায়। ইয়াৰ জ্বলন্ত উদাহৰণ এইখন অসমৰে এজন যুৱকৰ জীয়া বাস্তৱ কাহিনী, যিজন যুৱক হয়তা এদিন সকলোৰে বাবে অসহ্যকৰ আছিল আৰু এতিয়া হৈ পৰিছে প্ৰেৰণাৰ উৎস।

উল্লেখ্য যে স্ব-নিয়োজনৰ প্ৰচুৰ সম্ভাৱনা থকা এইখন অসমত সম্প্ৰতি হেজাৰ হেজাৰ নিবনুৱাই উপাৰ্জনৰ সহজলভ্য ক্ষেত্ৰ একোখনৰ পৰা আঁতৰি চাকৰি বিচাৰি ডলাৰ বগৰীৰ দৰে অনাই-বনাই ঘূৰি ফুৰিবলগীয়া হৈছে। তেনে সময়তে ৰাজধানী মহানগৰীত চানী বৰুৱা নামৰ এজন যুৱকে হোটেল ব্যৱসায়ৰ জৰিয়তে লাভ কৰা অনন্য সফলতাৰে সম্প্ৰতি বহুজনৰ বাবে আদৰ্শ হৈ পৰিছে। জীৱনলৈ অহাৰ চৰম প্ৰত্যাহ্বানক নেওচি কৰ্মৰ প্ৰতি থকা প্ৰৱল স্পৃহা আৰু একাত্ম মনোবল লৈ ২০১৮ত চানীয়ে নিজৰ বাসগৃহতে দুখন টেবুল লৈ আৰম্ভ কৰা এই হোটেল ব্যৱসায় এতিয়া বছৰি এক কোটিৰো অধিক ধনৰ ব্যৱসায়লৈ ৰূপান্তৰিত কৰিবলৈ সক্ষম হৈছে। সৎ উদ্দেশ্য আগত ৰাখি কামৰ সৰু-বৰ বিচাৰ নকৰি নিষ্ঠা, সততা আৰু একাগ্ৰতাৰ সন্মিলিত শক্তিয়ে যে জন্ম দিয়ে অন্য এক বিশালতা, ৰাজধানী মহানগৰীত তেনে এক সফলতাৰ নিদৰ্শন দাঙি ধৰি বহুজনৰ বাবে আদৰ্শৰ প্ৰতীক হৈ পৰিছে চানী। অথচ এটা সময়ত সেইজন যুৱকৰ পৰাই মানুহে আঁতৰি থাকিবলৈ পছন্দ কৰিছিল।

এক কণ্টকময় পথৰ মাজেৰে চানীয়ে নিজকে আজি সফল ব্যৱসায়ৰূপে গঢ়ি তুলিবলৈ সক্ষম হৈছে। শুনিবলৈ আচৰিত যেন লাগিলেও জীৱনৰ প্ৰথম সময়ছোৱাত অত্যধিক সুৰাসক্ত আছিল চানী। এসময়ত হতাশাগ্ৰস্ত হৈ আত্মহত্যাৰ দৰে চৰম পথো বাছি লৈছিল। মদ্যপান কৰিবলৈ টকা নথকাৰ বাবে নিজৰ দেহৰ ৰক্ত পৰ্যন্ত বিক্ৰী কৰি এসময়ত সুৰাৰ যোগাৰ কৰিছিল। অৱশ্যে জীৱনৰ মূল্য কি বুলি মনলৈ অহা এক প্ৰশ্নই আকস্মিকভাৱে চানীৰ জীৱনলৈ পৰিৱৰ্তন আনিছিল। এই কণ্টকময় পথৰ পৰা চানীয়ে এদিন নিজকে উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপৰ শ্ৰীমন্তপুৰ চাৰিআলি নগৰস্থিত নিজা বাসগৃহতে 'আখল ঘৰ' নামেৰে হোটেলৰ ব্যৱসায় আৰম্ভ কৰিছিল। সম্প্ৰতি 'আখল ঘৰ' ৰাজ্যখনৰ ভিতৰতেই এক চিনাকি নাম আৰু দৈনিক পাঁচশৰো অধিক লোকে 'আখল ঘৰ'ৰ খাদ্যৰ জুতি লয়। উল্লেখ্য যে সৰুৰে পৰা ব্যৱসায় কৰাৰ মন আছিল চানীৰ। ২০১১তে একে স্থানতে প্ৰথম এই 'আখল ঘৰ' স্থাপন কৰিছিল যদিও নিজৰ কুঅভ্যাস আৰু ব্যৱসায়ত সন্মুখীন হোৱা লোকচানকে ধৰি বিভিন্ন কাৰণত ২০১৪ত ব্যৱসায় বন্ধ কৰি দিবলগীয়া হৈছিল বুলি তেওঁ নিজ মুখে স্বীকাৰ কৰিছে। ইয়াৰ পাছতে তেওঁ নিজকে স্বাভাৱিক পৰিৱেশলৈ ওভতাই আনিবলৈ সক্ষম হয় আৰু ২০১৮ৰ ২৩ আগষ্টৰ পৰা কঠোৰ পৰিশ্ৰমৰ মাজতে পুনৰ আৰম্ভ কৰা 'আখল ঘৰে' সম্প্ৰতি এক বিশেষ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। চানীয়ে সদৰী কৰা অনুসৰি, আখল ঘৰৰ উপৰি তেওঁ শেহতীয়াকৈ ৰাজগড়ৰ 'চাইনা টাউন'ৰ সন্মুখত 'ৰগেন জচ' নামৰ এখন ৰেস্তোৰাঁ মুকলি কৰিছে। এই হোটেল ব্যৱসায়ত বছৰি তেওঁ এক কোটিৰো অধিক টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হয়; যাৰ জৰিয়তে প্ৰতি মাহত চানীয়ে অতি কমেও দুই-তিনিলাখ টকা উপাৰ্জন কৰে।

এই সুৰাসক্ত যুৱকজনৰ জীৱনটো ইমান মধুৰ নাছিল। এসময়ত চানী ইমানেই নিচাসক্ত হৈ পৰিছিল যে তেজ বিক্ৰী কৰিও সুৰা ক্ৰয় কৰিছিল, হতাশাগ্ৰস্ত হৈ এদিন শ্লিপিং টেবলেট খাই টোকা লিখি আত্মহত্যাৰ দৰে কঠোৰ পন্থা বাচি লৈছিল; কিন্তু চিকিৎসকৰ প্ৰচেষ্টাত নতুন জীৱন লাভ কৰিছিল চানীয়ে। অতীত ৰোমন্থন কৰি চানীয়ে কয়, 'মই এটা সময়ত সম্পূৰ্ণৰূপে এজন সুৰাসক্ত মানুহ আছিলো। নৱম শ্ৰেণীৰ পৰাই মই মদ খাবলৈ আৰম্ভ কৰিছিলো আৰু এটা সময়ত মদ নাখালে থাকিব পৰা নাছিলো। এক কথাত ক'বলৈ গ'লে সুৰাসক্ত হৈ পৰিছিলো। ইমানেই অধিক আসক্ত হৈ পৰিছিলো যে মদ খাবলৈ এটা সময়ত তেজ বিক্ৰীও কৰিছিলো। ২০০৭ত মোক ঘৰৰ পৰা পকেটমানি বন্ধ কৰি দিছিল আৰু তেতিয়া তেজ বিক্ৰী কৰি মদ খাইছিলো। এবটল তেজ বিক্ৰী কৰি চাৰিশ টকা পাওঁ আৰু তেনেদৰে বহু তেজ বিক্ৰী কৰিলো। অৱশ্যে ২০১৪ৰ পৰা সেই অন্ধকাৰ পৃথিৱীৰ পৰা মই সম্পূৰ্ণৰূপে বাহিৰলৈ ওলাই আহিবলৈ সক্ষম হ'লো।' উল্লেখ্য যে সুৰাসক্ত জীৱনৰ মাজতে ২০১১ত প্ৰথম 'আখল ঘৰ'ৰ ব্যৱসায় আৰম্ভ কৰিছিল চানীয়ে। সেই সময়ত ব্যৱসায়ত তেওঁ লোকচানৰ সন্মুখীন হোৱাৰ প্ৰধান কাৰণ অৰ্থাৎ নিজক নিয়ন্ত্ৰণ কৰিব নোৱৰাৰ বাবেই সফলতা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল বুলি সদৰী কৰি চানীয়ে পুনৰ কয়, 'মই কিশোৰ অৱস্থাৰ পৰাই এখন হোটেল বা ৰেস্তোৰাঁ খোলাৰ সপোন মনত পুহি ৰাখিছিলো। মেট্ৰিকৰ পাছত ব্যৱসায় কৰিবলৈ সেই সময়ত মই পঢ়াৰ আৱশ্যক বুলি ভবা নাছিলো আৰু সিমানতে শিক্ষা সাং কৰিলো। সেয়া মোৰ সেই সময়ত এটা মাথোঁ বাহানা আছিল, নিজকে ঠগাই আছিলো। অৱশ্যে মোৰ হাতত যদি ডিগ্ৰী চাৰ্টিফিকেটখন থাকিলহেঁতেন ইমান কষ্টৰ কাম কৰিব নোৱাৰিলোহেঁতেন। ২০১১ত যেতিয়া মই ব্যৱসায় আৰম্ভ কৰিছিলো, তেতিয়া হাতত পইচা পাই মই উৎফুল্লিত হৈ উঠিছিলো। সমান্তৰালভাৱে সুৰাত সম্পূৰ্ণৰূপে আসক্ত আছিলো। ব্যৱসায়ৰ টকাৰে এখন দুচকীয়া বাহন কিনিলো। এইখন কিনাৰ পাছত এখন গাড়ী কিনিবলৈ মন গ'ল, নেন' এখন কিনিলো। তেনেকৈয়ে ব্যৱসায়ৰ টকাবিলাক মদ-পানী খাই উৰুৱাই দি এদিন লোকচানৰ সন্মুখীন হ'লো। সেই সময়ত জীৱনলৈ বহুত হতাশা আহিল। প্ৰেমজনিত কাৰণ, ব্যৱসায়ত লোকচান, শিক্ষা নাই আৰু আনফালে নিচাত মগন, একপ্ৰকাৰ বিশৃংখল মন অৰ্থাৎ মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হৈছিল। সকলো ফালৰ পৰা যেন মোক সকলোৱে হেঁচা মাৰি ধৰিছে, এনে অনুভৱ কৰিলো আৰু নিজকে পৰাজিত যেন ভাব মনলৈ আহিবলৈ ধৰিলে আৰু নিজকে শেষ কৰি দিয়া শব্দটো বাৰে বাৰে মনলৈ আহিবলৈ ধৰিলে। বিশেষকৈ গধূলি সময়ত মন বেয়া হয় আৰু পল্টনবজাৰলৈ গৈ টেক্সীত উঠি শ্বিলঙলৈ গুচি যাওঁ। কোনো উদ্দেশ্য নাথাকে, এনেকুৱা ভাব আহে যে তাত গৈ মৰি থাকিম নেকি? বৰ্ণিহাট যেতিয়া পাওঁ ভয় লাগে, আকৌ উভতি আহো। বাৰে বাৰে কেৱল নিজকে শেষ কৰাৰ দৃশ্যই মনত খুন্দিয়াই থাকে। ৰেলৰ আগত বা চিপ লৈ.....নাই তেনে কাম কৰিব নোৱাৰো বুলি মনটো দৃঢ় কৰিলো যদিও মই ৰখাব নোৱাৰিলো। শেষত নিজৰ কোঠাতে শ্লিপিং টেবলেট খাই নিজকে হত্যাৰ চেষ্টা কৰিছিলো যদিও পুনৰ নতুন জীৱন লাভ কৰিবলৈ সক্ষম হ'লো।'

উল্লেখ্য যে এই ঘটনাৰ পাছত চানীক পৰিয়ালে মানসিক ৰোগ বিভাগত ভৰ্তি কৰি দিলে। ১০-১৫ দিনৰ পাছত তাৰ পৰা কিছু সুস্থ হৈ ওলাই অহাৰ পাছতো মদ এৰিব পৰা নাছিল। এই কথা উল্লেখ কৰি চানীয়ে পুনৰ কয়, 'এই ঘটনাৰ পাছত পুৱা যেতিয়া মই উঠো নিজকে অকলশৰীয়া অনুভৱ কৰো আৰু ভয় ভয় লাগে, যেন এক নিজান পৰিৱেশ। এই ব্যাধিয়ে মোক বাৰুকৈয়ে ভাবিবলৈ বাধ্য কৰিলে। এদিন এটা প্ৰশ্ন উদয় হ'ল, মই জীয়াই আছো কিয়? মইতো মৰিব লাগিছিল। তাৰ উত্তৰ বিচাৰি থাকোতে এদিন আন এটা প্ৰশ্ন আহিল মনলৈ, মই বাচিলো কিয়? যদি মই পুনৰ জীৱন লাভ কৰিলো নিশ্চয় কিবা এটা আছে। তাৰ পাছৰে পৰা মই নিজক বুজিবলৈ চেষ্টা কৰিলো, নিজৰ দুৰ্বলতাৰ লগতে ভিতৰত থকা শত্ৰুক নিৰ্বাচিত কৰি ধ্বংস কৰিলো আৰু আজি এয়া।' নিজৰ জীৱনত সুৰাই একমাত্ৰ শত্ৰু আছিল বুলি সদৰী কৰি মদ এৰাৰ পাছৰে পৰা তেওঁ জীৱনলৈ আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱাৰ কথা জানিবলৈ দিয়ে। তেওঁ কয়, 'গোপন শত্ৰুক লাই ময়ে দিছিলো আৰু সেয়াও দমন ময়ে কৰিব লাগিব। মোৰ সৰুৰে পৰা সপোন আছিল এজন সফল ব্যৱসায়ী হোৱাৰ। তাৰ পাছৰে পৰা মই নিজকে সলনি কৰি অৰ্থাৎ ২০১৪ৰ পৰা ২০১৮লৈ ভাইটিয়ে কিনা গাড়ী উবেৰৰ অধীনত চলালো প্ৰায় আঢ়ৈ বছৰ। ইয়াৰ পাছত ছমাহমান ৩,৫০০ টকা দৰমহাৰে এটা কোম্পানীত চাকৰি কৰিলো। মাজতে পাৰ্লাৰ এখনতো কাম কৰিলো। ইয়াৰ পাছত ২০১৩ত বন্ধ হৈ পৰা মোৰ সেই 'আখল ঘৰ' পুনৰ মুকলি কৰিলো।' উল্লেখ্য যে সোমবাৰৰ পৰা শনিবাৰলৈ পুৱা ১০.৩০ৰ পৰা বিয়লি চাৰি বজালৈ খোলা থকা আখল ঘৰত সম্প্ৰতি এসাঁজ ভাতৰ জুতি ল'বলৈ অহা গ্ৰাহকক সময়ে সময়ে ভঙাগড় আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিবলগীয়া পৰিস্থিতিৰো উদ্ভৱ হয়। চানীয়ে সদৰী কৰা অনুসৰি, ঠেলা-ৰিক্সা চালকৰ পৰা শীৰ্ষ ৰাজনৈতিক নেতালৈ, কৰ্মচাৰীৰ পৰা আৰক্ষী বিষয়ালৈকে তেওঁৰ আখল ঘৰত খাদ্যৰ জুতি ল'বলৈ আহে আৰু দৈনিক পাঁচশৰো অধিক প্লেট ভাত বিক্ৰী হয়।

## যুৱচাম ব্যৱসায় ক্ষেত্ৰখনত জড়িত হওক ঃ নৱ প্ৰজন্মক নৱবৰ্ষত কি বাৰ্তা দিলে চানীয়ে

'আমাৰ মানুহে কাম নকৰে কাৰণে বহিঃৰাজ্যৰ লোক ব্যৱসায় ক্ষেত্ৰখনত ভৰি পৰিছে। আমাৰ যুৱচাম ব্যৱসায় ক্ষেত্ৰখনত জড়িত হওক। সিহঁতে যদি ব্যৱসায় কৰিব পাৰিছে, আমি কিয় নোৱাৰিম। নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত প্ৰতিজনৰ প্ৰতি মোৰ আহ্বান, ওলাই আহক ব্যৱসায়ৰ ক্ষেত্ৰখনলৈ। কামৰ কোনো সৰু-বৰ বিচাৰ কৰিব নালাগে। মই মাত্ৰ ১২জন গ্ৰাহক বহিব পৰা ব্যৱস্থাৰ জৰিয়তে এই ব্যৱসায় আৰম্ভ কৰিছিলো। আজি একেলগে ৩৬জন এবাৰত বহিব পাৰে। ব্যৱসায়ত কেৱল টকা ঘটিম বুলি কৰিব নালাগে। মই যেতিয়া ৩,৫০০ টকা দৰমহাত কাম কৰিছিলো, নিয়াৰি আৰু পৰিপাটিকৈ কৰিছিলো। কাৰণ এই কামেই মোৰ ভৱিষ্যৎ। কোনো কোনোৱে মোক কেতিয়াবা সোধে, দাদা মোক ভাল কাম এটা লাগে। মই কওঁ ভাল কাম প্ৰথমে কিয় বিচৰা। প্ৰথমে কাম শিকা আৰু সেই কামত প্ৰয়োজনীয় সময় নিয়াৰিকৈ দিয়া। আগতে মই নিশা দুটাত শুইছিলো আৰু দিনৰ দুটাত উঠো। এতিয়া নিশা এক-দুটাত শুই পুৱা ছটাত উঠো, কোনেও উঠাব নালাগে। এক কথাত ক'ব গ'লে প্ৰতিটো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে, ভালখিনি লৈ যদি আগবাঢ়ি যোৱা হয় কামৰ মজাই পৃথক আৰু উৎসাহ দুগুণে বৃদ্ধি হয়। প্ৰথম যেতিয়া মই ব্যৱসায় আৰম্ভ কৰিছিলো, মোৰ বহুত বেছি কষ্ট হৈছিল। গোটেইখিনি কাম মই অকলে কৰিবলগীয়া হৈছিল। এতিয়া মোৰ কষ্ট কমি গ'ল আৰু পইচা বাঢ়ি গ'ল। আগতে পইচা কম আছিল কষ্ট বেছি আছিল। এতিয়া যদি মই দিনৰ ১২ৰ পৰা বিয়লি চাৰিটালৈ থাকো অৰ্থাৎ দিনটোত যদি মই চাৰি ঘণ্টাকৈ সময় দিওঁ বছৰত এক কোটিৰো অধিক টকাৰ ব্যৱসায় কৰিব পাৰো। মই কেতিয়াও বহি নাথাকো অৰ্থাৎ আখলৰ ঘৰত কোনো কাউণ্টাৰ নাই। থিয় হৈয়ে মই গ্ৰাহকৰ পৰা মূল্য লওঁ। মই য'ত থিয় হৈ থাকো ৩৬০ ডিগ্ৰীৰে পাকঘৰ, খাই থকা গ্ৰাহক আৰু আহি থকা গ্ৰাহকক প্ৰত্যক্ষ কৰিব পাৰো। পইচা মই হাতত ৰাখো, কাৰণ পইচা হৈছে শক্তিদায়িনী। যিটো বস্তুৱে মোক কামৰ প্ৰতি উৎসাহ দুগুণে বৃদ্ধি কৰে; কিন্তু সেই বস্তুটো উপলব্ধি কৰিব পাৰিব লাগিব। সমান্তৰালভাৱে ব্যৱসায় বহুতে কৰে, কিন্তু তাৰ মাজত ব্যৱসায়ত কিছু নিজস্বতা থাকিব লাগিব। ব্যৱসায়ৰ জৰিয়তে সমাজৰ কামো কৰিব লাগিব। যেনেকৈ ধৰক আমি ন-খোৱা পৰ্ব অনুষ্ঠিত কৰো। অসমৰ পৰম্পৰাগত খাদ্যৰ জৰিয়তে এই অনুষ্ঠান আয়োজন কৰা হয়। ফলত এনে পৰম্পৰা সকলোকে চিনাকি কৰাই দিয়াটো মোৰ দায়বদ্ধতা বুলি অনুভৱ কৰো আৰু এয়াও এক জাতিৰ সেৱা। এক কথাত ক'বলৈ গ'লে 'অসমীয়াগিৰি'। শেষত অসমবাসী ৰাইজলৈ নৱবৰ্ষৰ লগতে আগন্তুক ভোগালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিলো। আহক, হেৰাই যাব ধৰা কৰ্ম-সংস্কৃতি ওভতাই আনিবলৈ নৱবৰ্ষটোত প্ৰতিজনে পণ গ্ৰহণ কৰো।'

# নৱবৰ্ষত কৰ্মই হওক আমাৰ ধৰ্ম

তিনি পৃষ্ঠাৰ পৰা পৰা কেনে উপহাৰ বিচাৰে আদি একাধিক বিষয়ত তেওঁলোকৰ কথাত প্ৰকাশ পালে আশাৰ সন্ধান কৰাৰ দুৰ্বাৰ বাসনা।

### মৃণালী খতিৱৰা, প্ৰাক্তন ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়

নতুন বছৰ মানেই কিছু নতুন আশা আৰু নতুন পৰিকল্পনা। পৃথিৱীখন আৰু ধুনীয়াকৈ সজাই তোলাৰ সপোন দেখাৰ সময়। মই নতুন বছৰটোক আগৰ সময়বোৰতকৈ অলপ ব্যতিক্ৰমীৰূপে আগবঢ়াই নিয়াৰ কথা ভাবিছো। দেশখনত হৈ থকা মহামাৰীৰ ত্ৰাসৰ ফলত আমি সকলোৱে জীৱনৰ শৈক্ষিক, সামাজিক বা বিভিন্ন দিশত নভবা কিছুমান পৰিৱৰ্তন হ'ল যদিও আমি লাহে লাহে এই জটিলতাৰ পৰা বাট কাটি আগুৱাই যাবলৈ শিকিছো। সেয়েহে জীৱনৰ প্ৰত্যাহ্বানসমূহক সমাধান কৰাৰ দুগুণ উৎসাহ লৈ মই আগবাঢ়িব বিচাৰো। ২০২০-২১ বৰ্ষটো আমাৰ সকলোৱে বাবে প্ৰত্যাহ্বানেৰে ভৰা আছিল; কিন্তু ইয়াৰ মাজেৰেই আমি জীৱনত সংঘৰ্ষ কৰি আগুৱাবলৈ শিকিলো। নিজৰ লগতে পৰিয়াল-আত্মীয়, বন্ধুবৰ্গৰ স্বাস্থ্যৰ প্ৰতি যথেষ্ট সজাগ হ'লো আৰু জীৱনৰ মূল্য আগতকৈ অধিক বুজিব পৰা হ'লো; কিন্তু জীৱন আৰু সময় যিহেতু থমকি নৰয়, ঠিক তেনেকৈ আমিও সমাজ আৰু দেশখনৰ প্ৰতি কিছু সপোন লৈ আগবাঢ়িছো। দেশৰ অৰ্থনৈতিক দিশটোৱে বৰ্তমানে আমাক হতাশ কৰিছে। শ্ৰমিকসকলৰ জীৱনলৈ নমাই অনা দুৰ্যোগৰ কথাই মৰ্মাহত কৰি তোলে। তথাপি আমি আস্থা ৰাখিছো ভাল দিনৰ প্ৰতি। যুৱ-প্ৰজন্মৰ বহুতো লোকে ভিন্ন-ভিন্ন দিশত নিজৰ সৃষ্টিশীলতাৰে দেশখনক আগুৱাই নিবলৈ কৰা কিছুমান কামেও আমাক উৎসাহ দিয়ে। দেশখনৰ শান্তি-সম্প্ৰীতি আৰু বিকাশৰ বাবে আমি কিবা কৰিবলৈ সুযোগ পালে সদায়েই সাজু আছো আৰু এয়া আমি নিজৰ দায়িত্ব বুলিয়েই ভাবো। সকলোতকৈ গুৰুত্বপূৰ্ণ কথা, জীৱন আৰু দেশতকৈ শ্ৰেষ্ঠ যিহেতু একো হ'ব নোৱাৰে। গতিকে এই ক্ষেত্ৰত মই ৰাজনৈতিক হিংসা নিয়ন্ত্ৰণাধীন হোৱাটো বিচাৰো।

জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে আমাৰ পৰিচয় অসমীয়া, আমি ভাৰতীয় নাগৰিক। গতিকে এই একাত্মতা সকলো মানুহৰ মাজত থাকিলে আমি দেশখনক এখোজ হ'লেও আগবঢ়াই নিব পাৰিম। ভাৰতীয় সভ্যতা সংস্কৃতি বহুজাতিক-বহুভাষিক পৰিচয়েৰে পৰিচিত। এই বৃহত্তৰ ভাৰতীয় সভ্যতাৰে এটি গুৰুত্বপূৰ্ণ অংগ অসমৰ গোৰ্খাসকল। দেশখনৰ লগতে নিজৰ জনগোষ্ঠীৰ উন্নতিৰ আশা সকলোৱে ৰাখে। এগৰাকী গোৰ্খা যুৱতী হিচাপে মই দেখিছো শিক্ষানুষ্ঠানসমূহত অসমৰ গোৰ্খাসকলৰ সংখ্যা যথেষ্ট কম। শৈক্ষিক সজাগতা মই অসমৰ প্ৰতিটো জাতিৰ মাজত বৃদ্ধি হোৱাটো বিচাৰো। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুতগতিৰ মাজত অসমৰ খোজৰ গতি বৃদ্ধি কৰিবলৈ হ'লে শিক্ষাই প্ৰধান শক্তি। গতিকে এই দিশটোত অত্যধিক গুৰুত্ব দিয়াটো মই প্ৰয়োজনীয় বুলি ভাবো। মই সংগঠন নহয়, সমাজৰ সাংগঠনিক কৰ্মৰ বৃদ্ধি আৰু উন্নয়ন হোৱাটো বিচাৰো। সাংস্কৃতিক আৰু সাহিত্য ক্ষেত্ৰতো মানুহৰ মাজত আগ্ৰহ বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। এই আগ্ৰহে দেশ-সমাজ আগবাঢ়ি যোৱাত সহায় কৰিব। যুৱ-প্ৰজন্ম মানেই দেশৰ ভৱিষ্যৎ। অগ্ৰজৰ বাবে আমি দেশৰ বিশ্বাস, অনুজসকলৰ বাবে আমি ভৰষা। গতিকে আমি সকলো দিশৰ পৰা জীৱনটো সুচাৰুৰূপে চলাই নিব পাৰিলেহে জীৱনত সফল হৈছো বুলি ক'ব পাৰিম। মানুহৰ জীৱন আশাত বন্দী, সপোন অবিহনে মানুহবোৰ নিঃস্বাৰ্থ। ময়ো নতুন দিনক লৈ যথেষ্ট সপোন দেখিছো, অদৃশ্যজনৰ ওচৰত প্ৰাৰ্থনা কৰিছো নতুন দিনৰ বাবে। এই মহামাৰীৰ ত্ৰাসৰ পৰা মুক্ত হৈ আগৰ দৰে শিক্ষানুষ্ঠানৰ কোঠাবোৰ সজীৱ হোৱাৰ আশা, বজাৰ-দোকানবোৰত আকৌ আগৰ দৰে ভয় নোহোৱাকৈ মানুহক লগ পোৱাৰ আশা, পুৱা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত পোৱা ক'ভিডত আক্ৰান্তৰ সংখ্যা অতীত হৈ পৰাৰ আশা, ঘৰৰ চৌহদত শিশুসকলৰ খেলা-ধূলা আকৌ চাবলৈ পোৱাৰ আশা আৰু এইবোৰেই মই নতুন বছৰৰ উপহাৰৰূপে আশা ৰাখিছো।

### চাফিৰা বসুমতাৰী, ছাত্ৰী, জোনাই

নতুন বছৰটোক লৈ বৰ বিশেষ পৰিকল্পনা কৰা নাই; কিন্তু এইবাৰ পঢ়াৰ ক্ষেত্ৰত পূৰ্বতকৈ অধিক গুৰুত্ব দিব লাগিব। মাক ঘৰুৱা কামত সহায় কৰাৰ লগতে পঢ়াৰ বাবে অধিক সময় দিম বুলি সংকল্প লৈছো। সমগ্ৰ মানৱ জাতিৰ বাবেই প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে ক'ভিড-১৯। ক'ভিডৰ এই প্ৰত্যাহ্বান শীঘ্ৰেই অন্ত পৰাটো কামনা কৰো। সমাজ, সংস্কৃতি আৰু অৰ্থনীতিত বৰ বেয়াকৈ প্ৰভাৱ পেলাইছে এই ক'ভিডে। গতিকে ক'ভিডৰ অন্ত পৰিলে দেশৰ লগতে ৰাজ্যখনলৈয়ো কিছু সুস্থিৰতা আহিব আৰু ইয়াকে কামনা কৰো। অসমখন শান্তিপূৰ্ণ আৰু শস্য শ্যামলা হওক। সেউজীয়াবোৰ অটুট থাকক।

আমাৰ অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ এখন মিলনভূমি। ইয়াৰ সকলো মানুহেই মিলা-প্ৰীতিৰে বাস কৰক। যাতে আনে আমাৰ মাজত বিভাজনৰ সুযোগ ল'ব নোৱাৰে। এগৰাকী বড়ো জনগোষ্ঠীৰ যুৱতী হিচাপে মই ভাবো, অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া জাতি। বহু সময়ত এই জাতি-জনগোষ্ঠীৰ মাজত বিভেদ সৃষ্টি হৈছে, অনৈক্যৰ সৃষ্টি হৈছে। পৰিয়ালৰ সদস্যৰ মাজত বহু বিবাদ হোৱাৰ পাছতো দিনৰ শেষত একেখন ছালিৰ তলতে সকলোৱে বিশ্ৰাম লোৱাৰ দৰে সকলো জাতি-জনগোষ্ঠীয়েই অসমীয়া নামৰ ছালিখনৰ তলত বিশ্ৰাম লৈ আহিছে। এখন সমৃদ্ধিশালী অসমৰ বাবে এনে ঐক্যবদ্ধ পৰিৱেশ আৱশ্যক বুলি ভাবো। অৱশ্যে এগৰাকী বড়ো যুৱতী হিচাপে নিজৰ জনগোষ্ঠীৰ ঐতিহ্য, সংস্কৃতি, স্বকীয়তাও জিলিকি থকাটো বিচাৰো, ঠিক অসমৰ বুকুত এটুকুৰা উজ্জ্বল বাখৰৰ দৰে। যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰূপে মই বিচাৰো সকলোৱে মনবোৰ উদাৰ হওক। স্বাস্থ্য খণ্ডৰ উন্নতি ঘটাটো বিচাৰো। বিশেষকৈ বিশ্বৰ বিজ্ঞানীসকলে ক'ভিড প্ৰতিৰোধী ঔষধ আৱিষ্কাৰ কৰাটো বিশ্ববাসীলৈ অন্যতম উপহাৰ হ'ব বুলি ভাবো।

### সৰুমইনা বাস্কে, বিশ্বনাথ, স্নাতক

নতুন বছৰটোত মোৰ নিজকে প্ৰতিৰক্ষা বিভাগৰ ৰাষ্ট্ৰসৈনিকৰূপে আত্মনিয়োগ কৰাৰ অভিপ্ৰায় আছে। ৰাষ্ট্ৰসৈনিকৰূপে দেশ সেৱা কৰিম। তাৰ বাবে মই শাৰীৰিক মানসিক সক্ষমতাৰ বাবে অনুশীলন চলাই আছো। এটা কথা মানি লওঁ যে যোৱা বৰ্ষটো বৰ প্ৰত্যাহ্বানেৰে ভৰা আছিল। ক'ভিড পৰিস্থিতিৰ বাবে আমাৰ দেশখন বিপৰ্যয়ৰ সন্মুখীন হৈছে। হয়তো দেশখনৰ সুস্থিৰ অৱস্থা ঘূৰাই অনাৰ স্বাৰ্থত প্ৰত্যেক নাগৰিকে দায়বদ্ধতাৰে কাম কৰি যাব লাগিব। সুন্দৰ অসম গঢ় দিয়াৰ বাবে সুন্দৰ মনৰ অধিকাৰী হ'ব লাগিব। অসমখন প্ৰকৃত অৰ্থত সমৃদ্ধিশালী হোৱাটো বিচাৰো।

এগৰাকী আদিবাসী যুৱতীৰূপে মই ভাবো নিজা জনগোষ্ঠীটোৰ নিজৰ ভাষা, কলা-কৃষ্টি, সংস্কৃতি আৰু পৰম্পৰাক অক্ষুণ্ণ ৰাখিব লাগে। নিজৰ জাতীয় সাজ-পোছাক পৰিধান কৰাটো বৰ্তমানৰ সময়ত বাধ্যতামূলক বুলি বিবেচনা কৰো। সমান্তৰালকৈ নিজৰ ভাষাটোক জীয়াই ৰাখিব লাগে। ভাষা অবিহনে জাতিৰ অস্তিত্ব নাই। ভাষাই জাতিৰ ধাৰক আৰু বাহক। গতিকে ভাষাটো জীয়াই ৰাখিব লাগে। অসমখন যিহেতু বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। সেয়েহে মোৰ নিজৰ জনগোষ্ঠীটোও বৈচিত্ৰ্যময় অসমখনৰ অংশীদাৰ হওক। এখন সুস্থ-সবল শৈক্ষিক আৰু সংস্কাৰযুক্ত সমাজ এখন বিচাৰো। যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰূপে নৱবৰ্ষই যেন সকলোৱে জীৱনত সুখ-শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনে, তাৰেই কামনা কৰিছো। ক'ভিড আৰু দুৰ্নীতিমুক্ত অসম এখন বৰ্ষটোৰ পৰা উপহাৰ হিচাপে পাবলৈ বিচাৰো।

### পৰিণীতা মিলি

২০২০ পাছত ২০২১ বৰ্ষটোতো মানৱ সমাজৰ বাবে এক ভয়াৱহ পৰিস্থিতি আছিল। সমগ্ৰ বিশ্বই স্তব্ধ হৈ পৰিছিল। মানৱ সমাজৰ বাবে এক প্ৰত্যাহ্বানৰ সৃষ্টি হৈছিল। সকলোৱে জীৱন-যাপনৰ ৰূপ সলনি হৈ পৰিছিল। পৰম্পৰাগত পদ্ধতিৰ পৰা সকলোবোৰ ডিজিটেলাইজেছন হৈ পৰিছিল। ক'ভিডৰ বাবে হঠাৎ বন্ধ হোৱাৰ ফলত মানুহৰ অৰ্থনৈতিক দিশতো অনেক পৰিৱৰ্তন তথা সমস্যা আহিছিল। এটা সম্পূৰ্ণ নতুন ধৰণৰ অৰ্থনৈতিক প্ৰক্ৰিয়া আৰম্ভ হৈছিল। শিক্ষাৰ ক্ষেত্ৰৰ পৰা বেংকিং আদিলৈকে সকলো খণ্ডই সম্পূৰ্ণৰূপে পৰিৱৰ্তিত ৰূপ লাভ কৰিছিল। ইয়াৰ প্ৰভাৱ মধ্যবিত্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহৰ ওপৰত বেছিকৈ পৰিছিল। ক্ষুদ্ৰ ব্যৱসায়ীসকলো অনেক সমস্যাৰ সন্মুখীন হৈছিল। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহ আৰ্থিকভাৱে জুৰুলা হৈ পৰিছিল। খাদ্যৰ সংকট, ঔষধৰ অভাৱ আদি নানা ধৰণৰ সমস্যাই মানুহক কাতৰ কৰি তুলিছিল। শিক্ষাৰ ক্ষেত্ৰতো অনেক সমস্যাই দেখা দিলে। প্ৰাথমিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত শিশুসকল আহুকালত পৰিল। অনলাইন শিক্ষা অব্যাহত থাকিলেও স্মাৰ্টফোন, নেটৱৰ্ক আদিৰ অভাৱত গাঁও অঞ্চলৰ বহু শিক্ষাৰ্থীয়ে ইয়াৰ পৰা বঞ্চিত হৈ ৰ'ল। উচ্চ আৰু উচ্চতৰ পৰ্যায়ৰ শিক্ষাৰ্থীসকলেও বহু সংকটৰ সন্মুখীন হ'ল। এখন দেশৰ সু-নাগৰিক গঢ়াৰ বাবে শিক্ষাৰ্থীৰ গুৰুত্ব বহু বেছি। সেয়ে নতুন বছৰতে এই শিক্ষাৰ্থীসকলৰ উচ্চ ভৱিষ্যৎ গঢ়াৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি আশা ৰাখিছো। মই যিহেতু প্ৰৱলভাৱে আশাবাদী-উচ্চাকাংক্ষী, সেয়ে নতুন বছৰটোকো সমাজ, ৰাজ্য, দেশৰ ক্ষেত্ৰত যথেষ্ট আশাবাদী। কৰ্ম-সংস্থান, সু-স্বাস্থ্য, নিকা সমাজ, একতাৰ ভাব, ভ্ৰাতৃত্ববোধ, সমাজ তথা দেশৰ শান্তি-সম্প্ৰীতি গঢ়ি উঠক। আন দেশৰ সমানে আমাৰ দেশখনো উজ্বলি উঠক। সেয়াই কামনা কৰো।

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোৱাৰ দৰে পথাৰ আৰু বজাৰ যেতিয়ালৈকে জাতিৰ হাতত নাথাকিব, তেতিয়ালৈকে আমাৰ অসমখনে আগবাঢ়ি যাব নোৱাৰিব। তেওঁৰ কথাকে মূলমন্ত্ৰৰূপে লৈ মই নতুন বছৰত সজাগতা শিবিৰ আয়োজন কৰি মানুহক পথাৰ আৰু বজাৰ যে নিজৰ হাতৰ মুঠিত আনিব লাগে সেই সন্দৰ্ভত মানুহৰ ধাউতি অনাৰ চেষ্টা কৰিম। এগৰাকী মিচিং যুৱতীৰূপে মই ভাবো যে আমাৰ জনগোষ্ঠীৰ লগতে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়েই কৃষি-নিৰ্ভৰ। তথাপি আন ৰাজ্যৰ তুলনাত আমি কৃষিৰ ক্ষেত্ৰত বহু পাছপৰা। কাৰণ অসমৰ মানুহে এতিয়াও পৰম্পৰাগত কৃষিকাৰ্যকে অৱলম্বন কৰি আহিছে। অসমৰ কৃষকৰ কৃষিৰ মান উন্নত হোৱাৰ সপোন দেখো। ড০ ভূপেন হাজৰিকাই কোৱাৰ দৰে 'আমি অসমীয়া নহওঁ দুখীয়া বুলি শান্তনা লভিলে নহ'ব'; বৰঞ্চ কৰ্ম কৰিব লাগিব। সকলোৱে চৰকাৰ বা কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পৰিৱৰ্তে আমি সকলোৱে মিলি হাতে-কামে লাগিলেহে নতুন বছৰত এক নতুন অসম দেখা পাম। লগতে নতুন বছৰত পুনৰ ক'ভিডৰ সংহাৰ আৰু গোষ্ঠীগত সংঘৰ্ষ যাতে দেখা নাপাওঁ, তাৰে কামনা কৰিছো। যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰূপে নৱবৰ্ষৰ পৰা মই এইটোৱে উপহাৰ বিচাৰো যে সুধাকণ্ঠই কৈ যোৱাৰ দৰে 'মানুহে মানুহৰ বাবে' আমি সকলোৱে সকলোকে সহায়ৰ হাত আগবঢ়াব লাগিব। মানুহেই যদি মানুহক সহায় নকৰে, কোনে কৰিব? শেষত ক'ব বিচাৰো যে মাত্ৰ চৰকাৰী চাকৰি কৰিলেই মানুহে সফতলতা লাভ নকৰে; বিভিন্ন ধৰণৰ ব্যৱসায়-বাণিজ্যৰেও জীৱনত সফলতা অৰ্জন কৰিব পাৰি। কৰ্মই আমাৰ ধৰ্ম, গতিকে সকলোৱেই সৰু-বৰ সকলো কৰ্ম কৰিব লাগিব।

### জাহানাৰা বেগম

নতুন বছৰৰ আৰম্ভণি মই আমাৰ দেশী জনগোষ্ঠীয় পুযুণা উৎসৱ অতি ওলহ-মালহেৰে পালন কৰাৰ বাবে নিজকে প্ৰস্তুত কৰিছো। বিগত দুটা বৰ্ষত ক'ভিড পৰিস্থিতিত সমগ্ৰ বিশ্বই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ দৰে আমাৰ দেশী জনগোষ্ঠীৰ লোক সকলেও বিশেষকৈ আৰ্থিকভাৱে জুৰুলা হৈছে। যদিও নতুন বছৰটোত আমি সমূহ অসমবাসীৰ লগতে নতুন সমাজৰ প্ৰত্যেকটো ক্ষেত্ৰতে নতুন উদ্যম আৰু উদ্দীপনাৰে আগবাঢ়ি যাম বুলি আশা ৰাখিছো।

অসমত বাস কৰা প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ লগতে আমাৰ দেশী জনগোষ্ঠীটোৱেও যাতে সুকীয়া পৰিচয়েৰে এইখন অসমত সকলোৱে লগত মিলি সুন্দৰভাৱে জীয়াই থাকিব পাৰো, তাকেই কামনা কৰিছো। নতুন বছৰত আমাৰ দেশখন কেনে হোৱাটো বিচাৰো বুলিলে এটা কথাই ক'ব পাৰো। আমাৰ দেশখন ধৰ্মীয় পৰিচয়েৰে নহয়, বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমিৰূপে আগবাঢ়ি যোৱাটো বিচাৰো।

### ছুক্কুনি কে মাৰাক

নতুন বছৰৰ বাবে বহু আশা-আকাংক্ষা আছে। এটা যোগাত্মক মন লৈ নতুন বছৰটোৰ নতুন আশাৰে ৰৈ আছো। অসম আৰু দেশখন মংগলময় হওক আৰু সকলোৱে সকলোকে চিনিবলৈ, বুজিবলৈ চেষ্টা কৰক। ইয়াৰ লগতে এগৰাকী গাৰো সম্প্ৰদায়ৰ যুৱতীৰূপে মই আশা ৰাখিছো যে আমাৰ গাৰো জনগোষ্ঠীৰ লোকসকলেও সকলোৱে সমানে আগবাঢ়ি যোৱাৰ বাবে নতুন বছৰটোতে উদ্দীপনা লাভ কৰিব।

বিগত দুটা বছৰত ক'ভিড পৰিস্থিতিৰ বাবে বহুতো কাম আধৰুৱা হৈ থাকিল। নৱ প্ৰজন্মৰ এক প্ৰতিনিধিৰূপে মই নৱবৰ্ষৰ পৰা পূৰ্বৰ সকলো জটিলতা দূৰ হোৱাটো উপহাৰস্বৰূপে বিচাৰো। নিজৰ সকলো আশা-আকাংক্ষা পূৰণৰ বাবে নিজকে আত্মবিশ্বাসী ৰূপত অৱতীৰ্ণ হোৱাৰ কথা ভাবিছো। সকলো যুৱক-যুৱতীয়ে নিজ কৰ্মৰ প্ৰতি একাত্মতাৰে আৰু আত্মবিশ্বাসেৰে মনোযোগ কৰা উচিত।আমি দেখা পাওঁ যে চাকৰিৰ পাছত দৌৰি দৌৰি ভাগৰি পৰাৰ পাছতহে আমি কোনো ব্যৱসায়ত হাত দিওঁ। ফলত অবাবত আমাৰ সময় নষ্ট হয় আৰু বয়সো আধা পাৰ হয়। গতিকে চাকৰিমুখী নহৈ নিজ ইচ্ছানুসৰি এটা বৃত্তি নিৰ্বাচন কৰি ব্যৱসায় আৰম্ভ কৰি আত্মনিৰ্ভৰশীল হোৱাৰ লগতে আন দুই-তিনিজনক সংস্থাপন দিয়াত মনোনিবেশ কৰা উচিত।

আশাকৰো দেশৰ ৰাজনৈতিক অস্থিৰতা দূৰ হওক, ৰাজ্যসমূহৰ লগতে দেশৰ সীমা সমস্যাৰ শান্তিপূৰ্ণ সমাধান, চুৰি-ডকাইতি আদি নোহোৱা হওক। সমাজ, ৰাজ্য, দেশখন সমৃদ্ধিশালী, আত্মনিৰ্ভৰশীল হওক।

ভৰলীৰ পানী প্ৰদূষণক লৈ শংকা দূৰ হোৱা নাই ৰাইজৰ মাজত

# বনভোজৰ বতৰত নিজম নিতাল পৰিৱেশ জীয়াভৰলীৰ পাৰ



পেঙেৰীত আলফা (স্বাধীন)ত যোগদান কৰিবলৈ যোৱা চাৰি যুৱকক আটক, শুকুৰবাৰে।

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩১ ডিচেম্বৰ ঃ** এতিয়া বনভোজৰ বতৰ। শীতৰ বতৰত প্ৰকৃতিৰ কোলাত পৰিয়াল-বন্ধুবৰ্গ লগত অথবা বন্ধু-বৰ্গৰ লগত এসাঁজ আনন্দ মনেৰে খোৱাৰ উদ্দেশ্যে বনভোজস্থলীসমূহত উপস্থিত হৈছেহি বনভোজকাৰীৰ দল। উখল-মাখল হৈ পৰিছে বনভোজৰ স্থলীসমূহ। কিন্তু বনভোজৰ বতৰত এইবাৰ এক নিমাওমাও পৰিবেশ বিৰাজ কৰি আছে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ জীয়াভৰলী নদীৰ পাৰৰ বনভোজস্থলী। এতিয়ালৈকে জীয়াভৰলী নদীৰ পাৰত দেখিবলৈ পোৱা নাই এটাও বনভোজৰ দল। বিগত বৰ্ষসমূহত সাধাৰণতে ১৫ ডিচেম্বৰৰ পৰাই উখল-মাখল হৈ থকা জীয়াভৰলী নদীৰ পাৰত এতিয়া প্ৰত্যক্ষ কৰা হৈছে এক বিশাল শূন্যতা। চৌদিশে কেৱল নিমাওমাও পৰিৱেশ। আচলতে বিগত ডেৰ মাহৰ আগৰ পৰাই জীয়াভৰলী নদীৰ পানী ঘোলা হৈ চিমেণ্ট মিহলি পানীৰ দৰে হৈ পৰাত শোণিতপুৰ জিলা প্ৰশাসনে জীয়াভৰলী নদীৰ পানী ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। ফলত বনভোজৰ বতৰত শংকা দূৰ নোহোৱাৰ বাবেই জীয়াভৰলী নদীৰ পাৰত বনভোজ খাবলৈ উপস্থিত হোৱা নাই বনভোজৰ দল। ইফালে নদীখনৰ পাৰত থকা একাংশ দোকানীৰ বনভোজৰ দল নহাৰ বাবেই বেপাৰ-বাণিজ্য প্ৰায় শূন্য হৈ পৰা বুলি ব্যক্ত কৰিছে দোকানীসকলে। অৱশ্যে জীয়াভৰলী পানী বৰ্তমান পৰিষ্কাৰ হোৱাকৈ চাই জানুৱাৰীত বনভোজৰ দল উপস্থিত হ'ব বুলি আশাবাদী স্থানীয় ৰাইজ।

## উপায়ুক্তক আগচি ধৰিলে বন্যহস্তীয়ে

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩১ ডিচেম্বৰ ঃ** সৰ্বসাধাৰণ ৰাইজৰ ঘৰ ভাঙি খাদ্য-সামগ্ৰী খাই নষ্ট কৰা বনৰীয়া হাতীয়ে এইবাৰ উপায়ুক্তক আগচি ধৰিলে। হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰীৰ বিশেষ কামত পশ্চিম কাৰ্বিআংলং জিলালৈ যোৱাৰ সময়ত এই ঘটনা সংঘটিত হয়। উপায়ুক্তজনে পশ্চিম কাৰ্বিআংলং জিলাৰ সীমা পাবলৈ কিছু সময় থকাৰ সময়তে কোমোকাটা বনাঞ্চলৰ পৰা ওলাই এহাল দঁতাল হাতীয়ে উপায়ুক্তৰ পথ অৱৰোধ কৰে। উপায়ুক্তৰ লগতে সেই পথেৰে যাতায়াত কৰা বহু যানবাহন আবদ্ধ হৈ পৰে। পাছত বন বিভাগৰ লোকে হাতীটো বনাঞ্চললৈ খেদি পঠিওৱাৰ পথছোৱা মুকলি কৰে আৰু পুনৰ যাতায়াত আৰম্ভ হয়।

■ নলবাৰীত কৃষক সভাৰ কৰ্মী সভা সম্পন্ন

## জিএছটি বৃদ্ধিৰে বিজেপিয়ে ৰাইজক মাধমাৰ শোধাইছে

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩১ ডিচেম্বৰ ঃ** নিখিল ভাৰত কৃষক সভাৰ অন্তৰ্ভুক্ত নলবাৰী আঞ্চলিক কৃষক সভাৰ আহ্বানত কৃষক সভাৰ নলবাৰী কাৰ্যালয় প্ৰাংগণত কালি কৰ্মীসকলৰ এখন সভা অনুষ্ঠিত হয়। ৰাজীৱ আলীয়ে আঁত ধৰা কৃষক আন্দোলনৰ কৰ্মীসকলৰ সভাত সভাপতিত্বত কৰে দ্বীপজ্যোতি তালুকদাৰে। উক্ত সভাত উপস্থিত থাকি বাঁওপন্থী নেতা ৰবীন মিশ্ৰই ভাষণত কয় যে অতি সম্প্ৰতি বিজেপি চৰকাৰে পুনঃ বিজুলী মাচুল বৃদ্ধিৰ সিদ্ধান্ত, কাপোৰ, জোতা, চেণ্ডেল, ঔষধ আদি বয়বস্তুৰ ওপৰত পাঁচ শতাংশৰ পৰা একেকোবে ১২ শতাংশলৈ জিএছটি বৃদ্ধিৰ সিদ্ধান্ত সাধাৰণ জনতাক হাৰাশাস্তি কৰা কাম এয়া। বিজেপি চৰকাৰ কৃষক, শ্ৰমিকৰ স্বাৰ্থ কাম কৰা চৰকাৰ নহয়। ৰাইজৰ মাজত মিথ্যাচাৰৰ বন্যা বোৱাই গণতান্ত্ৰিক চিন্তা চেতনা ধ্বংস কৰিবলৈ সকলো ৰকমৰ ঘৃণ্য পদক্ষেপ গ্ৰহণ কৰা চৰকাৰী নীতিৰ বিৰুদ্ধে ঐক্যবদ্ধ কৃষক আন্দোলন গঢ়ি তুলিবলৈ কৃষক সমাজক মিশ্ৰই আহ্বান জনায়। তেওঁ লগতে নলবাৰী জিলাত বিগত বৰ্ষত ১০ হেজাৰ কৃষক সভাৰ সভ্যৰ বিপৰীতে এইবেলি ২৫ হেজাৰ সভ্য ভৰ্তি কৰাত সকলোক গুৰুত্ব দিবলৈ ভাষণত দোহাৰে। কৃষক নেতা ৰাজীৱ আলীয়ে ভাষণত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে গ্ৰহণ কৰা জনবিৰোধী নীতি সৰ্বসাধাৰণ ৰাইজৰ নাজল-নাথল পৰিৱেশৰ সৃষ্টি কৰিবলৈ গৈ আছে বুলি মন্তব্য কৰে। ইফালে চৰকাৰে নিয়োগ মেলাৰ চমকৰ নামত ব্যাপক সংখ্যক যুৱকক প্ৰতাৰণা কৰা কাৰ্যৰ সন্মুখীন হৈছে মূলতঃ খেতিয়ক, দুখীয়া পৰিয়ালৰ সন্তান বুলি দোহাৰে। সভাত আগন্তুক ২৩ জানুৱাৰীত কৃষকৰ এখন অভিৱৰ্তন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

আলোচনাচক্ৰ, সম্বৰ্ধনা, গ্ৰন্থ উন্মোচনেৰে বিস্তৃত কাৰ্যসূচী

## আঠ-ন জানুৱাৰীত টিআৰবি হাইস্কুলৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৩১ ডিচেম্বৰ ঃ** গৌৰৱোজ্জ্বল ৭৫ বছৰ অতিক্ৰম কৰা ন-আলি ঢেকিয়াজুলি তিতাৰাম বৰদলৈ উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান অহা আঠ-ন জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ আয়োজন চলিছে। তদুপলক্ষে আঠ জানুৱাৰীত জয়ন্তীৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি অতুল চন্দ্ৰ বৰদলৈ আৰু বিদ্যালয়ৰ পতাকা উত্তোলন কৰিব প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈয়ে। লগতে প্ৰতিটো বছৰৰ প্ৰাক্তন শিক্ষাৰ্থীৰ ৭৪ খন পতাকা উত্তোলন কৰিব। বৃক্ষৰোপণ কৰিব বিদ্যালয়ৰ প্ৰাক্তন সভাপতি ভোগেশ্বৰ শইকীয়াই। স্মৃতি তৰ্পণ কৰিব প্ৰাক্তন প্ৰধান শিক্ষক নীলকান্ত দত্তই। গ্ৰন্থ উন্মোচন সভা পৌৰোহিত্য কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক, সাহিত্যিক ড° প্ৰদীপ কুমাৰ বৰুৱাই। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষা বিনীতা দত্ত আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে আৰু নৱনিৰ্মিত গৃহ উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিপিন খণ্ডীয়াই। ইয়াৰ পাছতেই প্ৰদৰ্শনী দ্বাৰ, পানীযোগ আঁচনি উদ্বোধন কৰিব ক্ৰমে কৃতী শিক্ষক চন্দ্ৰধৰ বৰদলৈ আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেশ দত্তই। দুপৰীয়া প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ, আদৰণি অনুষ্ঠান উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত ক্ষেত্ৰ বিষয়া যোগেশ্বৰ গগৈয়ে। অনুষ্ঠানৰ সভাপতিত্ব কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়াই। ১৩ পৃষ্ঠাত চাওক

## অসমত চাহ উদ্যোগৰ সংকট হৈছে যদিও বহু চাহ বাগিচাই সুনাম অৰ্জন কৰিছে

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩১ ডিচেম্বৰ ঃ** বৰ্তমান দেশখনত অৰ্থনীতিত অদ্ভুত ভূমিকা পালন কৰি থকা চাহ উদ্যোগটোৱে কিছু সমস্যাৰ সন্মুখীন হোৱা পৰিপ্ৰেক্ষিতত চাহ সন্থাকে ধৰি চাহ বাগিচাৰ স্বত্বাধিকাৰী আৰু পৰিচালকসকলে চাহ উদ্যোগটোৰ সংকটৰ সন্দৰ্ভত প্ৰচাৰ কৰি থকাৰ ফলত চাহ বাগিচাৰ লগত জড়িত শ্ৰমিক-কৰ্মচাৰীসকলে নিৰাশ আৰু হতাশাত ভুগিছে বুলি সদৰী কৰিছে অসম চাহ মজদুৰ সংঘৰ কোষাধ্যক্ষ তথা মৰাণ শাখা সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে। এক বিবৃতিত তাঁতীয়ে উল্লেখ কৰা মতে জলবায়ু পৰিবৰ্তন, চাহ গছৰ বেমাৰ, সাৰ-কয়লাৰ অনাটনৰ লগতে ক'ভিড আৰু তলাবন্ধৰ কাৰণে চাহ উদ্যোগটো কিছু ক্ষতি হোৱাটো সত্য যদিও এইটো কোনো সংকট নহয়। গুৱাহাটী চাহ নিলাম কেন্দ্ৰই প্ৰকাশ কৰা তথ্য মতে ৰাজ্যখনৰ হালমাৰি, সুকমল, ডবা, দিহা, কলিয়াবৰৰ ১৩ পৃষ্ঠাত চাওক

## ঊষা গৰঙাত সাঁচি গছ চুৰি

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৩১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অধীনৰ ঊষা গৰঙা তিনিআলি নাতি দূৰৰ এগৰাকী সাঁচি খেতিয়কৰ বাৰীৰ পৰা যোৱা ২৯ ডিচেম্বৰ নিশা চোৰে দুই লক্ষাধিক টকাৰ কে'বাডালো সাঁচিগছ চুৰ কৰে। সাঁচি খেতিয়ক মেৰাজুৰ ৰহমানৰ নিজাঘৰৰ কাষতে লাগি থকা বাৰীৰ পৰা চোৰে সাঁচি কেইডাল চুৰ কৰে।

## ছিকিমত জিলিকিল শদিয়াৰ জীয়ৰী পিংকি লিম্বু

**ডুমডুমা, ৩১ ডিচেম্বৰ ঃ** ছিকিমত নিয়াৰা প্ৰডাক্টচনে আয়োজন কৰা 'য়াকুথুং আইডল ছেচন-১, ২০২১'ৰ চূড়ান্ত খিতাপ অৰ্জন কৰি তিনিচুকীয়া জিলাৰ শদিয়া মহকুমালৈ পিংকি লিম্বুৱে গৌৰৱ কঢ়িয়াই আনিছে। অসম তথা শদিয়ালৈ গৌৰৱ কঢ়িয়াই অনা পিংকি লিম্বু শদিয়াৰ এক নম্বৰ ন-পতিয়া হাৰাম বস্তিৰ নিবাসী। ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠা পিংকি লিম্বুক বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে শুভেচ্ছা জ্ঞাপন কৰিছে।

## শুৱালকুছিৰ সেউজ বালিচৰত আত্মসহায়ক গোটৰ সন্মিলিত শীত সমাৰোহ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩১ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান লগতে শুৱালকুছি উন্নয়ন খণ্ড প্ৰকল্প পৰিচালনা শাখাৰ অন্তৰ্গত আশাদ্বীপ আৰু মহাবাহু মণ্ডল সংগঠনৰ সৌজন্যত শুৱালকুছি বালিচৰত দুদিনীয়া পৰিক্ৰমাৰে অনুষ্ঠিত হয় সন্মিলিত শীত সমাৰোহ। আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন তথা নিজ হাতেৰে প্ৰস্তুত কৰি ওলোৱা বিভিন্ন সামগ্ৰী বিক্ৰী কৰাৰ উদ্দেশ্যেৰে অনুষ্ঠিত কৰা সমাৰোহত অংশগ্ৰহণ কৰে প্ৰায় অৰ্ধশতাধিক আত্মসহায়ক গোটৰ মহিলাসকলে। ৪০খন বিপণীত লাডু-পিঠাকে ধৰি গোটৰ মহিলাসকলে নিজ হাতে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰী কৰে। যোৱা দুদিন ধৰি বিপণীসমূহত গ্ৰাহকৰ লানিনিছিগা সোঁতে গোটৰ মহিলাসকলক উৎসাহিত কৰে। চৰকাৰে প্ৰদান কৰা অনুদানৰে মহিলাসকল যে বজাৰ দখল কৰিব পৰাকৈ নিজকে সাজু কৰি তুলিছে সন্মিলিত শীত সমাৰোহে প্ৰমাণ কৰিছে বুলি ৰাইজে মতপোষণ কৰে। দৰাচলতে, অসম ৰাজ্যিক গ্ৰামীণ অভিকৰণ অভিযানৰ শুৱালকুছি উন্নয়ন খণ্ডৰ আশাদ্বীপ আৰু মহাবাহু গাঁও সংগঠনৰ সহযোগত অঞ্চলটোৰ আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন তথা নিজ হাতেৰে প্ৰস্তুত কৰি ওলোৱা বিভিন্ন সামগ্ৰী বিক্ৰী কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হৈছে সন্মিলিত শীত সমাৰোহ। শীত সমাৰোহত নিজ নিজ আত্মসহায়ক গোটে উৎপাদন কৰা সামগ্ৰী বিক্ৰীৰ বাবে পুৱাতে আহি ভিৰ কৰেহি বহু মহিলাই। আনহাতে, অনুষ্ঠানৰ আৰম্ভণিতে পৰিবেশন কৰা জাতীয় সংগীতটো ভুলকৈ পৰিৱেশন কৰাত সমগ্ৰ অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

### জাতীয় সংগীত ভুলকৈ পৰিবেশন কৰাত ৰাজহুৱাকৈ ক্ষমা বিচাৰিলে আয়োজক সমিতিয়ে

## চেলেংহাটত নিশা চোৰে কাটি নিলে বহুমূলীয়া সাঁচি গছ

**চেলেংহাট, ৩১ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলত চোৰৰ উপদ্ৰৱ ক্ৰমাৎ বৃদ্ধি পাইছে। সদ্যহতে চোৰে লক্ষ্য কৰি লৈছে জনবসতিৰ পৰা আঁতৰত থকা বহুমূলীয়া সাঁচি গছ। ইতিপূৰ্বে চেলেংহাটৰ বিভিন্ন স্থানত ৰাতিৰ আন্ধাৰত বহুমূলীয়া সাঁচি গছ চুৰি কৰাৰ ঘটনা সংঘটিত হৈছে। অনুৰূপ ধৰণে যোৱা নিশাও চেলেংহাটৰ কুকুৰাচোৱা গাঁৱৰ নিবাসী ক্ষুদ্ৰ চাহ খেতিয়ক মণ্টু শইকীয়াৰ চাহ বাগিচাত থকা এডাল বহুমূলীয়া সাঁচি গছ চুৰি কৰি লৈ যায়। গছডালৰ আনুমানিক মূল্য প্ৰায় পয়ত্ৰিশ হেজাৰ হ'ব বুলি গৃহস্থ মণ্টু শইকীয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। পুৱা সাঁচি গছ চুৰিৰ বিষয়ে জানিব পাৰি চেলেংহাট আৰক্ষীক বিষয়টি অৱগত কৰি এজাহাৰ দাখিল কৰে।

## চৰাইবাহীত বাটৰ নাট প্ৰদৰ্শন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ

**মৰিগাঁও, ৩১ ডিচেম্বৰ ঃ** ৰাজ্যত দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে পৰিবহণ বিভাগৰ লগতে আন আন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে পথ সুৰক্ষা সজাগতা বৃদ্ধি কৰি আহিছে। এই ক্ষেত্ৰত কালি পথ সুৰক্ষা সজাগতা বৃদ্ধিৰ উদ্দেশ্যে মৰিগাঁও জিলাৰ চৰাইবাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ অংশকালীন সহকাৰী অধ্যাপক লক্ষ্যজ্যোতি হাজৰিকাৰ পৰিচালনাত চৰাইবাহী অঞ্চলৰ তিনি স্থানত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। চৰাইবাহী অঞ্চলৰ তেতেলীতল তিনিআলি, চন্দ্ৰপুৰ চাৰিআলি আৰু বৰভগীয়া বকুলতল তিনিআলিত ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা বাটৰ নাটখনৰ জৰিয়তে সকলোৱে যাতে পথ সুৰক্ষা আইনৰ সকলো নীতি-নিয়ম মানি চলে তাৰ বাবে আহ্বান জনায়।

## জাঁজীমুখৰ বনভোজস্থলীত পূৰ্বৰ দৰে নাই বনভোজৰ দল

অগ্ৰদূত বাৰ্তা

**টীয়ক, ৩১ ডিচেম্বৰ ঃ** ক'ভিড-১৯-এ জুৰুলা কৰাৰ পাছত ৰাজ্যলৈ কিছু কিছু ক্ষেত্ৰত স্বাভাৱিক অৱস্থা ঘূৰি আহিছে যদিও এতিয়াও মানুহৰ ভয় আৰু শংকা আঁতৰ হোৱা নাই, যাৰ প্ৰভাৱ পৰিছে বনভোজস্থলীসমূহত। যোৰহাট জিলাৰ উত্তৰ-পূব কোণত অৱস্থিত জাঁজীমুখ এখন প্ৰাকৃতিকভাৱে ভৰপুৰ ঠাই। প্ৰতি বছৰে বান আৰু খহনীয়াই জুৰুলা কৰাৰ লগতে ইয়াৰ ভৌগোলিক অৱস্থা সংকুচিত কৰিলেও ৰাইজে নতুন ১৩ পৃষ্ঠাত চাওক

## 'সঠিক খোৱাৰ প্ৰত্যাহ্বান' শীৰ্ষক সজাগতা সভা অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩১ ডিচেম্বৰ ঃ** যোৰহাট জিলা খাদ্য সুৰক্ষা বিভাগ আৰু জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত জে বি ৰোডৰ লাচিত শাৰীৰিক চৰ্চা আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰ (চকীহাট অংগনৱাড়ী কেন্দ্ৰত) সঠিক খোৱাৰ প্ৰত্যাহ্বান সন্দৰ্ভত কালি এখন সজাগতা সভা অনুষ্ঠিত হয়। খাদ্য সুৰক্ষা বিভাগৰ বিষয়া হিৰেন কলিতা, জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া বিভূতিভূষণ দাস আৰু বিনি গোহাঁই উপস্থিত থাকি ৰাইজক কেনেধৰণৰ খাদ্য স্বাস্থ্যৰ পক্ষে উপকাৰী সেই বিষয়েও বক্তব্য আগবঢ়ায়। ভাৰতৰ ১৫০খন জিলা আৰু চহৰৰ লগতে উত্তৰ-পূবৰ ৩৩খন জিলাৰ ভিতৰত একমাত্ৰ যোৰহাট জিলায়ে এই সুযোগ লাভ কৰিছে। মানুহে প্ৰচুৰ পৰিমাণে পানী খাব লাগে, তেলত ভজা খাদ্যৰ বিপৰীতে সিজোৱা খাদ্য খাব লাগে, বেছিকৈ চেনি, চৰ্বি, নিমখ আদি বেছিকৈ খাব নালাগে। ভজা খাদ্য খালে মানুহৰ বিভিন্ন বেমাৰ-আজাৰ হয়। সঠিকভাৱে খোৱা-বোৱা কৰিলে নিজৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি খোৱা-বোৱা কৰিলে সু-স্বাস্থ্যৰ অধিকাৰী হ'ব।

## তিতাবৰত একশৰণ ভাগৱতী সমাজৰ পালনাম আৰু ধৰ্মালোচনী সভা আয়োজন

**তিতাবৰ, ৩১ ডিচেম্বৰ ঃ** একশৰণ ভাগৱতী সমাজৰ তিতাবৰ জিলা শাখাৰ নামঘৰত যোৱা ২৯ ডিচেম্বৰত তিতাবৰ জিলা শাখাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। নৰেন পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ কাৰ্যসূচী গুৰু স্মৰণেৰে আৰম্ভ হোৱাৰ পাছতে অসম একশৰণ ভাগৱতী সমাজৰ নৱনিৰ্বাচিত প্ৰাদেশিক পালনাম আচাৰ্য, প্ৰাদেশিক তত্ত্ব পৰিষদৰ সদস্য মহেন্দ্ৰ দাস আৰু অসম একশৰণ ভাগৱতী সমাজৰ তিতাবৰ জিলাৰ নৱনিৰ্বাচিত পালনাম আচাৰ্য ১৩ পৃষ্ঠাত চাওক

বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ এদল ছাত্ৰ-ছাত্ৰীৰ প্ৰশংসনীয় পদক্ষেপ

## ছাত্ৰ-ছাত্ৰীয়ে ৰোপণ কৰা ফুল বিক্ৰী কৰি পোৱা ধন খৰচ কৰা হৈছে উন্নয়ন পুঁজিত

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩১ ডিচেম্বৰ ঃ** বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰশংসনীয় পদক্ষেপ। মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীয়ে গঢ়ি তুলিছে ৰং-বিৰঙৰ বিভিন্ন প্ৰজাতিৰ ফুল। বিশ্বনাথ কৃষি মহাবিদ্যালয় এতিয়া বহুতৰে বাবে হৈ পৰিছে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে কৰা এই ফুলৰ সুবাস ল'ব এতিয়া ৰাইজৰ লানি-নিছিগা ভিৰ। ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদত এই ফুল লালন-পালন কৰি তৈয়াৰ কৰিবলৈ সক্ষম হৈছে। এই বাগিচাৰ ফুল কেৱল কৃষি মহাবিদ্যালয় চৌহদতে সীমাবদ্ধ হৈ থকা নাই। এই বাগিচাৰ ফুলৰ সুবাস এতিয়া বিশ্বনাথ নগৰতো বৈ গৈছে। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে কষ্ট কৰি কৰা ফুলৰ মূল্য বুজি পাইছে বিশ্বনাথবাসী ৰাইজে। ছাত্ৰ-ছাত্ৰীয়ে এই ফুল প্ৰতিদিনে নিজে গৈ বিক্ৰী কৰি আহিছে বিশ্বনাথ নগৰত। বিশ্বনাথ নগৰবাসীও এই ফুল ক্ৰয় কৰি সন্তুষ্টি লভিছে। আনহাতে, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই ফুল বিক্ৰী কৰি পোৱা ধন খৰচ কৰা হ'ব মহাবিদ্যালয়খনৰ উন্নয়নৰ কামত। আনহাতে, নতুন বছৰত আপোনাৰ প্ৰিয়জনক যদি ফুল উপহাৰ দিব বিচাৰে। তেনেহ'লে আহিব পাৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ত। বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই পদক্ষেপ শলাগ লৈছে বিশ্বনাথবাসী ৰাইজে।



ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ দলীয় প্ৰাৰ্থীৰ মনোনয় দাখিলৰ সময়ত ৰাজ্যসভাৰ সাংসদ কামাখ্য প্ৰসাদ তাছা।

## টেঙাখাতত ৰাইজৰ দলৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৩১ ডিচেম্বৰ ঃ** ৰাইজৰ দলৰ দুলীয়াজান সমষ্টি সমিতিৰ বৰ্ষপূৰ্তিৰ উপলক্ষে কালি টেঙাখাতৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ৰংগমঞ্চত এখনি সাংগঠনিক সভা অনুষ্ঠিত কৰা হয়। দুলীয়াজান সমষ্টি সমিতিৰ উপসভাপতি বলীন বৰশইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সাংগঠনিক সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক যতীন বৰুৱাই। তেওঁ কয় যে অসমৰ ৭০ টা সংগঠন সন্মিলনত ২০২০ৰ দুই অক্টোবৰত অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত বিকল্প আঞ্চলিক দল হিচাপে ৰাইজৰ দলে জন্ম লাভ কৰিছিল। ৰাইজৰ দলৰ দুলীয়াজান সমষ্টি সমিতিখন ২৯ ডিচেম্বৰত গঠন কৰা হৈছিল। দুলীয়াজান সমষ্টিত ৰাইজৰ দলৰ সাংগঠনিক ভেটি সৱল কৰি তুলিবলৈ উপস্থিত দলৰ কৰ্মীসকলৰ পৰা মতামত বিচৰা হৈছে। আগন্তুক দিনত সমষ্টিটোৰ ৰাইজৰ মাজত ৰাইজৰ দলৰ ১৩ পৃষ্ঠাত চাওক

## গোলাঘাট জিলা বিজেপিৰ বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৩১ ডিচেম্বৰ ঃ** গোলাঘাট জিলা বিজেপি কিষাণ মৰ্চাৰ উদ্যোগত পদুমণি মণ্ডল কিষাণ মৰ্চাৰ আৰু ভিজনপ্লাছ অপ্টিকেলৰ সহযোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰ কালি গোলাঘাট পঞ্চায়ত কাৰ্যালয়ত অনুষ্ঠিত হয়। উল্লেখ্য যে চকু বিশেষজ্ঞ ডাঃ মৌচুম দাসে চিকিৎসা আগবঢ়োৱা শিবিৰ উদ্বোধন কৰে বিজেপি জ্যেষ্ঠ কাৰ্যকৰ্তা অশোক বৰঠাকুৰে। সভাত উপস্থিত থাকে কিষাণ মৰ্চাৰ সভাপতি দ্বিজু গগৈ, ৰাজ্যিক সদস্য শুভ্ৰজ্যোতি কলিতা, পদুমণি মণ্ডলৰ সাধাৰণ সম্পাদক পূৰ্ণ শইকীয়া, আঞ্চলিক সদস্য দ্বীপজ্যোতি শইকীয়া, চিকিৎসাকৰ্মী পংকজ বৰ্মন ভিকি গুপ্তা, শক্তিকেন্দ্ৰ আহ্বায়কসকল, বুথৰ সভাপতিসকল, ৱাৰ্ডৰ সদস্যসকল প্ৰমুখ্যে পঞ্চায়ত প্ৰতিনিধিসকল উপস্থিত থাকে। আয়োজক সমিতিয়ে জনোৱা মতে, উক্ত ৬০০শ চকুৰ কেট্ৰেৰেক আৰু ছানি কৰা ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে।

## যোৰহাটত চলিছে উত্তৰ-পূৱত বিশ্বমানৰ উদ্যোগী গঢ়াৰ কৃষি প্ৰযুক্তি উষ্মায়ক কেন্দ্ৰ

### কৃষি উদ্যমিতা-উদ্যোগীকৰণৰ দিশত উত্তৰ পূৱত নৱজাগৰণৰ প্ৰয়াস কৃষি বিশ্ববিদ্যালয়ৰ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ৩১ ডিচেম্বৰ ঃ** উত্তৰ-পূব ভাৰতৰ প্ৰাকৃতিক সম্পদৰাজিৰ যথোচিত ব্যৱহাৰ কৰি নতুন প্ৰজন্মক উদ্যোগীৰূপে গঢ় দিয়া লক্ষ্যৰে আগবাঢ়িছে অসম কৃষি বিশ্ববিদ্যালয়। দুবছৰ পূৰ্বে আৰম্ভ কৰা এই ভৱিষ্যতদৰ্শী পৰিক্ৰমাই ক'ভিডকালৰ দৰে জটিল পৰিস্থিতিতো ইতিবাচক দৃষ্টিভংগী আৰু উপযুক্ত পৰিকল্পনাৰে আগুৱাই গৈ নতুন নতুন উদ্যোগক গঢ় দি অসমক ঔদ্যোগীকভাৱে স্বাৱলম্বী কৰাৰ দিশে নিৰন্তৰ গতিৰে আগুৱাই গৈছে। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়স্থিত নীট ই হাব তথা অটল ইনক্যুবেছন চেণ্টাৰটোৱে গ্ৰহণ কৰা কৰ্মসূচীয়ে কৃষি উদ্যোগীৰ নতুন ধাৰণা সৃষ্টি কৰাই নহয় উত্তৰ-পূব ভাৰতৰ কৃষি উদ্যোগ, কৃষি উদ্যোগী আৰু কৃষি অৰ্থনীতিৰ দিশত নতুন সম্ভাৱনীয়তাৰ প্ৰতিশ্ৰুতি বহণ কৰিছে। চালুকীয়া অৱস্থাতে থকা কেন্দ্ৰটোৱে আৰম্ভণিৰে পৰা বৰ্তমানলৈকে ৬৩ জন প্ৰতিশ্ৰুতিপূৰ্ণ উদ্যোগী আৰু ৫০ জন সম্ভাৱনাপূৰ্ণ উদ্যোগীক নতুন ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। মূলত কৃষিজাত দ্ৰব্যভিত্তিক আৰু থলুৱা উপাদানৰ জৰিয়তে উদ্যোগ গঢ় দিয়াৰ বাবে বিশেষ ব্যৱস্থাৰে ২০১৯ত কামকাজ আৰম্ভ কৰা এই কেন্দ্ৰটোৱে বৰ্তমানলৈকে উত্তৰ পূবৰ ১৩১ জন কৃষি আৰু ইয়াৰ আনুষংগিক দিশৰ স'তে জড়িত ঔদ্যোগীক বিশেষভাৱে সহায় কৰি অসমত তৃণমুল পৰ্যায়ত এক সুদৃঢ় উদ্যোগ তৈয়াৰ আন্তঃগাঁঠনি গঢ়ি তুলিছে। এই প্ৰচেষ্টাই ইতিমধ্যে যথোচিত সঁহাৰি লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ 'মন কি বাট' অনুষ্ঠানতো স্থান লাভ কৰিছে এই উদ্যোগী নিৰ্মাণ কেন্দ্ৰই আগুৱাই নিয়া উদ্যোগীয়ে । ইয়াৰ শেহতীয়া উদাহৰণ অসম গৌৰৱ সন্মান লাভ কৰা উদ্যোগী মনোজ বসুমতাৰী, জৈৱিক ৰোগ প্ৰতিৰোধী কেচুসাৰ উৎপাদন কৰি প্ৰধানমন্ত্ৰীৰ 'মন কি বাত'ত স্থান লাভ কৰা কণিকা তালুকদাৰ, পদুমৰ ঠাৰিৰ পৰা সুতা উলিয়াই উদ্যোগ গঢ় দিয়া মণিপুৰৰ তনব্ৰাম বিজয়শান্তিৰ দৰে বহুজন। উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামালৰ পৰা ইয়াৰ গুণগত মান নিৰ্ণয়ৰ দ্বাৰা সম্ভাৱনীয়তা চিনাক্ত কৰি ইয়াক ব্যৱহাৰ্য সামগ্ৰী তৈয়াৰ কৰি উপযুক্ত প্ৰচাৰ-প্ৰসাৰ আৰু বিপণনৰ দিশত দিহা পৰামৰ্শ আগবঢ়ায় উপভোক্তাৰ হাতত তুলি ধৰালৈকে সমগ্ৰ প্ৰক্ৰিয়াটোক আগবঢ়াই নিবলৈ ব্যৱস্থা কৰে উক্ত অনুষ্ঠানে। কৃষিজাত ১৩ পৃষ্ঠাত চাওক

দেওমৰনৈত চোৰৰ সন্ত্ৰাস

## গ্ৰাহক সেৱা কেন্দ্ৰৰ লগতে দুই ব্যৱসায়িক প্ৰতিষ্ঠানত লুটপাট

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ৩১ ডিচেম্বৰ ঃ** পাথৰিঘাট আৰক্ষী চকীৰ অন্তৰ্গত দেওমৰনৈত যোৱা ২৯ ডিচেম্বৰৰ নিশা অসম গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ লগতে দুখন ব্যৱসায়িক প্ৰতিষ্ঠানত চোৰে লুটপাট চলায়। নিশা গ্ৰাহক সেৱা কেন্দ্ৰটোৰ উপৰি বৰ্ণালী ষ্টোৰ আৰু এন কে ম'বাইল ৰিপিয়াৰিঙৰ তলা ভাঙি চোৰে ভিতৰত প্ৰৱেশ কৰি বয়-বস্তুসমূহ লণ্ডভণ্ড কৰাৰ লগতে নগদ ধন নিয়ে। উল্লেখ্য যে যোৱা তিনি-চাৰি মাহমান আগতেও দেওমৰনৈৰ কে'বাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত চোৰে লুটপাট চলাইছিল। পুনৰ কালি নিশা ইয়াৰ পুনৰাবৃত্তি হোৱাত ব্যৱসায়ীসকল চিন্তিত হৈ পৰিছে।

## শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱৰ আয়োজন


বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ৩১ ডিচেম্বৰ ঃ** শিৱসাগৰৰ অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱ অহা তিনি জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। তিনি জানুৱাৰীৰ পুৱা ন বজাত ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° ঋতা বৰকটকীয়ে পতাকা উত্তোলন আৰু উপাধ্যক্ষা উৎপলা গোহাঁই চমুৱাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে আল্পনা, সংগীত, ভেশচন, ১৩ পৃষ্ঠাত চাওক

অসম চৰকাৰ

# ইংৰাজী নৱবৰ্ষৰ ওলগ

১ জানুৱাৰী, ২০২২



অসমবাসীলৈ ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ।

নতুন বছৰটোৱে সকলোৰে বাবে কঢ়িয়াই আনক সুখ আৰু আশাৰ বতৰা। সকলোৰে জীৱন মংগলময় হওক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

জনসংযোগ/ডি/১২৩৯১/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/



Azadi Ka Amrit Mahotsav

# পুণ্যধাম যাত্ৰা ১৯-২০ (উত্তৰ-পূৰ্বাঞ্চল)

Awesome Assam
Department of Tourism

অসম চৰকাৰৰ পৰ্যটন বিভাগে "পুণ্যধাম যাত্ৰা"ৰ অধীনত বয়োজ্যেষ্ঠ তীৰ্থযাত্ৰীক সম্পূৰ্ণ চৰকাৰী খৰচত ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন তীৰ্থস্থান দৰ্শন কৰাবলৈ লোৱা আঁচনিখন পুনৰ আৰম্ভণি কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে ইচ্ছুক ব্যক্তিয়ে তলত দিয়াৰ দৰে প্ৰয়োজনীয় নথি-পত্ৰৰ সৈতে ৫ জানুৱাৰী ২০২২ৰ পৰা অনলাইন যোগে www.assamtourismonline.comত আৰু তলত উল্লেখ কৰা ঠিকনাতো জমা দিব পাৰিব। সবিশেষ জানিবৰ বাবে তলত উল্লেখিত ঠিকনাত যোগাযোগ কৰিব পাৰিব।



শ্ৰী বিমল বৰা
মাননীয় মন্ত্ৰী
পৰ্যটন, শক্তি ইত্যাদি বিভাগ
অসম চৰকাৰ

**আবেদনকাৰীৰ অৰ্হতাসমূহ আৰু কৰণীয়সমূহঃ**

- এখন প্ৰ-পত্ৰ কেৱল এজন আবেদনকাৰীৰ বাবে প্ৰযোজ্য হ'ব।
- আবেদনকাৰী পুৰুষৰ আৰু মহিলাৰ ক্ষেত্ৰত বয়স ৫০ বছৰৰ পৰা ৬৫ বছৰ নিৰ্ধাৰণ কৰা হৈছে আৰু বয়সৰ প্ৰমাণপত্ৰ আবেদন প্ৰ-পত্ৰৰ লগত দিব লাগিব।
- দীঘলীয়া যাত্ৰাৰ বাবে আবেদনকাৰী ব্যক্তিজন শাৰিৰীকভাৱে সক্ষম হ'ব লাগিব আৰু চৰকাৰী চিকিৎসকৰ পৰা শাৰিৰীক তথা যাত্ৰাৰ বাবে থকা সক্ষমতাৰ প্ৰমাণ পত্ৰ আবেদন প্ৰ-পত্ৰৰ লগত দিব লাগিব। যাত্ৰাৰ আৰম্ভণিতে বিভাগৰ ফালৰ পৰা প্ৰতিজন তীৰ্থযাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব।
- আবেদনকাৰীৰ ব্যক্তিগত বছৰেকীয়া আয় ২.৫ লাখ টকাৰ তলৰ হব লাগিব আৰু প্ৰমাণ পত্ৰ আবেদন প্ৰ-পত্ৰৰ লগত দিব লাগিব।

**সেৱাসমূহঃ**

- আবেদনকৰীয়ে তলত উল্লেখকৰা যিকোনো এটা তীৰ্থস্থান বাচনি কৰিব পাৰিব। (১) পৰশুৰাম কুণ্ড (অৰুণাচল প্ৰদেশ), (২) বৌদ্ধ মন্দিৰ (তিনিচুকীয়া/ডিব্ৰুগড়), (৩) শিৱদৌল /আজান-পীৰ দৰগাহ (শিৱসাগৰ), (৪) মাজুলী,(৫) মহাভৈৰৱ মন্দিৰ (তেজপুৰ), (৬) বৰদোৱা(নগাঁও), (৭) কামাখ্যা মন্দিৰ (গুৱাহাটী), (৮) বৰপেটা সত্ৰ, (৯) মহামায়া থান (ধুবুৰী)তথামধুপুৰ সত্ৰ (কোচবিহাৰ), (১০) ত্ৰিপুৰা সুন্দৰী মন্দিৰ (আগৰতলা, ত্ৰিপুৰা) আৰু বৰাক উপত্যাকাৰ অন্যান্য তীৰ্থস্থানসমূহ, (১১) নৰ্টিয়াং দুৰ্গামন্দিৰ (মেঘালয়),(১২) বাসুদেৱ আৰু মালিনী থান।
- খোৱাৰ বাবে প্ৰতিজন তীৰ্থযাত্ৰীক প্ৰতিদিনে ১৫০/- (ডেৰশ টকা)কৈ অসম চৰকাৰৰ ফালৰ পৰা তেওঁলোকৰ বেংক একাউণ্টত দিয়া হব।

| জিলা | তীৰ্থস্থান আৱৰ্ত | জিলা | তীৰ্থস্থান আৱৰ্ত | জিলা | তীৰ্থস্থান আৱৰ্ত | জিলা | তীৰ্থস্থান আৱৰ্ত |
|---|---|---|---|---|---|---|---|
| বাক্সা | ৪, ৫,৬,৭, ৯ | ধেমাজি | ১, ২, ৩, ৫,৬ | কামৰূপ মহানগৰ | ১, ২, ৩, ৪, ৫, ৬, ৮, ৯ | নগাঁও | ১, ২, ৩, ৪, ৭, ৮, ৯, ১২ |
| বৰপেটা | ৩, ৪, ৫,৬,৭, ৯ | ধুবুৰী | ৬,৭, ৮, ৯ | কামৰূপ গ্ৰাম্য | ৩, ৪, ৫,৬, ৮, ৯ | নলবাৰী | ১, ২, ৩, ৪, ৫, ৬, ৭, ৯, ১২ |
| বজালী | ৩, ৪, ৫,৬,৭, ৯ | ডিব্ৰুগড় | ১, ২, ৪, ৫, ৬, ১২ | কাৰ্বি আলং(পূৱ) | ৩, ৪, ৫,৭ | শিৱসাগৰ | ১, ২, ৪, ৫, ৬, ৭, ১২ |
| বিশ্বনাথ | ১, ২, ৩, ৪,৭, ৮, ১২ | ডিমা হাছাও | ৩, ৪, ৫, ৬, ৭ | কাৰ্বি আলং(পশ্চিম) | ৩, ৪, ৫,৭ | শোণিতপুৰ | ১, ২, ৩, ৪, ৭, ৮, ১২ |
| বঙাইগাঁও | ৫,৬,৭, ৯ | গোৱালপাৰা | ৫, ৬, ৭, ৮, ৯ | কৰিমগঞ্জ | ১০, ১১ | দক্ষিণ শালমাৰা | ৭, ৮, ৯ |
| কাছাৰ | ১০, ১১ | গোলাঘাট | ১, ২, ৫, ৭, ৮, ১২ | কোকৰাঝাৰ | ৫, ৬, ৭, ৮, ৯ | তিনিচুকীয়া | ৩, ৪, ৫, ৬, ১২ |
| চৰাইদেউ | ১, ২, ৪, ৫,৬,৭, ১২ | হাইলাকান্দি | ১০, ১১ | লক্ষীমপুৰ | ১, ২, ৩, ৬ | ওদালগুৰি | ৩, ৪, ৬, ৭, ৮, ৯, ১২ |
| চিৰাং | ৫, ৬, ৭, ৯ | হোজাই | ৩, ৪,৭, ৮ | মাজুলী | ১, ২, ৩, ৫, ৬, ৭, ৮, ৯ | | |
| দৰং | ৩, ৪, ৬,৭, ৮, ৯, ১২ | যোৰহাট | ১, ২, ৫, ৬, ৭, ১২ | মৰিগাঁও | ৩, ৪, ৫, ৮, ৯ | | |

যোগাযোগৰ ঠিকনাঃ পৰিচালন সঞ্চালক, অসম পৰ্যটন উন্নয়ন নিগম, অসম পৰ্যটন ভৱন, চতুৰ্থ মহলা, এ.কে.আজাদ ৰোড, ৰিহাবাৰী, গুৱাহাটী, অসম, পিনঃ৭৮১০০৮
ইমেইলঃ punyadhamyatra@gmail.com, ৱেবচাইটঃ assamtourismonline.com ফোনঃ +৯১-৮১৩৫৯০২৯৭৩, ৮১৩৫৯০২৯৭৪

**বিঃদ্ৰঃ সকলো যাত্ৰা কোভিড-১৯ৰ চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি কাৰ্যকৰী কৰা হব।**

জনসংযোগ/ডিএফ/২২৩২/২১

দক্ষিণ আফ্ৰিকা ক্ৰিকেটত হাহাকাৰ

# শৃংখলাৰ মাজতে টেষ্টৰ পৰা অৱসৰ উইকেটৰক্ষক ডিক'কৰ



**জোহান্সবাৰ্গ, ৩১ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক তথা উইকেটৰক্ষক বেটছমেন ডিক'কে আজি চলিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ মধ্যভাগতে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। উইকেটৰক্ষক বেটছমেনজনৰ এই আকস্মিক সিদ্ধান্তই সকলোকে সচকিত কৰি তুলিছে। উল্লেখ্য যে পূৰ্বে দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ অধিনায়কৰ দায়িত্বত থকা ডিক'কৰ বয়স মাত্ৰ 29 বছৰ। দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ হৈ 54 খন টেষ্ট খেলা ডিক'কে ছটা শতকসহ 3300 ৰাণ কৰিছে। সৰ্বোচ্ছ 141¼ আনহাতে, উইকেটৰক্ষক বেটছমেন 232 টা উইকেট পতনত সহায় কৰিছে। উল্লেখ্য যে ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ চলিত প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাক 113 ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লাভ কৰিছে। তিনিখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচ তিনি জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। চলিত তিনিখনীয়া টেষ্ট শৃংখলাত ঘৰুৱা দলটো বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে প্ৰথম টেষ্টত। উল্লেখ্য যে চেঞ্চুৰিয়ানত হোৱা টেষ্টখনত ভাৰতৰ প্ৰথম ইনিংছৰ 327 ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 197 ৰাণতে প্ৰথম ইনিংছ সামৰে আৰু ঘৰুৱা দলটো 130 ৰাণত পিছ পৰি থাকে। পাছত ভাৰতে দিয়া 305 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি পঞ্চমদিনা দক্ষিণ আফ্ৰিকাই 191 ৰাণত দ্বিতীয় ইনিংছ সামৰে।



## ১৯ অনূৰ্ধ্ব এছিয়া কাপ ক্ৰিকেটত শ্ৰীলংকাক হৰুৱাই চেম্পিয়ন ভাৰত

# নৱবৰ্ষৰ প্ৰাককক্ষণত নৱযৌৱনৰ সাফল্য

**ডুবাই, ৩১ ডিচেম্বৰ ঃ** ভাৰতৰ 19 বছৰ অনূৰ্ধ দলে চলিত এছিয়া কাপ ক্ৰিকেটৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে। আজি অনুষ্ঠিত হোৱা ফাইনেল মেচত ভাৰতে ডি এল পদ্ধতিৰে ন উইকেটত পৰাস্ত কৰে শ্ৰীলংকাক। পোনতে বেটিং কৰা শ্ৰীলংকাই 38 অভাৰত ন উইকেট হেৰুৱাই সংগ্ৰহ কৰে 106 ৰাণ। উল্লেখ্য যে দলে 57 ৰাণতে সাতটা উইকেট হেৰুৱাই বিপদত পৰিছিল যদিও অন্তিম তিনিজন বেটছমেনে শ্ৰীলংকাৰ ৰাণ সংখ্যা শতক পাৰ কৰায়। কিন্তু বৰ্ষাবিঘ্নিত মেচখনত ভাৰতক জয়ৰ বাবে 32 অভাৰত প্ৰয়োজন হয় 102 ৰাণ। ভাৰতে 21.3 অভাৰত এটা উইকেট হেৰুৱাই 104 ৰাণ জয়লাভ কৰে লগতে এছিয়া কাপ ক্ৰিকেটৰ চেম্পিয়ন ট্ৰফী অৰ্জন কৰে। ইয়াৰপূৰ্বে ছেমিফাইনেলত ভাৰতৰ 19 বছৰ অনূৰ্ধ দলে 103 ৰাণত পৰাস্ত কৰিছিল বাংলাদেশক। মেচখনত পোনতে বেটিং কৰি ভাৰতে 243-8 ৰাণ কৰে। প্ৰত্যুত্তৰত বাংলাদেশৰ 19 বছৰ অনূৰ্ধ দলে 140 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে 19 বছৰ অনূৰ্ধ এছিয়া কাপ ক্ৰিকেটৰ লীগ মেচত ভাৰতে কেৱল পাকিস্তানৰ হাতত পৰাস্ত হোৱাৰ বাবে সকলো মেচতে জয় অৰ্জন কৰিছে। কিন্তু ভাৰতক পৰাস্ত কৰাৰ পাছতো পাকিস্তানে ফাইনেল নাপালে। দ্বিতীয়খন ছেমিফাইনেলত শ্ৰীলংকাই 22 ৰাণত পৰাস্ত কৰে পাকিস্তানক। পোনতে বেটিং কৰি শ্ৰীলংকাই 147 ৰাণ কৰে। প্ৰত্যুত্তৰত পাকিস্তানৰ 19 বছৰ অনূৰ্ধ দলে 125 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।



## সন্তোষ ব্ৰহ্ম আন্তঃক্লাব ক্ৰিকেটত ডলফিনৰ জয়

**অগ্ৰদূত বাৰ্তা**

**গৰুভাসা, ৩১ ডিচেম্বৰ ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত অনুষ্ঠিত সন্তোষ ব্ৰহ্ম সোঁৱৰণী জিলা আন্তঃক্লাব ক্ৰিকেট লীগত আজিৰ খেলত বেংতলৰ ডলফিন 'এ' দলে জয়লাভ কৰিছে। বেংতলত অনুষ্ঠিত হোৱা খেলত ডলফিন 'এ' দলে ৰুণীখাটাৰ টেনজিং ক্লাবক আঠ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি টেনজিং ক্লাবে 16.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ 71 ৰাণ কৰে। প্ৰত্যুত্তৰত ডলফিন ক্লাবে 10.4 অভাৰত দুই উইকেট হেৰুৱাই বিজয় সাব্যস্ত কৰে।



## অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপত দুলীয়াজান ক্ৰিকেট একাডেমী ফাইনেলত



**অগ্ৰদূত বাৰ্তা, নাহৰকটীয়া, ৩১ ডিচেম্বৰ ঃ** নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত চলি থকা অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপত দুলীয়াজান ক্ৰিকেট একাডেমিয়ে পায়'নিয়াৰ স্কুৰ্বাডক সাত উইকেটত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে । আজি অনুষ্ঠিত দ্বিতীয় খন ছেমিফাইনেলত দুলীয়াজান ক্ৰিকেট একাডেমিয়ে টচত জিকি পায়'নিয়াৰক পোনতে বেট কৰিবলৈ আমন্ত্ৰণ জনায় ।পায়'নিয়াৰে বেট কৰি 22.4 অভাৰত সকলো উইকেট হেৰুৱাই 88 ৰাণহে কৰিবলৈ সক্ষম হয় ।প্ৰত্যুত্তৰত দুলীয়াজান ক্ৰিকেট একাডেমিয়ে 17.3 অভাৰত তিনি উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয়। ইয়াৰপূৰ্বে ফেলকনচ ক্লাৱে দুলীয়াজান ইয়ুথ ক্লাৱক 32 ৰাণত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে । প্ৰথমখন ছেমিফাইনেলত টচত জিকি ফেলকনচ ক্লাৱে পোনতে বেট কৰি নিৰ্ধাৰিত 35 অভাৰত নটা উইকেট হেৰুৱাই 184 ৰাণ কৰে। প্ৰত্যুত্তৰত, দুলীয়াজান ইয়ুথ ক্লাৱে বেট কৰি 33.2 অভাৰত সকলো উইকেট হেৰুৱাই 152 ৰাণ কৰে ।

## ভাৰত চৰকাৰৰ সন্মান লাভ ক্ৰীড়াবিদ কৈলাশ শৰ্মাৰ

**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** ভাৰতৰ স্বাধীনতাৰ 75 সংখ্যক বৰ্ষত উপনীত হোৱাৰ বাবে আয়োজিত আজাদী কি অমৃত মহোৎসৱত নিজৰ কৰ্মৰে দেশক গৌৰৱান্বিত কৰি সেৱা আৰু বৰঙনি আগবঢ়াই যোৱা বিভিন্ন ৰাজ্যৰ 75 জনকৈ বিশিষ্ট ব্যক্তিলৈ ভাৰত চৰকাৰে ঘোষনা কৰা ৰাষ্ট্ৰীয় বটাঁ লাভ কৰিছে অসমৰ ক্ৰীড়াবিদ, প্ৰশিক্ষক তথা সংগঠক কৈলাশ শৰ্মাই। অসমৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আনুষ্ঠানিকভাৱে কৈলাশ শৰ্মাক এই সন্মান প্ৰদান কৰে। উল্লেখ্য যে দুবাৰকৈ বিশ্ব ষ্ট্ৰেংথলিফটিঙত দেশৰ হৈ পদক লাভ কৰা শৰ্মাই বিশ্ব আৰ্মস্পৰ্টচতো পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় শক্তিউত্তোলন দলৰ প্ৰশিক্ষক আৰু মেনেজাৰ হিচাপে দেশ-বিদেশত সফলতা লাভ কৰিছে শৰ্মাই। উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাষ্ট্ৰীয় খেল সংঘই নতুন দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰলৈ বিশিষ্ট বৰঙনি আগবঢ়াই যোৱাৰ স্বীকৃতিস্বৰূপে ভাৰতীয় ক্ৰিকেট দ'লৰ প্ৰাক্তন সদস্য প্ৰয়াত চেতন চৌহানে সন্মানিত কৰিছিল শৰ্মাক।

# ষ্টাৰ স্প'ৰ্টিং ক্লাবক হৰুৱাই নগাঁৱৰ চেম্পিয়ন ৰেডিয়েল



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩১ ডিচেম্বৰ ঃ** নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি হোৱা ফাইনেল মেচত ৰেডিয়েল ক্লাবে 26 ৰাণত ষ্টাৰ স্পৰ্টিং ক্লাবক পৰাস্ত কৰি জিলাৰ চেম্পিয়ন হয়। উল্লেখ্য যে মেচখনত ৰেডিয়েল ক্লাবে 165-10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ষ্টাৰ স্পৰ্টিং ক্লাবে 139-8 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। চেম্পিয়ন হৈ ৰেডিয়েল ক্লাবে দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। ইয়াৰপূৰ্বে হোৱা দ্বিতীয়খন ছেমিফাইনেলত ষ্টাৰ স্পৰ্টিং ক্লাবে 123 ৰাণত পৰাস্ত কৰিছিল ত্ৰিনয়ন গোষ্ঠীক। উল্লেখ্য যে মেচখনত ষ্টাৰ স্পৰ্টিং ক্লাবে 214-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ত্ৰিনয়ন গোষ্ঠীয়ে 91-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, প্ৰথম ছেমিফাইনেলত ৰেডিয়েল ক্লাবে পৰাস্ত কৰিছিল ইলাইট ক্লাবক।

## গুৱাহাটী ক্ৰীড়া সন্থাৰ ছিনিয়ৰ মহিলা ভলীবল দলৰ শিবিৰ

**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই গুৱাহাটী জিলা ছিনিয়ৰ মহিলা ভলীবল দল গঠনৰ বাবে তিনি জানুৱাৰীৰ পৰা জজ খেলপথাৰত থকা জি ভি চি চি গ্ৰাউণ্ডত এক বাছনি শিবিৰৰ আয়োজন কৰিছে। আবেলি দুই বজাৰ পৰা হ'ব লগা এই বাছনি শিবিৰত নিৰ্বাচিত খেলুৱৈসকলে তেজপুৰত 17 জানুৱাৰীৰ পৰা 20 জানুৱাৰীলৈ অনুষ্ঠিত হ'ব লগা 58 সংখ্যক ছিনিয়ৰ আন্তঃজিলা ভলীবল চেম্পিয়নশ্বিপত গুৱাহাটী জিলা দলক প্ৰতিনিধিত্ব কৰিব । শিবিৰত অংশ ল'ব খোজা আগ্ৰহী খেলুৱৈসকলে জিভিচিচি গ্ৰাউণ্ডত দুই জানুৱাৰীৰ পূৰ্বে আবেলি দুই বজাৰ পৰা সন্ধিয়া পাঁচ বজাৰ ভিতৰত নাম পঞ্জীয়ন কৰিব লাগিব । অধিক তথ্যৰ বাবে ভলীবল সম্পাদক অম্বা শইকীয়া পাটগিৰীৰ সৈতে 9957801429 নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে ।



প্ৰাইজমানি গ্ৰাম্য ফুটবল প্ৰতিযোগিতা

# খৰমুজা ফুটবল দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**মটিয়া, ৩১ ডিচেম্বৰ ঃ** খৰমুজা যুৱ সংঘৰ উদ্যোগত খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয় পথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলত খৰমুজা ফুটবল দলে সোনাহাৰা ফুটবল দলক টাইব্ৰেকাৰৰ সহায়ত 5-4 গলত পৰাজিত কৰি খিতাপ লাভ কৰিছে । খেলখন নিৰ্দিষ্ট সময়ত 2-2 গলত ড্ৰ হোৱাত টাইব্ৰেকাৰৰ সহায় লোৱা হয় । খৰমুজা ফুলবল দলৰ খেলুৱৈ ব্ৰজেন ৰাভা ফাইনেল খেলত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় । খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণি সভাত গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, প্ৰাক্তন বিধায়ক শেখ শ্বাস আলম আৰু খৰমুজা গাঁও পঞ্চায়তৰ সভাপতি ছইদুৰ ৰহমান উপস্থিত থাকি বঁটা সমূহ বিতৰণ কৰে । ফাইনেল খেলখন পৰিচালনা কৰে ক্ৰমে অতিকুল ইছলাম আনাছাৰী, আব্দুৰ ৰশিদ, প্ৰিয় ৰাভা আৰু আবুল কালাম আজাদে।



## সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

# ন-জোৱান যুৱক সংঘৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩১ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়াম হাইস্কুল খেলপথাৰত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত বৰচকাবাহা ন-জোৱান যুৱক সংঘই অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত বৰচকাবাহা ন-জোৱান যুৱক সংঘই ৰাঙলু ইয়ং ষ্টাৰ ক্লাবক পাঁচ উইকেটত পৰাজিত কৰে। খেলখনত ৰাঙলু ইয়ং ষ্টাৰ ক্লাবে পোনতে বেট ধৰি 12 অভাৰত ছটা উইকেট হেৰুৱাই 101 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বৰচকাবাহা ন-জোৱান যুৱক সংঘই বেট ধৰি 11.5 অভাৰত পাঁচটা উইকেটৰ বিনিময়ত 103 ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে। কাইলৈ প্ৰতিযোগিতাৰ কোনো খেল নাই। দেওবাৰৰ খেলত মৰিগাঁৱৰ পি.চি.চি.য়ে হাতীবাট প্ৰগতি যুৱক সংঘৰ বিৰুদ্ধে খেলিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।

# বালিপৰা টাইকোৱান-ড' একাডেমীৰ সফলতা অৰ্জন

## প্ৰাইজমানি ক্ৰিকেট

**ছয়গাঁও ৩১ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ পুখুৰীপাৰত আয়োজন কৰা প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি সামৰণি পৰে । পুখুৰীপাৰ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ফাইনেল খেলখনত হালিমা চেভেন ষ্টাৰ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩১ ডিচেম্বৰ ঃ** তেজপুৰত অনুষ্ঠিত শোণিতপুৰ অপেন ইন্টাৰ ক্লাব টাইকোৱান-ড' প্ৰতিযোগিতাত বালিপৰা টাইকোৱান-ড' একাডেমিয়ে লাভ কৰিছে বিশেষ সাফল্য। মুঠ 26 টা পদকৰ লগতে বেষ্ট ফাইটাৰ খিতাপ অৰ্জন কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে বালিপৰা টাইকোৱান-ড' ক্লাৱৰ প্ৰশিক্ষাৰ্থী সকলে। একাডেমিটোৰ কৰণ ভূমিজে কিউৰোগিত সোনৰ পদক তথা পুমচেত ৰূপৰ, সম্ভাবনা দত্তই কিউৰোগিত ৰূপৰ তথা পুমচেত ব্ৰঞ্জ , বৰষা ৰাভাই সোনৰ পদক তথা জুনিয়ৰ গাৰ্লছ বেষ্ট ফাইটাৰ, ভাস্কৰ দাসে সোণৰ, জ্যোতিময় শইকীয়া, মানস কুৰ্মী, নিবেদিতা দাস, হেঙুল দে, দীপজ্যোতি সৰকাৰ, অমিয়া দাসে ৰূপৰ পদক অৰ্জন কৰাৰ উপৰি, জিজ্ঞাসী ডেকা শৰ্মা, জয়া দাস, ৰাহুল লিম্বু, জ্যোতি দাস, বিচিত্ৰ নাৰ্জাৰী, প্ৰজ্ঞানজ্যোতি দাস, অচ্যুত দাস, অংকিতা ভূএগ, অনচ পুলামে, আনভি গগৈ, বিহান কাশ্যপ ভূএগ, চুংখউ বসুমতাৰী আৰু হিমাদ্ৰী কোচে ব্ৰঞ্জৰ পদক লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। দলটোৰ প্ৰশিক্ষক হিচাপে আছিল হৰেন ভূমিজ আৰু দীপজ্যোতি শইকীয়া। অসম অলিম্পিক সন্থাৰ দ্বাৰা স্বকিতি প্ৰাপ্ত তথা অসম টাইকোৱানড' সন্থাৰ স্বকিতিপ্ৰাপ্ত শোণিতপুৰ জিলাৰ অধীনত এই বালিপৰা টাইকোৱানড' একাডেমি।

শোণিতপুৰ অপেন আন্তঃক্লাব প্ৰতিযোগিতা



# কল্যানী অপেন জুনিয়ৰ টেনিছ প্ৰতিযোগিতা

**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাই নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান ইতিমধ্যে নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি নুমলীগড় কল্যানী ক্লাবে অহা বৰ্ষৰ তিনিৰ পৰা ছয় জানুৱাৰীলৈ আয়োজন কৰিব কল্যানী অপেন জুনিয়ৰ টেনিছ প্ৰতিযোগিতা। এইবাৰ ধেমাজি টেনিছ ক্লাবে সাতৰ পৰা ন জানুৱাৰীলৈ আয়োজন কৰিব ধেমাজি টেনিছ চেম্পিয়নশ্বিপ। আনহাতে, 19-23 জানুৱাৰীলৈ দূলীয়াজানৰ জাল'নি ক্লাবে আয়োজন কৰিব অইল ইণ্ডিয়া সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। ইফালে, গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত 12-13 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব প্ৰবীন খেলুৱৈৰ প্ৰতিযোগিতাখন। বাকী থকা জুনিয়ৰ ৰেংকিং প্ৰতিযোগিতাৰ দিন আৰু স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি জনায় অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। উল্লেখ্য যে অসম টেনিছ সন্থাৰ উদ্যোগত ইতিমধ্যে সমাপন হৈছে গুৱাহাটীৰ উত্তৰ-পূৱ টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হোৱা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। আৰু যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত হয় 30 সংখ্যক যোৰহাট অ'পেন।

